# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1972

( SEPTEMBER SESSION 1972 )

Vol. IV No. 6

**The 25th September, 1972**

## CONTENTS


| | | | Pages |
|---|---|---|---|
| 1. | Starred Questions and Answers | ... | 1 |
| 2. | Short Notice Questions and Answers | ... | 67 |
| 3. | Strike by P. W. D. retrenched workers and School Teachers in front of the Assembly Building | ... | 68 |
| 4. | Re : Calling Attention to a matter of Urgent Public Importance—Non repair of Embankment | ... | 91 |
| 5. | Announcement by the Speaker—Group Photograph of Members | ... | 94 |
| 6. | Motion : Motion for extension of the Report of the Select Committee on the Assam Urban Immovable Report ( Ceiling ) Bill, 1972. | .... | 94 |
| 7. | Motion for extension of time for submission of the Report of the Select Committee on the Assam Agricultural Produce Market Bill, 1972 | ... | 95 |
| 8. | Motion for extension of time for the submission of the Report of the Select Committee on the Assam State Housing Board Bill, 1972 | ... | 95 |
| 9. | Laying of 26th Report of the Committee on Estimates on the Departments of Panchayat and Community Development | ... | 96 |
| 10. | Laying of the 9th, 10th and 11th Report of the Committee on Petitions | ... | 96 |

11. The Assam Contingency fund ( Augmentation Corpus ) Bill, 1972 ... 96

12. The Assam Appropriation ( No. III ) Bill, 1972 ... 100

13. Resolution Relating to the Enquiry Commission Report on the Assam State Electricity Board ... 101

14. Discussion under Rule 50—Activities of the Kabulies in Assam ... 102

15. Further Discussion on the resolution on nationalisation of Oil & Tea Industries in the State ... 102

16. Re : Strike by P. W. D. retrenched workers and School Teaehers in front of the Assembly Building ... 107

17. Further Discussion on the resolution on nationalisation of Oil & Tea Industriss in the State .... 110

18. Re : Group Photgraph of Members ... 123

19. Further discussion on the resolution on nationalisation of Oil & Tea Industries in the State ... 124

20. Statement by a Minister correcting certain reply to Starred Question No. 527 replied on 25th July 1972 ... 134

21. Prorogation ... 135

# Proceedings of the Fourth Session of the Assam Legislative Assembly Assembled After the Fourth General Elections Under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly Chamber, Shillong at 10 A. M. on Saturday, the 25th September 1972.

## PRESENT

Shri Ramesh Chandra Barooah, B. L., Speaker, in the Chair, 9 (Nine) Ministers, 3 (Three) Ministers of State, and 96 (Ninty Six) Members.

## STARRED QUESTIONS AND ANSWERS

( To which oral repliees were given )

### ৰাষ্ট্ৰীয় সংহতি পৰিষদ

শ্ৰীদেবেন্দ্ৰ নাথ বৰাই সুধিছে :

*৪৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অসমত ৰাষ্ট্ৰীয় সংহতি পৰিষদখনৰ কি আৱশ্যকতা আছে?

(খ) এই পৰিষদৰ সদস্যসকলৰ আৰু সভাপতি, সম্পাদকৰ নাম জনাব নে?

(গ) তেওঁলোকৰ কামৰ থুলমূল ভাবে খতিয়ান এই সদনক জনাব নে ?

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই উত্তৰ দিছে ঃ

৪৯। (ক)—ৰাষ্ট্ৰীয় সংহতি পৰিষদৰ অনুমোদনক্ৰমে ৰাজ্যিক পৰ্য্যায়ত পৰিষদখন গঠন কৰা হৈছে। পৰিষদৰ মূল কাম হৈছে জাতীয় ঐক্য সংহতিৰ ক্ষতিকৰ কাম বা ভাব্ আতবাই ৰখা আৰু সংহতিৰ প্ৰতি বিভিন্ন সম্প্ৰদায়ৰ মানুহক প্ৰচাৰৰ যোগেদি শ্ৰদ্ধাশীল কৰি তোলা।

(খ)—পূৰ্ণ পৰ্য্যায়ৰ পৰিষদখন ৭।২।৭২ তাৰিখৰ পৰা ভাঙি দিয়া হৈছে। বৰ্তমানে সভাপতি শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী আৰু সম্পাদক শ্ৰীঈশ্বৰ প্ৰসাদ চৌধুৰীয়ে ৰাজ্যিক সংহতি পৰিষদৰ কাম চলাই আছে।

(গ) কামৰ খতিয়ান সদনৰ মেজত দাখিল ৰখা হৈছে।

শ্ৰীদেবেন্দ্ৰ নাথ বৰা—মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো যে ৭।২।৭২ তাৰিখে এই পৰিষদখন ভাঙি দিয়া হৈছে। গতিকে এতিয়া মাত্ৰ সভাপতি আৰু সম্পাদকৰ দ্বাৰা কেনেকৈ কাম পৰিচালনা কৰিব পাৰিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, এইটো এটা পৰিস্থিতিতহে পৰিষদখন ভাঙি দিয়া হৈছে, কিন্তু কাম অব্যাহত ৰাখিবৰ কাৰণে সভাপতি আৰু সম্পাদকক ৰখা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় সংহতিৰ যিটো কনফাৰেন্স শ্ৰীনগৰত হৈছিল তাত বিভিন্ন সম্প্ৰদায়ৰ মানুহে চাকৰি বা অন্যান্যক্ষেত্ৰত যাতে সমানে সুবিধা পায়, সেই সম্পৰ্কে কিবা সিদ্ধান্ত লৈছিল নেকি ? যদি লৈছিল তেতিয়াহ'লে সেই সিদ্ধান্ত কাৰ্য্যকৰী কৰিবলৈ অসম চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই প্ৰশ্নত ৰাজ্যিক পৰ্য্যায়ৰ পৰিষদে কি কি কাম কৰিছে তাৰ কথাহে উল্লেখ আছে। তেখেতে ৰাষ্ট্ৰীয় পৰিষদৰ কথা কৈছে, কিন্তু ৰাষ্ট্ৰীয় পৰিষদৰ কথা ইয়াত নুঠে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—জাতীয় পৰিষদে যি নীতি গ্ৰহণ কৰিছে সেইটো আমাৰ অসমৰ ৰাজ্যিক পৰ্য্যায়ৰ পৰিষদে মানি নলয় নেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—মানি লওঁ।

শ্ৰীগিয়াচুদ্দিন আহমেদ—তেতিয়াহ'লে যেতিয়া শ্ৰীনগৰত জাতীয় পৰিষদৰ কনফাৰেন্স হয়, তাত কিছুমান সম্প্ৰদায়ৰ ওপৰত যাতে বৈমাত্ৰিকশুলভ ব্যৱহাৰ কৰা নহয়, আৰু সমভাবে সকলোকে চাকৰি আদিৰ ক্ষেত্ৰত স্থবিধা দিয়া হয় তাৰ কাৰণে এটা সিদ্ধান্ত লৈছিল। মোৰ প্ৰশ্ন হ'ল—এই সিদ্ধান্তটো কাৰ্য্যকৰী কৰিবলৈ অসম চৰকাৰে কি ব্যৱস্থা হাতত লৈছে।

শ্ৰীশৰত চন্দ্ৰ সিং—সেইটো চৰকাৰৰ কৰ্তব্যৰ ভিতৰত পৰে। জাতীয় সংহতি পৰিষদে বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত থকা সাম্প্ৰদায়িক সম্প্ৰীতি অতুত ৰাখিবৰ কাৰণে সেইবোৰ কথাত মনোযোগ দিছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ—চৰকাৰে এইটো কথা জানেনে যে ৰাজ্যিক সংহতি পৰিষদৰ সিদ্ধান্ত থকা স্বত্বেও অসম চৰকাৰে বিশেষ কোনো সম্প্ৰদায়ৰ প্ৰতি চাকৰি-বাকৰিৰ ক্ষেত্ৰত বৈমাত্ৰিকশুলভ ব্যৱহাৰ কৰিছে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—চৰকাৰে জ্ঞান বিশ্বাসমতে কৰা নাই।

শ্ৰীসোণেশ্বৰ বৰা—এই সংহতি কমিটিখনৰ সভাপতি আৰু সম্পাদকৰ বাহিৰে বাকী সদস্যসকলক ভঙ্গ কৰি দিয়া হৈছে বুলি কোৱা হৈছে। বাকীসকলক ভঙ্গ কৰি অকল সভাপতি আৰু সম্পাদকক ৰাখিবৰ কাৰণে কি আৱশ্যক হ'ল? এই সভাপতি জনক কিয় ৰখা হৈছে? যিজন লোক শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী এসময়ত এই চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্য আছিল আৰু দুৰ্নীতিগ্ৰস্ত লোক বুলি এই বিধানসভাত হোৱা আলোচনাৰ পাচত সেই মন্ত্ৰীজনক পদচ্যুত কৰা হৈছে। তাৰ পাচতো সেই মানুহজনক ৰাষ্ট্ৰীয় সংহতিৰ নিচিনা গুৰুত্বপূৰ্ণ বিষয়ত ৰাখি কি সংহতি হ'ব বুলি চৰকাৰে ভাবে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সংহতিৰ কাম ভালদৰে চলিব বুলিয়েই তেখেতক ৰখা হৈছে।

মৌলানা আব্দুল জালিল চৌধুরী—আসাম সরকারের জাতীয় সংহতি এবং রাষ্ট্রীয়

জাতীয় সংহতির সিদ্ধান্তর কার্যকরী ব্যবস্থা সরকারের কাজের ভিতরে বলে স্বীকার করছেন। সেটা কি কেবল মুখে? না জাতীয় সংহতি যে উদ্দেশ্য সিদ্ধান্ত নিয়াছেন তা কি কার্যে রূপায়ীত হবে? এবং নিয়োগের ক্ষেত্রে বিভিন্ন সম্প্রদায়ের লোকের সম অধিকার কে এইরাজ্যে যে ভাবে অবহেলিত করে এক বিশেষ সমাজের উপর যোগ্যতার নামে, বৈষম্যমূলক আচরণ অনবরতঃ এইভাবে চলিতে থাকিলে এই রাজ্যে সংহতি গড়িয়া উঠিতে পারিবে বলিয়া কি সরকার বিশ্বাস করেন?

শ্রীশৰৎ চন্দ্র সিংহ—তাৰ বাবেও সংহতি ৰক্ষা কৰা দৰকাৰ।

শ্রীপ্রমোদ চন্দ্র গগৈ—বিশেষ পৰিস্থিতিত সভাপতি আৰু সম্পাদকক ৰাখি ৰাজ্যিক সংহতি পৰিষদ ভাঙি দিয়া হৈছিল আৰু এতিয়া আকৌ বিশেষ পৰিস্থিতত ৰাজ্যিক সংহতি পৰিষদ গঠন কৰিবনে?

শ্রীশৰৎ চন্দ্র সিংহ—বিশেষ পৰিস্থিতিত নহলেও, সাধাৰণ পৰিস্থিতিতেই পুনৰ গঠন কৰা হব।

শ্রীগিয়াচুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, আগৰ প্রশ্নৰ লগত সম্পর্ক ৰাখি মই এটা প্রশ্ন উত্থাপন কৰিব বিচাৰিছো যে চৰকাৰী চাকৰিৰ ক্ষেত্রত বিশেষ কোনো সম্প্রদায়ৰ প্রতি বৈষম্যমূলক আচৰণৰ জলন্ত দৃষ্টান্ত যদি দিয়ে তেনেহ'লে চৰকাৰে তাৰ কিবা বিবেচনা কৰিবনে?

শ্রীশৰৎ চন্দ্র সিংহ—নিশ্চয় কৰিব।

## Re : Police Firing

Shri Atul Chandra Saikia asked :

*50. Will the Chief Minister be pleased to State—

(a) Whether the report of the D. C., Kamrup is received by the Government on the damages caused due to burning of the residential house of Dr. K. M. Das of Dr. B. Barua Road, Gauhati-7, on account of Police

firing and of tear gas shells on the evening of the 2nd April 1972?

(b) If so, what compensation was granted to the victim for rehabilitation?

Shri Sarat Chandra Sinha (Chief Minister) replied:

50. (a)—A copy of the report of the Additional District Magistrate, Kamrup, was placed on the table of the House in reply to unstarred Question No. 128 on 20th June 1972. No definite proof could be obtained on the causes of fire in the thatched house of Dr. Das.

It may be mentioned that Police did not resort to firing but used tear gas shells only.

(b)—The usual practice is to render rehabilitation assistance only. No grant or loan has yet been sanctioned.

Shri Atul Chandra Saikia—May I know, whether the actual amount whether relief or compensation whatever you call it, would be paid to the victims?

Shri Sarat Chandra Sinha—We are processing.

### Re: Inquiry Commission Report

Shri Promode Chandra Gogoi asked:

*51. Will the Chief Minister be pleased to state, whether the Government of Assam have decided to publish the reports of the various Inquiry Commissions set up by Government?

Shri Sarat Chandra Sinha (Chief Minister) replied:

51. In this connection Hon'ble Members attention is drawn

to my statement made on the floor of the House on 26th July 1972 during a half an hour discussion held against the Starred Question No. 268 replied on 12th July 1972.

Shri Promode Chandra Gogoi—Mr. S eaker, Sir, I want the answer definitely whether the Government have decided to publish the reports of the Enquiry Commissions ?

Shri Sarat Chandra Sinha—Certain reports which are to be published will be published and the others will not.

Shri Promode Chandra Gogoi—How many Enquiry Commissions were appointed by the Government and whether all the reports will be published by the Government after due consideration ?

Shri Sarat Chandra Sinha—I have already replied to that in answer to another question put to me earlier. There were 19 commissions appointed by the Government ; Of them we have received 18 reports ; of these 3 reports have been made public and 2 have been published and 13 remain to be published. But of these 13 we are going to publish one.

Shri Premadhar Bora—Whether the remaining reports would be published in the public interest ?

Shri Sarat Chandra Sinha—It is in the public interest that these reports should not be published.

Shri Giasuddin Ahmed—The Hon'ble Chief Minister has stated that those reports which are to be published will be published and those which are not to be published will not be published. May I know what

are the criteria to judge whether a report is to be published or not to be published ?

Shri Sarat Chandra Sinha—The only criterion is public interest.

Shri Kshirode Saikia—Whether the Ram Labhaya Commission's Report regarding the pipe scandal, which rocked the State, will be published ?

Shri Sarat Chandra Sinha—No, Sir.

**Re : Office of the Military Secretary to Governor**

Shri Lakshmi Kanta Saikia asked :

*52. Will the Chief Minister be pleased to state—

(a) What is the total sanctioned ministerial staff both gazetted and non-gazetted in the Office of the Military Secretary to the Governor of Assam ? ( A category-wise break-up with scales of pay of each category of the posts may be given ) ?

(b) Whether it is a fact that as a result of normal retirement of the incumbents on due dates almost all the posts have been kept vacant ?

(c) If so, since when and why ?

(d) Whether the ministerial staff belonging to the Governor's Secretariat and the Cffice of the Military Secretary to the Governor of Assam are engaged in the work pertaining to other States with whom we are made to share the Office of Common Governorship ?

(e) If so, do they get any remuneration or extra allowances ?

(g) Whether it is a fact that certain Assam Government employees working in the Raj Bhavan have been engaged in the work pertaining to the State of Nagaland and that they have been paid some lump sum amount as remuneration by the Government of Nagaland since the creation of this State with the Office of common Governorship with Assam till date ?

(g) If so, a year-wise break-up may be given till the end of the financial year 1971-72 ?

(h) Whether it is a fact that there is no promotional prospect of the ministerial staff working in the Governor's Secretariat ?

(i) If so, whether the Government is aware of the fact that continued denial of legitimate promotion in all branches of services under the Government is hardly the way to achieve an efficient administration ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

52. (a)—The total sanctioned ministerial staff both gazetted and non-gazetted in office of the Military Secretary to the Governor of Assam may please be seen in the Statement I placed on the table of the House.

(b) & (c)—Some posts have been kept temporarily as measure of economy and also for the purpose of keeping the expenditure within the maximum limit fixed under the Government of India ( Governor's Allowance and Privileges ) Order 1950.

The post of Superintendent has been kept vacant from 1st February 1970; Typist from 8th September 1966 and in addition 1 (one) post of Chaprasi and (4) Khalasis have not been filled up.

(d)—One Assistant of the Governor's Secretariat and one Assistant of the Military Secretary's Office were engaged previously in some typing work relating to Nagaland. In fact they were engaged for a very nominal work. This apart, the Duftry of the Military Secretary's Office encashes a few bills relating to Nagaland from the Treasury.

(e) & (f)—These persons were given some lump sum honorarium by the Government of Nagaland.

(g)—Honoraium paid to the staff from the Nagaland budget from 1.66 to 1971, has been shown in the Statement II placed in the Library table.

(h)—Yes. In smaller establishments the prospects of promotion are limited.

(i)—There has been no denial of legitimate promotion.

Shri Lakshmi Kanta Saikia—মই জানিব বিচাৰিছোঁ যে যি কেইটা প'ষ্ট এতিয়াও খালি হৈ আছে, পূৰণ কৰিবনে নকৰে আৰু যদি কৰে, কেতিয়া কৰিব ?

Shri Sarat Chandra Sinha—সেই সম্বন্ধে এতিয়াও সিদ্ধান্ত লোৱা নাই।

Smti Renuka Devi Barkataky—While the posts of Khalasis and others are lying vacant. whether it is a fact that the Government House establishment have appointed people in Muster Roll ?

Shri Sarat Chandra Sinha—That is not to my knowledge.

Smti Renuka Devi Barkataky—I would like to draw the attention of the Finance Minister to a statement in the explanatory notes in connection with a supplementary demand placed before the House yesterday to the effect "The amount Rs. 37,000 is required to meet the expenditure for maintenance of Raj Bhavan during the current year. The Budget provision of Rs. 18,000 is quite inadequate

to meet the various expenditure including payment of Muster Roll labourers under the above head". May I know when so many posts of Khalasis are lying vacant, why the Bhavan establishment engaged people on Muster Roll?

Shri Sarat Chandra Singha—Mustar Roll labourers were engaged for maintenance work, viz., repair, furnishing, etc. of the house.

শ্ৰীলক্ষী কান্ত শইকীয়া—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে জনাইছে যে, নগালেণ্ডত কাম কৰা কৰ্মচাৰী সকলে একো পোৱা নাই, যিহেতুকে তেওঁলোকে বিশেষ কাম কৰা নাই। কিন্তু তেওঁবিলাকৰে চেক্ৰেটাৰী সকলে নগালেণ্ডৰ পৰা টকা লৈ আছে। এইবিষয়টোত মুখ্যমন্ত্ৰীয়ে নিজেই বিচাৰ কৰিব নে?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—সেইটো কথা চাব লাগিব।

## অৱসৰ প্ৰাপ্তিৰ পিছত চাকৰীত কায়েম

শ্ৰীবলভদ্ৰ দাস আৰু শ্ৰীহিৰণ্য বৰাই সুধিছে:

*৫৩। মাননীয় আইনবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) আইন বিভাগৰ কেইজন বিষয়াৰ অৱসৰ প্ৰাপ্তিৰ পিছতো কায়েম ৰখা হৈছে?

(খ) চৰকাৰী চাকৰিয়ালক অৱসৰ প্ৰাপ্তিৰ পিছত Extension দিয়াতো চৰকাৰৰ নীতিৰ বিৰোধী নহয় জানো?

(গ) চৰকাৰে জানে যে Retired মানুহক অৱসৰ প্ৰাপ্তিৰ পাছত Extension দিলে শিক্ষিত নিবনুৱা ডেকাৰ চাকৰিৰ সমাধান সমস্যা দৃঢ়তৰ কৰা হয়?

(ঘ) চৰকাৰে যে সকলো বিষয়াক Extension নিদি কিছুমান বিষয়াক Extension দিয়াৰ কাৰণ কি?

(ঙ) চৰকাৰে সকলোবোৰ চাকৰিয়ালকে অৱসৰপ্ৰাপ্তিৰ পাছত Extension দিয়াৰ ব্যৱস্থা কৰিব নে?

আইন বিভাগৰ মন্ত্ৰী শ্ৰীচৈয়দ আহমেদ আলীয়ে উত্তৰ দিছে:

(ক) পৰা (ঙ)—অলপতে জনসেৱাৰ দায়ত আৰু অসাধাৰণ ভাবে

আইন বিভাগৰ অসম বিধি সেৱাৰ বিধি নিৰ্দেশক আৰু আইন সচিব গৰাকীৰ কাৰ্য্যকাল আৰু ১ বছৰলৈ বঢ়াই দিয়া হৈছে।

শ্ৰীবলভদ্ৰ দাস—ভবিষ্যতে তেনেকৈ আৰু অৱসৰপ্ৰাপ্তিৰ পাছত এক্সটেনচন কৰা উদ্দেশ্য আছে নেকি ?

শ্ৰীচৈয়দ আহমেদ আলি—তেনে উদ্দেশ্য আমাৰ নাই কিন্তু বিশেষ প্ৰয়োজন অনুসৰি ৫৫ বছৰৰ পাচত ৫৮ বছৰলৈ এক্সটেনচন দিয়া চৰকাৰৰ নিয়ম আছে।

শ্ৰীবলভদ্ৰ দাস—এই অৱসৰপ্ৰাপ্ত চাকৰীয়াল সকলক এক্সটেনচন দি, নতুনকৈ উঠি অহা ডেকা সকলৰ নিবনুৱা সমস্যা আৰু জটিলতৰ কৰা নহয়নে ?

শ্ৰীচৈয়দ আহমেদ আলি (মঃ)—মই আগতেই কৈছো যে বিশেষ প্ৰয়োজনতহে এক্সটেনচন দিয়া হয়। এইটো আমাৰ উদ্দেশ্য নহয় যে, নিবনুৱা সমস্যা বঢ়োৱা। তথাপি আমি নতুনকৈ উঠি অহা ডেকা সকলৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ যত্ন কৰি আছো।

শ্ৰীবলভদ্ৰ দাস—প্ৰয়োজন কি কি অৱস্থাত হয়, জনাবনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মঃ)—যিজন কৰ্মচাৰীয়ে যিটো বাবত কাম কৰি আছে তেওঁ অৱসৰ পোৱাৰ পিছত যদি সেই ঠাইত ৰিপ্লেছ কৰিবলৈ উপযুক্ত মানুহ পোৱা নেযায় বা পাওঁতে দেৰি হয় তেনেস্থলতহে, অৱসৰ প্ৰাপ্ত মানুহজনৰ কাৰ্য্যকাল আৰু বঢ়াই দিয়া হয়।

শ্ৰীপ্ৰেম বৰা—এই অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীৰ কাৰ্য্যকাল বঢ়াই দিয়া কথাটো চৰকাৰে ঘোষণা কৰা নীতিৰ পৰিপন্থী বুলি নেভাবেনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মঃ)—আগতেই কোৱা হৈছে যে, কাৰ্য্যকাল বঢ়াই দিয়াটো এটা বিশেষ কাৰণতহে কৰা হয়।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—এই প্ৰশ্নটোৰ লগতেই মই এটা কথা সুধিব খুজিছো যে, ন্যায়ালয়ৰ মূখ্যজনক অৱসৰৰ পাচত এক্সটেনচন দিয়া হৈছিল কিন্তু তেখেতে ব্যক্তিগত ভাবে আবেদন কৰি ৩০ চেপ্তেম্বৰৰ পৰা যাবলৈ বিচাৰিছে। এতিয়া সেই ঠাইত বিষয়াজন কি বাবত লব ? এ, পি, এচ, চিৰ থ্ৰোৰে লব নে, ব্যক্তিগত নিৰ্বাচনত লব নে, এদ্‌ভাৰটাইজ কৰি লব ?

শ্ৰীচৈয়দ আহমেদ আলি (মঃ)—আমি আচলতে ৩০ চেপ্তেম্বৰলৈকে তেখেতক ৰিএপ্লোইনমেণ্ট দিয়াৰ কথা ভাবিছিলো, আৰু এই কালচোৱাৰ ভিতৰত

এজন উপযুক্ত বিষয়া নিৰ্বাচন কৰি লোৱাৰ কথা আছিল। কিন্তু নিজেই যিহেতু যাবলৈ আবেদন দিলে, আমি এতিয়া দিৰেক্টলি হওক বা এ, পি, এচ, চি ক ৰিকুৱেষ্ট কৰি হওঁক উপযুক্ত বিষয়া এজন লব লাগিব।

শ্ৰীপিটচিং কোঁৱৰ—এইটো কথা সঁচা নেকি যে, ল'-মন্ত্ৰীয়ে এবছৰৰ কাৰণে এক্সটেনচন দিছিল।

শ্ৰীআহমেদ আলী—সেইটো সিদ্ধান্ত লোৱা হৈছিল।

## Re : Weekly Markets

Sreemati Renuka Devi Barkataki asked :

*54 Will the Chief Minister be pleased to state—

(a) Whether it is a fact that an agreement has been signed by the officials of the Assam Government and Bangladesh Government and Bangladesh Government on weekly markets on Assam-Bangladesh border ?

(b) If so, where these markets will be started and from when ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

54. (a)—The Deputy Commissioners of Cachar and Goalpara had held discussions with their counterparts of Bangladesh with regard to opening of border hats on the Assam-Bangladesh border and decisions were taken to open border hats on the border.

(b)—With regard to the border hats on Cachar-Bangladesh border, a statement is placed on the table of the House.

The following four points for holding the border hats on each side of Goalpara-Rangpur (Bangladesh) border were mutually agreed upon by the Deputy Commissioners of the above two districts, approval to which from the Government of India is awaited. It was agreed by the two Deputy Commissioners that the hats would operate only once a week on each side. The day of the week is yet to be decided by the respective Deputy Commissioners.

Indian Side :

(1) Sonahat (2) Mankachar ( Sahapara ) (3) Sukchar and (4) Patamari.

Bangladesh Side :

(1) Sonahat (2) Nutan Bandar (3) Sahebaralga and (4) Madarganj.

Smti Renukadevi Borkataky—May I know whether any tax will be collected from these HATS? If so, who will collect?

Shri Sarat Chandra Sinha—Tax will be collected by the respective authority.

Shri Prema Bora—Is there any approval of the Govt. of India?

Md. Giasuddin Ahmed—This is an international Matter. Whether there is any direction from the Govt. of India in this regard.

Shri Sarat Chandra Sinha—There is an agreement between the Govt. of Bangladesh and Govt. of Assam.

Shri Kabir Roy Pradhani—বাংলা দেশৰ সীমান্ত আৰু অসমৰ কাছাৰ জিলাৰ সীমান্তত বজাৰ চলিয়েই আছে। কিন্তু গোৱালপাৰা জিলাৰ পশ্চিম প্ৰান্তত এখন খোলাৰ সিদ্ধান্তটো আজিলৈকে কিয় লোৱা নহ'ল?

Shri Sarat Chandra Sinha—সেইটো প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে, সেই সম্বন্ধে ব্যৱস্থা চলিয়েই আছে আৰু কোনদিনা হাত বহিব সেইটো ঠিক কৰিব লাগিব। ইয়াৰ কাৰণে ভাৰত চৰকাৰৰ অনুমোদন লাগিব।

Shri Prema Bora—May I know what currency will be used in these HATS?

Shri Sarat Chandra Sinha—Their own currency in their respective territory.

Smti Renuka Devi Barkataky—After all th se HATS are international. May I know whether Govt. of India has permitted Assam Govt. to collect tax from these Hats.

Shri Sarat Chandra Sinha—Of course, there is no specific instructions. The tax will be collected in their respective territ ries.

Shri Prema Bora—Who will be the settlement authority of these Hats?

Shri Sarat Chandra Sinha—The authorities may be Panchayat, Mahkuma Parishad or Government.

Shri Sontosh Kr. Roy—There will be free movement amongst the people of Bangladesh and India. Whether there will be any restriction in terms of commodities.

Shri Sarat Chandra Sinha—Commodities have been specified and volume has also been restricted.

**Re : Appointment in Grade III of Assam Judicial Service**

Shri Abul Hussain Mir, M. L. A—Asked :

(a) Whether it is a fact that some appointments have been made by the Govt. on the recommendation of the APSC in Grade III of Assam Judicial Service ?

(b) Whether it is a fact that 16 (sixteen) appointees have not been allowed by the Registrar of the Gauhati High Court to join their posts ?

(c) If so, why ?

(d) Whether the Govt. has taken any steps to enable the appointees to join their posts ?

(e) Whether these appointees would be allowed to join in the executive branch by Govt. ?

Reply by Shri Syed Ahmed Ali, Minister, Law.

(a) Yes.

(b) No. Only 11 persons have so far not been allowed by the High Court to join their posts.

(c) The High Court has not yet indicated the reason but they were not allowed to join presumably because of their age.

(d) The matter has already been taken up with the Hon'ble High Court.

(e) Most of the appointees are already in Govt. service.

Shri Abul Hussain Mir—May I know whether they are refused due to over age ? Whether over age were condoned to the Judicial Service in the High Court ?

Shri Syed Ahmed Ali—Probably it was in 1951 for condonation of the age for these services It was done in consultation with the then Chief Justice of the High Court. Some, at that time were allowed to join.

Md. Umaruddin—If the appointed persons have not been allowed to join, then on what basis the Government had issued letters of appointment without reference to the Hon'ble High Court ?

Shri Syed Ahmed Ali—22 vacancies occurred in the year of 1971 and these vacancies were filled up after due advertisement and examination. In last April, we get in order of preference from the A. P. S. C. In last April, Accordingly, we made appointment to these candidates upto 22 in the list and this was informed to the Hon'ble High Court. Subsequently Hon'ble High Court refused 11 candidates to join.

Md Umaruddin—After the appointment letters were issued and appointments notified in the Gazette, has not such action created a liability to the Government ?

Shri Syed Ahmed Ali—I have already replied that it was an understanding with the then Chief Justice of the High Court.

Md. Giasuddin Ahmed—Whether the advertisement was made in consulation with the Hon'ble High Court ?

Shri Syed Ahmed Ali—This is not necessary.

Md Giasuddin Ahmed—What is the age limit in this service ?

Shri Syed Ahmed Ali—Under Assam Judicial Service, Jr. Grade III, the maximum age limit is 25.

Md. Giasuddin Ahmed—That is all right, Sir. Now, whether the Government took into consideration this relevant provision of the Rule. While advertising these posts and receiving application and giving appointment, whether this was taken into consideration ?

Shri Syed Ahmed Ali—That was also taken into consideration.

Md. Giasuddin Ahmed—Is there any provision that the Govt. has got discretionry power to relax the age limit? If so, under what circumstances?

Shri Syed Ahmed Ali—I have already said that in the year 1951, the Govt. issued a circular to all the departments regarding the relaxation of age for the candidates beyond the fixed limit, and according to that, some candidates applied for the posts and their ages have been relaxed.

Md. Giasuddin Ahmed—The Government has got discretionary power to relax the age limit as per rule; when the Government had taken this action of relaxation of age limit, according to that rule, how ean the Hon'ble High Court refuse to appoint the appointees?

Shri Syed Ahmed Ali—That is the trouble. I have already stated that we have taken up this matter and I shall take up this personally with the Hon'ble High Court.

Shri Premodhar Bora—Whether that matter has been negotiated with the Assam High Court?

Shri Syed Ahmed Ali—We have sent reminders; I shall take up this matter personally.

Shri Ataur Rahman—As the 11 persons were released from the Government service but were not allowed to join by the High Court, how will they be affected if they continue in the Government posts?

Shri Syed Ahmed Ali—Almost all are Government servants and those who were refused to join have not yet been released by the respective Departments.

Md. Abul Hussain Mir—Some are practising lawyers; are the Government aware of that?

Shri Syed Ahmed Ali—I have to check up.

Shri Jagadish Das—Whether there is any relaxation of age in respect of Scheduled Caste/Tribes ?

Shri Syed Ahmed Ali—Yes.

**Re : Education Subdivision at Hojai**

(Shri Shanti Ranjan Das Gupta said that he and withdrawn this question)

**Re : Running of Pharmacy by Medical Officer**

Shri Atul Chandra Saikia asked :

*57. Will the Minister-in charge of Health be pleased to state—

(a) Whether a Government Medical Officer can run a Pharmacy by purchasing huge stock of drugs against his registration number but without drug licence ?

(b) If not, what action has been taken by the Government against these medical Officers managing such Pharmacies ?

(c) Whether the news-item published in the Assam Tribune in its issue of 25th May, 1972 about seizure of unauthorise drugs at Gauhati is true ?

(d) If so, how these drugs were obtained without requisite necessary drug licence and who were the suppliers ?

Shri Chatrasing Teron ( Minister, Health ) replied :

57. (a)—No.

(b)—Government have no information if any Government Medical Officer is running such a Pharmacy. When detected such a medical Officer is prosecuted under provisions of Drugs and Cosmetics Act.

(c)—Yes.

(d)—The drugs were obtained from local suppliers against the registration number of the medical practitioner. Names of all the suppliers are not available as the records are now in the custody of the Court at Gauhati.

ডাঃ সুৰেন্দ্ৰ নাথ দাস—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে অসমত ড্ৰাগ কণ্ট্ৰল ইন্সপেক্টৰ কিমানজন আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—সেই প্ৰশ্নটোৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

Shri Atul Chandra Saikia—Sir, whether any investigation will be made in the regard ?

Shri Hiteswar Saikia—It is already under investigation.

Shri Giasuddin Ahmed—In answers to question (a) The Minister has said "No" The questions is whether a Government Medical Officer can run a pharmacy by purchasing medicine against his registration but without any Drug Licence ? May I put another question ; whether a Government Medical Officer can run a 'benami' pharmacy by purchasing huge stock of drugs against his registration number but without Drug Licence ?

Shri Hiteswar Saikia—How can I say whether there is any 'benami' pharmacy run by a medical officer.

( এটি স্বৰ : হাজাৰ হাজাৰ ফাৰ্মেচি এইদৰে চলি আছে। )

( Noice )

ডাঃ সুৰেন্দ্ৰ নাথ দাস—মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে, আজি যিবিলাক ফাৰ্মেচিত ৰেজিষ্টাৰ প্ৰেক্টিচনাৰে প্ৰেচক্ৰিপচন নিদিলে মেডিচিন নিদিয়ে। গতিকে মিঠাতেল আৰু অন্যান্য দোকানতো আজিকালি মেডিচিন বেচাৰ ব্যৱস্থা কৰা হৈছে। ইয়াক কণ্ট্ৰল কৰাৰ কাৰণে বৃটিছ চৰকাৰৰ দিনৰে যি কেইজন মানুহ আছে আজিও সেই-কেইজনেই আছে। গতিকে ফাৰ্মেচি কণ্ট্ৰল ষ্টাফ বঢ়াব লাগে। আৰু এটা ড্ৰাগ কণ্ট্ৰলৰ চেপাৰেট ডিৰেকটৰেট কৰিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া( মন্ত্ৰী )—এইটো এটা সম্পূৰ্ণ বেলেগ প্ৰশ্ন।

**Re : Regularisation of the post of Deputy Director, Social Welfare**

Shri Jalaluddin Ahmed asked :

*58. Will the Minister-in charge of Social Welfare be pleased to state—

(a) Whether the post of Deputy Director, Social Welfare has been regularised through A. P. S. C. and if so, when ?

(b) If not, how the present incumbent has been allowed to hold the post for so long ?

(c) Was the appointment of the present incumbent made under any regulation of the A. P. S. C. ?

(d) Did Government propose to regularise the post at any stage in the past ?

(e) If not, whether Government will regularise the post through A. P. S. C without further delay ?

Shri Uttam Chandra Brahma ( Minister, Social Welfare ) replied :

58. (a)—The Hon'ble member perhaps means regularisation of the appointment of Deputy Director of Social Welfare. If so, the appointment of Assistant Director ( which was redesignated as Deputy Director on the recommendation of the Assam Pay Committee with effect from 1st April 1964 ) was regularised through Assam Public Service Commission on 24th July 1962.

(b)—Does not arise.

(c)—Yes, under regulation 3 (e) of the A. P. S. C. (Limitation of Functions) Regulations, 1951.

(d)—Does not arise.

(e)—Does not arise.

**Re : Lift Irrigation**

Srimati Pranita Talukdar asked :

*59. Will the Minister-in-charge of Agriculture be pleased to state, whether Lift Irrigation will be provided soon in the Barnagar Circle ?

Shri Upendra Chandra Das ( Minister, Agriculture ) replied.

59. At present there is no such proposal under Governments consideration.

Smti. Pranita Talukdar—Sir, in view of the urgency, whether the government consider the project in Sarbhog ?

Shri Upendra Chandra Das (Minister)—We have already taken up some projects in different places, and this area is left out ; But we have taken up some projects in that subdivision.

Shri Malchandra Pegu—In view of the persistent demand, whether Government will consider about taking up this lift irrigation scheme in Barnagar Circle in future?

Shri Upendra Chandra Das—We have taken up such projects in flood affected areas for accommodating all these areas ; I shall see if we can accommodate this area next year.

## অনাদায়ী টেক্স

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৬০। মাননীয় পৌৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) গোলাঘাট পৌৰসভাৰ বৰ্তমান অৱস্থাত কিমান টেক্স অনাদায়ী হিচাবে পৰি আছে?

(খ) পৌৰসভাৰ এলেকাৰ গোলাঘাট চহৰ খনৰ মুঠ বাসিন্দা কিমান?

(গ) গোলাঘাট পৌৰসভাই কি কি বিষয়ত বাইজৰ পৰা টেক্স বা কৰ উঠাবলৈ ব্যৱস্থা লৈ আহিছে?

(ঘ) বৰ্তমান অৱস্থাত গোলাঘাট পৌৰসভাক কৰ নিদিয়া বা দিবলৈ বাকী থকা আটাইতকৈ ওপৰৰ দহ (১০) জনৰ নাম সদনৰ বিদিতাৰ্থে দাঙি ধৰিব নে?

পৌৰ বিভাগৰ মন্ত্ৰী শ্ৰীচৈয়দ আহমেদ আলীয়ে উত্তৰ দিছে :

৬০। (ক)—গোলাঘাট মহকুমাধিপতিৰ ৬।৭।৭২ তাৰিখৰ ৰিপোৰ্ট মতে গোলাঘাট পৌৰ সভাৰ অনাদায়ী হিচাবে পৰি থকা টেক্স ৯৯,৭৩৪·০০ টকা।

(খ)—১৯৭১ চনৰ লোকপিয়ল অনুসৰি ১৮,৪৮২ জন (বৰ্তমান অনুমানিক ২০,০০০ জন)।

(গ)—গোলাঘাট পৌৰসভাই তলত দিয়া বিষয় বিলাকৰ ওপৰত টেক্স বা কৰ উঠাবলৈ ব্যৱস্থা কৰিছে।

ঘৰৰ টেক্স, বাইচাইকেল টেক্স, ৰিক্সা টেক্স, চাইনবোৰ্ড টেক্স, গৰুৰ গাড়ীৰ বা ঠেলাগাড়ীৰ টেক্স, গোলাঘাট চক বজাৰত থকা পৌৰসভাৰ ঘৰ বিলাকৰ মাটিৰ খাজানা, বজাৰ নীলাম কৰি বছেৰেকীয়া হিচাবত পোৱা টকা। ইয়াৰ উপৰিও ভাতৰ হোটেল, চাহ মিঠাইৰ দোকান, বিস্কুটৰ কাৰখানা, চৌদাপানী, চেলুন, লন্ড্ৰী, ধানখুন্দা কল ইত্যাদি বিলাকৰ ওপৰত লাইচেন্স মাচুল আদায় কৰা হয়।

(ঘ)—গোলাঘাট মহকুমাধিপতিৰ ৬।৭।৭২ তাৰিখৰ ৰিপোৰ্ট মতে বৰ্তমান গোলাঘাট পৌৰসভাক কৰ দিবলৈ বাকী থকা আটাইতকৈ ওপৰৰ ১০ (দহ) জনৰ নাম—

১। শ্ৰীপ্ৰতাপ চন্দ্ৰ কাকতি।
২। শ্ৰীঅপূৰ্ব কুমাৰ বৰুৱা।
৩। শ্ৰীকৰম সিং।
৪। শ্ৰীভূপেন্দ্ৰ সিং।
৫। গোলাঘাট যোগান বিভাগৰ কাৰ্য্যালয়।
৬। শ্ৰীকুশল চন্দ্ৰ শইকীয়া।
৭। জৰ্জ্জৰ আদালত আৰু দেৱানী আদালত।
৮। শ্ৰীখৰ্গেশ্বৰ চলিহা।
৯। মুচলিম ব্ৰাদাৰ্চ।
১০। শ্ৰীযোগেন্দ্ৰ সিং।

শ্ৰীসোনেশ্বৰ বৰা—এই ১০ জনৰ ভিতৰত কোনে কিমান দিবলগীয়াকৈ পৰি আছে মন্ত্ৰী ডাঙৰীয়াই জনাবনে ?

শ্ৰীচৈয়দ আহমদ আলি (মঃ)—ইয়াত উল্লেখ কৰা লোক কেইজনেই সকলোতকৈ বেচি কৰ দিবলগীয়াকৈ পৰি আছে।

শ্ৰীসোনেশ্বৰ বৰা—এই ২ নংত উল্লেখ কৰা শ্ৰীঅপূৰ্ব কুমাৰ বৰুৱা বোলা মানুহ জনেই মহকুমা পৰিষদৰ নিয়োজিত সভাপতি নহয় জানো ?

শ্ৰীচৈয়দ আহমদ আলি—হয়।

## Re : Veterinary Dispensary

Shri Probin Kumar Choudhury asked :

*61. Will the Minister-in charge of Veterinary Dispensary be pleased to state—

(a) Whether it is a fact that State Veterinary Dispesary was sanctioned to be established at Rangapani under Boko Constituency ?

(b) If so, whether construction work has been started ?

(c) If not, why ?

Shri Joybhadra Hagjer ( Minister, Veterinary ) replied :

61. (a)—Yes.

(b)—No.

(c)—No contractor came forward to take up the work during last year.

Shri Prabin Kumar Choudhury—Whether Government proposed to call for tender again ?

Shri Joy Bhadra Hagzer—Yes, Sir.

## Re : Petrol Pump Owner

Shri Biren Ram Phukan asked :

*62. Will the Minister-in-charge of State for Home be pleased to State—

(a) Whether it is a fact that petrol pump owner of Gauhati was detected while filing up the petrol tank with kerosine oil on 2nd September, 1972 by police ?

(b) If so, whether the Government propose to take drastic action against the offender ?

(c) What is the name of the said petrol pump owner ?

(d) Whether it is a fact that previous to this also the same dealer was detected and if so, what action was taken against the offender ?

Shri Hiteswar Saikia ( Minister of State for Home ) replied :

62. (a)—The case was detected by some people on 2nd September, 1972 and reported to Police.

(b)—A case under sections 420/511 I. P. C. has been registered at Gauhati Police Station and investigated. The Manager of the Petrol Pump Shri Manik Chandra Sarma and the pumpman Shri Paresh Chandra Das have been arrested and forwarded in custody. Chemical report of the samples of Petrol, Diesel and Kerosine Oil is awaited from Forensic Science Laboratory

(c)—The Petrol pump belongs to M/S. Chandmol Serawgi and Company, Paltan Bazar, Gauhati.

(d)—Previously no such case was detected against the dealer.

শ্ৰীবীৰেণ ৰাম ফুকন—এই যে পেট্ৰোল পাম্পৰ যিটো কথা কৈছে ইয়াৰ আগতে কেইবাটাও কেচ ধৰা পৰিছিল, এইটো সঁচানে ? যদি সঁচা হয় তেন্তে ইয়াৰ কি ব্যৱস্থা লোৱা লৈছিল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মন্ত্ৰী )—ডি প্ৰশ্নৰ উত্তৰত এই বিষয়ে উল্লেখ কৰা হৈছে ।

## Re : Lala Police Out-Post

Shri Santosh Kumar Hoy asked :

*63. Will the Minister-in-charge of ome be pleased to State—

(a) Whether it is a fact that Government has proved to cover the Lala Police Out-post into a full fledged Police Station ?

(b) If so, when the Police Station will start functioning ?

Shri Hiteswar Saikia ( Minister of State for Home ) replied :

63. (a)—No.

(b)—Does not arise.

## Re : Unskilled Labourer brought from outside

Sreemati Renuka Devi Barkataki asked :

64. Will the Minister-in charge of Labour be pleased to state—

(a) Whether Government has got any information about the unskilled labourers brought from outside Assam by private Contractors every year ?

(b) If so, what is the total number of such labourers coming to Assam every year ?

(c) What is the total amount of money transferred by these labourers to outside Assam ?

Shri Gajen Tanti ( Minister, Labour ) replied :

64. (a)—Yes.

(b)—Total number cannot be furnished as the labourers are privately arranged and engaged by Contractors directly.

(c)—Does not arise.

Shrimati Renuka Devi Barkataki—Sir it appears from the reply of the Minister that Government has no control over the question of engaging the labourers. That is why Government has no knowledge of the number of labourers engaged by the contractors. But Govt. has no control not only on the number of labourers to be engaged by the private contractors, but Government has no control over the recruitment of labourers from outside ? Is it not a fact ?

Shri Gajen Tanti—Yes, there is no control.

Shrimati Renuka Devi Barkataki—In view of the fact that Government has no control over the recruitment of labourers from outside by the private contractors, may I know from the Minister how the Govt. is going to provide employment to the local people because the wage paid to the outside labourers is much less than what has to be paid to the local labourers ?

Shri Gajen Tanti—There is no legislation to do it. But Government can make such arrangement with the contractors while alloting the works, by incorporating a clause in the work order that they shall have to engage local labourers.

Shrimati Renuka Devi Barkataki—May I know whether Government has taken any such step by which the contractors who are engaged by the Government in P. W. D. or other departments cannot bring any labourers from outside Assam ?

Shri Gajen Tanti—We are going to do it.

Shri Mal Chandra Pegu—The Minister has said that he has no information about the labourers being engaged by the private contractors. May I request the Minister to obtain the information from the respective Executive Engineers as to the number of the labourers engaged by the private contractors ?

Shri Gajen Tanti—Sir, regarding the information I said "yes". Regarding the total number of labourers I said that the number cannot be furnished. Because, even after the various departments have been requested to furnish the number they could not inform us the exact number of labourers engaged by the private contractors.

Shri Atul Chandra Saikia—There is a provision for regulation of contract in the Labour Act May I know from the Minister why the facts are not available that there is a legislation to this effect ?

Shri Gajen Tanti—The contract regulation Act could not be implemented in Assam for certain difficulties. We have, however, rectified these difficulties and we are going to implement it from the 1st October 1972. After that we will be able to regulate the number of workers to be engaged by the private contractors and the figures also will be available.

Shrimati Renuka Devi Barkataki—It is not the question whether Govt. implement it from 1st October or any other date. My question is whether it is in the knowledge of the Government that the contractors, leaving aside the unregistered contractors, what is the total number of the registered contractors working in Assam and what is the number of labourers from outside the State, engaged by these contractors ?

Shri Gajen Tanti—This is difficult to say.

Shri Premodhar Bora—Will the Government make it a point to direct the contractors to employ the local people ?

Shri Gajen Tanti—I have already said it, Sir.

## গোলাঘাট খাদী সমবায় সমিতি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*৬৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাটত গোলাঘাট খাদী সমবায় সমিতি লিমিটেড্ নামৰ সমবায় অনুষ্ঠান এটা আছে নেকি ?

(খ) এই অনুষ্ঠানটো কেতিয়া সংগঠন কৰা হ'ল আৰু গোলাঘাট খাদী সমবায় সমিতি লিমিটেডৰ সভাপতি, সম্পাদক সকল কোন কোন ?

(গ) এই সমবায় সমিতিখনৰ কিমান অংশ বিক্ৰী কৰা হ'ল আৰু কিমান ঋণ আছে আৰু কি কি কাম কৰিছে ?

(ঘ) গোলাঘাট খাদী সমবায় সমিতিখনৰ কাৰণে চৰকাৰৰ পৰা মাটি বন্দোবস্তী পাবৰ অৰ্থে সমিতেয়ে আবেদন কৰিছিল আৰু চৰকাৰেও সমিতিখনৰ কাৰণে মাটি বন্দোবস্তী দিয়াৰ কথা সঁচানে ?

সমবায় বিভাগৰ মন্ত্ৰী শ্ৰীগজেন তাঁতীয়ে উত্তৰ দিছে ঃ

৬৫। (ক), (খ), (গ) আৰু (ঘ)– বৰ্তমান গোলাঘাট মহকুমাত উল্লেখিত নামেৰে কোনো সমবায় সমিতি নাই। কিন্তু এই একে নামেৰে সমবায় সমিতি ইংৰাজী ৭।৮।৫৯ তাৰিখে পঞ্জীভুক্ত কৰা হৈছিল আৰু প্ৰায় ছয় বছৰ চলাৰ পিছত ইংৰাজী ২৯।৫।৬৬ তাৰিখে সমিতিখনৰ কাৰ্য্যৰ অৱসান ঘটোৱা হয় ( sent into liquidation ) চৰকাৰৰ ফালৰ পৰা সমিতিখনৰ অৱসায়নৰ কাম ইংৰাজী ১৪।৯।৬৬ তাৰিখে শেষ কৰি সম্পূৰ্ণৰূপে বন্ধ কৰা হয় ( proceedings closed )।

শ্ৰীসোনেশ্বৰ বৰা—ইয়াত বিষয়ববিয়া সকলক সোধা হৈছিল, সেইটোৰ উত্তৰ দিলে ভাল হয়।

শ্ৰীগজেন তাঁতী—১৪-৯-৬৬ তাৰিখৰ পিছত কোনো সমিতি নাই। কাক দিয়া হৈছে বুলি সোধাত কওঁ যে তাত তেনে কোনো সমিতি নাই। লিকুইডেস্যনত যোৱা সমিতি খনৰ সভাপতি আৰু সম্পাদকৰ নাম ইয়াত আছে, মই দিব পাৰো। সেই সমিতি খনৰ সভাপতি আছিল বিষ্ণুৰাম কাকতী আৰু সম্পাদক আছিল শ্ৰীঅপূৰ্ব কুমাৰ বৰুৱা।

শ্ৰীসোনেশ্বৰ বৰা—উপাধ্যক্ষ মহোদয়, এই সমিতি খনৰ কাৰণে যিডোখৰ মাটি বন্দোৱস্তী দিয়া হৈছিল সেই মাটিডোখৰত শ্ৰীঅপূৰ্ব কুমাৰ বৰুৱা বোলা মানুহজনে নিজৰ নামত তাত ঘৰ বান্ধি সেইটো এপেক্স বেংকৰ নামত ভাড়া দিয়া হৈছিল। সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগজেন তাঁতী—আমাৰ তথ্য-পাতিৰ পৰা দেখা গৈছে, এই কালছোৱাৰ ভিতৰত কোনো মাটি সমিতিৰ নামত বন্দোৱস্তীতে দিয়া হোৱা নাছিল আৰু কোনো নতুন সভ্য ভৰ্তি কৰা হোৱা নাছিল, ফলত কোনো কামেই এই কালচোৱাৰ ভিতৰত হোৱা নাই। সেই কাৰণেই সমিতিখন লিকুইডেস্তনত যাবলগীয়া হ'ল। সমিতিৰ নামত কোনো মাটি বন্দোবস্তী দিয়া হোৱা নাছিল।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, এই সমিতিয়ে সেই সময়ছোৱাৰ ভিতৰত কিমান অংশ বিক্ৰী কৰিছে ?

শ্ৰীগজেন তাঁতি—এই কালছোৱাৰ ভিতৰত কোনো বিক্ৰীৰ কাম কৰা নাই।

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মই যদি ৰচিদ পাতি দাখিল কৰিব পাৰোঁ তেন্তে চৰকাৰে কিবা বিচাৰ কৰিবনে ?

শ্ৰীগজেন তাঁতী—নিশ্চয় কৰিম।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—অধ্যক্ষ ডাঙৰীয়া, দুটা প্ৰশ্নতে এই অপূৰ্ব কুমাৰ বৰুৱা নামৰ মানুহজনক মহকুমা পৰিষদৰ সভাপতি হিচাবে চৰকাৰে নিয়োগ কৰিছে। গতিকে ইয়াৰ পৰাই এইটোৱেই ধাৰণা হয় যে এই মানুহজনে চৰকাৰী পদবী লৈ বহু টকা অপচয় কৰিছে আৰু এইদৰে চৰকাৰকে ফাঁকি দি আছে, সেই কাৰণে চৰকাৰে এই সম্পৰ্কে অনুসন্ধান কৰি চাব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—এই সম্পৰ্কে বিশেষ অভিযোগ আহিলেহে কৰিব পৰা যাব।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী অধ্যক্ষ মহোদয়, সিদিনা আমি যিখন পঞ্চায়তী বিল কৰিলো সেই বিল মতে ১৭ নং ক্লজ অনুযায়ী যি সকলে মিউনিচিপালিটিৰ টেক্স বা এনে ধৰণৰ চৰকাৰী দেনা দিবলগীয়া হৈ থাকে সেইসকলক পঞ্চায়তৰ কোনো দায়িত্বশীল পদত নিয়োগ কৰা নহয় কিন্তু

এই অপূৰ্ব কুমাৰ বৰুৱা নামৰ নামৰ মানুহজন মিউনিচিপালিটিৰ বহু অনাদায়ী টকাৰ দোষত দোষী, গতিকে এই মানুহজনক মহকুমা পৰিষদৰ সভাপতি পদৰ পৰা অব্যাহতি চৰকাৰে দিবনে ?

চৈয়দ আহমেদ আলি—এই বিলখন পাছ হৈছে, কিন্তু ৰাজ্যপালৰ এচেণ্ট হোৱা নাই।

শ্ৰীতুলাল খাউণ্ড—অধ্যক্ষ মহোদয়, সেই একেজন মানুহ অপূৰ্ব কুমাৰ বৰুৱা শিৱসাগৰ জিলাৰ ক'অপাৰেটিভ চেণ্ট্ৰেল বেংকৰ সভাপতি কথাটো সঁচানে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই সম্পৰ্কে বেলেগে প্ৰশ্ন কৰিলেহে মই কব পাৰিম।

## মাটি ৰিকুইজিচন

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৬৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট মহকুমাৰ দফলাটিং চাহ বাগিছাৰ কিমান মাটি ৰিকুইজিচন কৰা হৈছে ?

(খ) উক্ত বাগানখনৰ ৰিকুইজিচন কৰা মাটিখিনি কাক কাক দিবৰ কাৰণে চৰকাৰে ঠিক কৰিছে ?

(গ) ৰিকুইজিচন কৰিবলৈ লোৱা উক্ত বাগানখনৰ মাটি বাগানখনৰ কোন দিশে লোৱা হৈছে ?

(ঘ) চাহ খেতিৰ অনুপযুক্ত ধান আদি খেতিৰ কাৰণে উপযুক্ত কাকডোঙা নৈৰ কাষৰ অঞ্চলটোক ৰিকুইজিচন কৰিবলৈ লোৱা হৈছে নেকি ?

ৰাজহ মন্ত্ৰী শ্ৰীপৰমানন্দ গগৈয়ে উত্তৰ দিছে :

৬৬। (ক)—৪৪০ বিঘা ৪ কঠা ৬ লেচা ৰিকুইজিচন ( অভিগ্ৰহণ ) কৰা হৈছে।

(খ)—ৰিকুইজিচন কৰা মাটি যোৰহাট মহকুমাৰ ভূমিহীন আৰু বান-প্ৰপীড়িত লোকক দিবৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

(গ)—ৰিকুইজিচন কৰা মাটি বাগানৰ পুব দিশে।

(ঘ)—নাই হোৱা।

শ্ৰীমাল চন্দ্ৰ পেগু—অধ্যক্ষ মহোদয়, বিকুইজিচনৰ মাটি ওলালে মাজুলীৰ যিসকল গড়া খহনীয়া লোক আছে সেই সকলক দিয়াৰ বন্দৱস্তী কৰিবনে ?

শ্ৰীপৰমানন্দ গগৈ—সেই প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা—ৰিকুইজিচনৰ মাটি বাগানৰ পূৱ দিশে বুলি মন্ত্ৰী গৰাকীয়ে কৈছে কিন্তু পূব দিশৰ মাটি টিঙনা চাপৰী খেতিৰ অনুপযোগী কাকদোঙা নৈৰ কাষৰ মাটি ধানখেতি আৰু মৰাপাটৰ খেতিৰ কাৰণে উপযোগী। একে ধৰণেই দফলাটিং বাগানখনৰ মাটি চৰকাৰে নোলোৱাটোকে চৰকাৰে বিচাৰিছে নে কি ?

শ্ৰীপৰমানন্দ গগৈ—তেনে কোনো অভিপ্ৰায় চৰকাৰৰ নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ—অধ্যক্ষ মহোদয়, চিলিং আইন মতে এই বাগানবিলাকত অতিৰিক্ত মাটি ওলাইছে নেকি ? যদি ওলাইছে তেন্তে কেতিয়াৰ পৰা ৰিকুইজিচন দিয়া হৈছে ?

শ্ৰীপৰমানন্দ গগৈ—চিলিং আইন প্ৰয়োগ হোৱাৰ আগৰ পৰা।

**Re : Audit of Majuli College account**

Shri Mal Chandra Pegu asked :

105. (a)—A Department, in the broad sense of the term, is a part of the Secretariat which is responsible for the formulation of policy of Government within its sphere of responsibility and for the review and assessment of execution of that policy. For the purpose of smooth management of the work, such a Department is divided into two or more small Departments/Branches when considered necessary and the strength of the staff of a Department/Branch is determined on the basis of the nature and volume of work.

(b)—Yes. A list of the exiting Departments is placed on the table of the House.

**Re : Extension of Retirement Age**

Shri Prabin Kumar Chaudhury asked :

*106 Will the Chief Minister be pleased to state—

(a) Whether the Government of Assam propose to extend the retirement age of Assam Government servants to 58 years ?

(b) Whether it is a fact that the A. C S. Officers promoted to I. A. S get the privilege of servings upto 58 year ?

(c) Do the Government not think that it is injustice done to the A. C. S and other officers of the Government of Assam ?

(d) If so, whether the Government propose to fix retirement period at 58 years ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

106. (a) & (d)—No.

(b)—Yes.

(c)—No. The All India Service Officers and the A. C S and other State Government Officers are governed by two separate sets of rules.

### Re : Imposition of Curfew at Balisatra

Shrimati Renuka Devi Barkataki asked :

*107. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that 144 Cr. P. C. was imposed at Balisatra in the Nowgong district on the 25th August, 1972 following disturbances on the locality ?

(b) If so, what was the reasons for such disturbances ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

107. (a) and (b)—There is an old bazar at Dumdumia under Dhing Police Station which sits on Fridays The land where the bazar used to sit, was a religious property which was acquired by Government and handed over to the Nowgong Mahkuma Parishad in 1969 Another bazar was started since 1969 at Balisatra and it was sold by the Mahkuma Parishad fixing Monday as the bazar day. Recently, there was a move to hold Balisatra bazar both on Mondays and Fridays which resulted in affecting the old bazar of Dumdumia. Orders were issued by the D. C., Nowgong, under Section 144 Cr. P. C., with effect from the 25th August, 1972 and until further orders prohibition sitting of the Balisatra bazar on Friday.

### Re : Money Collected for National Defence Fund

Shri Romesh Mohan Kouli asked :

*108. Will the Chief Minister be pleased to state—

(a) The exact sum of money collected from Assam for National Defence Fund during the period 1970-71 and 1971-72 up-to-date ( Districtwise ) ?

(b) The names of the official and non-official agency collecting in fund ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

108. (a)—According to the information available with the Government,

total cash collections to N. D. F. is Rs. 67,77,744·55 P. till 15th September 1972. A statement showing the district-wise collections is placed on the table of the House. In addition, Silver weighing 1,075·455 Kgs. valued at about Rs. 7 lakhs was presented to the Prime Minister as contribution to N. D. F.

(b)—A list showing the agencies authorised to receive cash-collections to N. D. F. is placed on the table of the House. The non official agencies as shown in the list were authorised to receive collections to N. D. F. by the respective Deputy Commissioners.

### Re : Employees taking Part in Politics

Shri Atul Chandra Saikia asked :

*109. Will the Chief Minister be pleased to state, whether the employees employed by the different Boards and Corporations, sponsored by the State Government can take part in active politics ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

109.—No.

### Re : নিগমসমূহত সভাপতি নিযুক্তি

শ্ৰীবলভদ্ৰ দাসে সুধিছে :

*১১০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে বিভিন্ন নিগম যেনেকুৱা Food Corporation of India আদিত বিভাগীয় মন্ত্ৰীসকলক সভাপতি পাতিছে জানো ?

(খ) যদি পতা নাই, কিয় পতা নাই ?

(গ) পৰিবহন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ৰাজ্যিক পৰিবহন নিগমৰ সভাপতি পাতি ক্ষমতা কেন্দ্ৰীভূত কৰা হৈছে যে এই কথা চৰকাৰে জানে নে ?

(ঘ) ক্ষমতা বিকেন্দ্ৰী কৰাটো চৰকাৰৰ নীতি নহয় জানো ?

(ঙ) যদি হয়, কি কাৰণত পৰিবহন মন্ত্ৰীক সেই নিগমৰ সভাপতি পতা হৈছে ?

(চ) পৰিবহন মন্ত্ৰীক উক্ত নিগমৰ সভাপতিৰ পদৰপৰা আতৰোৱা হ'ব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰীয়ে ) উত্তৰ দিছে ঃ

১১০। (ক) আৰু (খ)—ভাৰত চৰকাৰৰ নিগমসমূহত মন্ত্ৰী সকলক সভাপতি পতাৰ বিষয়ে মতামতৰ প্ৰয়োজন নাই।

(গ)—পৰিবহন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই নিগমৰ সভাপতি হিচাবে কাম আইন মতেহে কৰিব। ক্ষমতা কেন্দ্ৰীভূত কৰা কথা নুঠে।

(ঘ)—বিকেন্দ্ৰীকৰণৰ কাম আইনৰ সীমাৰ ভিতৰেদি হোৱা চৰকাৰৰ চৰকাৰৰ নীতি।

(ঙ)—জনসেৱা স্বাৰ্থৰ খাতিৰত।

(চ)—উত্তৰ নুঠে।

## Re : গোলাঘাট সঙ্গীত বিদ্যালয়

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*১১১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট নগৰত সঙ্গীত বিদ্যালয় এখন প্ৰতিষ্ঠা হোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) গোলাঘাট সঙ্গীত বিদ্যালয়খন কোনো দাতাৰ অৱদান নেকি ?

(গ) গোলাঘাট সঙ্গীত বিদ্যালয়খনত চৰকাৰী সাহায্য এতিয়ালৈকে কিমান দিয়া হৈছে ?

(ঘ) ৰেকাৰিং সাহায্য আৰু নন্ ৰেকাৰিং সাহায্য কিমান ?

(ঙ) গোলাঘাট সঙ্গীত বিদ্যালয়টোৰ ঘৰ সাজিবৰ কাৰণে চৰকাৰে কিমান বা কেই বান্দোল টিন-পাতৰ পাৰমিট দিছিল ?

(চ) গোলাঘাট সঙ্গীত বিদ্যালয়ৰ ঘৰটো কিমান চৰকাৰী পাৰমিটৰ টিন-পাত আৰু কিমান অনা-চৰকাৰী টিন-পাতেৰে ঘৰটো সম্পূৰ্ণ কৰা হ'ল ?

(ছ) গোলাঘাট সঙ্গীত বিদ্যালয়টো কোনে কেনেকৈ পৰিচালনা কৰে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষামন্ত্ৰীয়ে ) উত্তৰ দিছে ঃ

১১১। (ক)—হয়।

(খ)—ই এখন ৰাজহুৱা অনুস্থান। এই বিদ্যালয় খনলৈ চৰকাৰে তুকঠা জমি দিছে আৰু গোলাঘাট নগৰৰ আইনজীৱি শ্ৰীটি, পি, বৰুৱাই তেওঁৰ ( স্বাধীনতা যুজাৰু ককায়েক মহেশ্বৰ বৰুৱাৰ স্মৃতি ৰক্ষাৰ্থে বিদ্যালয় ঘৰটো দান দিছে।

(গ)—১৯৫৫ চনৰ পৰা ১৯৬৮ চনলৈকে মুঠ ৭,৮৮০ টকা দিয়া হৈছে।

(ঘ)—কোনো ৰেকাৰিং সাহাযা দিয়া হোৱা নাই। কেৱল নন্ ৰেকাৰিং সাহায্য মুঠ ৭,৮৮০ টকা দিয়া হৈছে।

(ঙ)—দহ ( ১০ ) বান্দোল টিন-পাতৰ পাৰমিট দিয়া হৈছিল।

চ)—গৃহ নিৰ্মাণত ব্যৱহৃত মুঠ ১৮ বান্দোল টিন-পাতৰ ভিতৰত ১০ বান্দোল চৰকাৰী পাৰমিটৰ।

(ছ)—সঙ্গীত বিদ্যালয়খন চৈধ্যজনীয়া সদস্যৰে গঠিত এখন কৰ্ম পৰিষদৰ দ্বাৰা পৰিচালিত হয়।

## Re : অজন্তা কলা-মণ্ডল

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*১১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ গোলাঘাট টাউনত অৱস্থিত "অজন্তা কলা-মণ্ডল" নামৰ অনুষ্ঠান এটা কেতিয়া প্ৰতিষ্ঠা কৰা হ'ল, আৰু এই কলা-মণ্ডলৰ অধ্যক্ষ আৰু সম্পাদক কোন কোন?

(খ) গোলাঘাট অজন্তা কলা মণ্ডলৰ অধ্যক্ষ, সম্পাদক, শিক্ষক আৰু পৰিচালক সকলক চৰকাৰে কিবা পাৰিতোষিক দিয়ে নেকি?

(ঘ) গোলাঘাট অজন্তা কলা মণ্ডল ৰেকাৰিং মঞ্জুৰী কি দৰে দিয়া হয় আৰু নন্-ৰেকাৰিং মঞ্জুৰী কেতিয়াবা কিবা দিয়া হৈছে নেকি?

(ঘ যদি হৈছে, কিমানকৈ আৰু কেতিয়া দিয়া হৈছে জনাব নে?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা মন্ত্ৰীয়ে ) উত্তৰ দিছে :

১১২। (ক)—গোলাঘাটৰ অজন্তা কলা-মণ্ডল নামৰ অনুস্থানটি ১৯৫১ চনত প্ৰতিষ্ঠিত হয়। শ্ৰীপ্ৰদীপ চলিহা বৰ্তমানে এই অনুষ্ঠানৰ অধ্যক্ষ আৰু সম্পাদক।

(খ)—নাই। কাকো কোনো পাৰিতোষিক দিয়া নহয়।

(গ)—মাহে ১৫০ ( এশ পঞ্চাশ ) টকাকৈ বেকাৰিং মঞ্জুৰী দিয়া হয় ইয়াৰ উপৰিও নন বেকাৰিং মঞ্জুৰী এবাৰ দিয়া হৈছে।

(ঘ)—হয়। ১৯৭০-৭১ চনত ৫০০০,০০ ( পাঁচ হেজাৰ ) টকা।

**Re : Goods Carrying boats**

Shri Mal Chandra Pegu asked :

*113. Will the Transport Minister be pleased to state, whether Government propose to introduce goods carrying boats at Neamati-Kamalabari ferryghat for convenience of the business community of Majuly in view of the reply given by the Government in connection with the Starred question No. 754 (1) put by the questioner on the 27th July in the floor of the House to the effect that there are no booking provisions of goods in the Neamati-Kamalabari Ferry ?

Shri Harendra Nath Talukdar ( Minister, Transport ) replied :

113—The reply to sub-ques ion (1) of question No. 754 replied on 27th July 1972 being in the negative, presently it is not feasible to introduce Cargo carrying boats along Neamati-Kamalabari ferry due to subsistence of the current Kamalabari-Neamati Ferry settlement lease 1972-73.

**Re : All India Council of Technical Education**

Shrimati Renuka Devi Barkataki asked :

*114. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the Chairman of All India Council of Technical Education has opened that the State including Assam in Eastern Region has miserably failed to utilise the money sanctioned for technical education ?

(b) Whether it is a fact that the said Chairman has expressed that the students of technical education in Eastern India have gone down ?

(c) If so, what step Government has taking to gear up technical education in the State ?

Shri Harendra Nath Talukdar ( Minister, Education ) replied :

114. (a)—No.

(b)—Does not arise.

(c)—Does not arise but Government is taking all possible steps to gear up Technical Education in this State.

**Re : Film Development Council in Assam**

Shrimati Renuka Devi Barkataki asked :

*115. Whether the State Government has decided to constitute the Film Development Council in Assam ?

(b) If so, who are the members of the Board ?

(c) What will be the functions of the Board ?

Shri Harendra Nath Talukdar ( Minister, Education ) replied :

115. (a)—The constitution of Film Development Council is under active consideration of the Government and is expected to be finalised soon.

(b)—Does not arise in view of (a) above

(c)—Does not arise.

**Re : Letter of Credit System**

Shrimati Renuka Devi Barkataki asked :

*116 Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Government of Assam has been introduced the system of "Letter of Credit" in all Departments for drawal and disbursement of monthly expenditure ?

(b) If so, what is the system, how it functions and what is the advantage of the new system ?

Shri Sarat Chandra Singha ( Chief Minister ) replied :

116. (a)—A system of Letter of Credit has been introduced for all major spending Departments with effect from 1st of Au us' 1972.

(b)—According to the system, the total funds required for expenditure under Plan and Normal Budget under different heads and sub-heads of expenditure during a particular month will be placed at the disposal of the Secretary of the Department concerned during the previous month : the Secretary of the Department will make sub-allocation Head-wise to the different drawing and disbursing officers under intimation to the concerned Treasury or Sub-Treasury. Registers will be maintained at the Treasury/Sub-Treasury to watch drawal of funds against the Sub allocation made by the Secretary and excess drawal not be permitted. Any amount remaining unspent at the end of the month cannot be automatically carried over to the next month.

The objectives expected to be achieved by the new system are as follows—

(1) The requirements of the Field Officers and the progress of expenditure under Normal as well as Plan Schemes will come under a monthly review by the Secretary of the Department and this will facilitate better phasing of expenditure to avoid rush of expenditure towards the end of financial year, better planning of expenditure and better control over implementation of Plan Schemes.

(2) The Field Officers shall have to plan their expenditure carefully month to month and this will introduce a measure of financial discipline in all offices.

(3) The phasing of expenditure will enable the Finance Department to keep track of the ways and means position and assist in the avoidance of Overdraft.

This being an innovation, inevitably there will be some difficulty and dislocation in the beginning. It is expected, however, that

within this calendar year it will be possible for all the Departments to adjust themselves to the revised system and the full benefit of this new system is expected to be felt from the next financial year not only in the matter of better financial and budgetary control but also in the matter of avoiding wasteful expenditure merely to avoid lapse of funds. The past practice of very heavy drawal from the Treasury in Bank drafts at the end of the financial year merely to avoid lapse is also expected to be checked as the system becomes fully established.

## SHORT NOTICE

# QUESTIONS AND ANSWERS

### Re : Murder of four persons

Shri Abul Hussain Mir asked :

2. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that on the midnight of 20th August, 1972 a section of Armed Police accompanied by civil constable under the leadership of Mr. S. Ali Laskar, S. I. of Kampur police station and Mr. Baruah, S. I., killed four persons who were sleeping inside the house by unprovoked firing ?

(b) Whether it is a fact that to recover one kidnapped woman named Musamat Ful Banu on a complaint of her alleged husband Mr. Joinul Miah, the unprovoked firing was done in which one school student died ?

(c) Whether it is a fact that Lalu Miah, Khurshid Ali, Mottalib, Nurmiah died at the spot ?

(d) How many persons were injured in this firing ?

(e) Whether any enquiry was made ?

(f) If so, by whom ?

(g) Why Judicial Enquiry was not conducted ?

(h) Whether Government has taken any action against the Police involved ?

(i) If so, the action proposed or already taken by Government ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

2. (a) to (i)—A statement on the incident has been made in the House on 20th September 1972. Specific information sought for by the Hon'ble member may be furnished only after receipt of the Magisterial Enquiry Report now in progress.

Shri Abul Hussain Mir—Sir, is it a fact that the D. S P. of Battalion in Charge already stated before the Enquiring Magistrate that this section of armed battalion has deputed for maintenance of law and order in connection with Capital Issue and Language Issue and not for criminal purpose.

Shrimati Renuka Devi Barkataki—Whether it is a fact that the Magistrate who was asked to enquire into the incident had already submitted his report on 21st of this month and the same was received by Government on 22nd.

Shri Hiteswar Saikia ( Minister of State )—Sir, the Report has been received by us just now.

Shri Abul Hussain Mir—Sir, the D. S. P. of the Battalion stated before the Enquiring Magistrate that this section of battalion was deployed for maintenance of law and order in connection with Language Issue and Capital Issue and not for any criminal purposes. Then why they were engaged in this case ?

Shri Hiteswar Saikia—I have not received such a report from Police Department.

শ্ৰীগিয়াচুদ্দিন আহমেদ—এই সম্পৰ্কত ব্যাপক গণ আন্দোলন সৃষ্টি হৈছে আৰু অসন্তোষৰ সৃষ্টি হৈছে। এই কথাটো চৰকাৰে জানেনে ? এই সম্পৰ্কত ইস্তাহাৰ প্ৰচাৰ কৰা হৈছে, এইটো চৰকাৰে জানেনে ? সেইটো হ'ল নিৰস্ত্ৰ নিৰপৰাধী জনসাধাৰণৰ ওপৰত নিৰ্ম্মম হিংস আক্ৰমণ, প্ৰতিবাদকাৰী

সংগ্ৰামী জনসাধাৰণলৈ অভিনন্দন, দোষী পুলিচ বিষয়াক মুকলি বিচাৰ, উচ্চন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা তদন্ত, মৃতকৰ পৰিয়াললৈ ক্ষতি পূৰণ দাবীৰ ভিত্তিত দুৰ্বাৰ গণ আন্দোলন গঢ়ি তুলিবৰ কাৰণে আহ্বান। দেশত স্বাধীনতাৰ ৰূপালী জয়ন্তী উংসৱৰ বছৰ পালন কৰি থাকোতেই যোৱা ২০ আগষ্ট তাৰিখে ৰাতি ডেৰ বজাত কুখ্যাত দাগী ডকাইত এজনৰ পক্ষলৈ এজনী তিৰোতা উদ্ধাৰৰ অচিলা লৈ কামপুৰ আৰু যমুনা-মুখ থানাৰ পুলিচৰ লগত কিছুমান বেটেলিয়ান লোক লৈ ঘটনাৰ লগত কোনো ক্ষেত্ৰতে জড়িত নথকা চাৰলক গাঁৱৰ বটু মিঞা বুলি এজন মানুহৰ ঘৰ ঘেৰাও কৰি ঘৰৰ ভিতৰ সোমাই বটু মিঞা ও তিৰোতা মানুহৰ ওপৰত মাৰপিত কৰে। ফলত বানু বোলা এজনী গাভৰুক তিনিজন পুলিচৰ লোকে আৰু সেই কুখ্যাত লোকজনে ধৰ্ষণ কৰে। ঘটনাৰ একো কাৰণ আৰু আগগুৰি নেপায় নিৰপৰাধী মানুহ ঘৰৰ লোক গণে হায়ে বিয়ে কৰি কন্দা কটা আৰু চিঞৰ বাখৰ আৰম্ভ কৰে। সঘনে ডকাইতি হোৱা বাট পথ একো নথকা, বহু আতৰে মানুহৰ ঘৰ থকা, দিনে ৰাতিয়ে পুলিচে যা নানা কাৰণত শোষণ লুণ্ঠন কৰি থকা গাওঁ খনৰ তিনিজন মান সাহসী মানুহে কি হৈছে বুলি ৰাতি যেতিয়া ওলাই আহি বটু মিঞাৰ ঘৰ পালেহি, মাতাল আৰু স্ত্ৰীলোভী পুলিচ কিজনে অপুৰোচিত ভাবে গুলি মাৰিবলৈ ধৰিলে। ফলত ঘটনা স্থলিতে মঃ খুৰ-চ্ছেদ ও ৰফেনমাই মিঞা ঘৰৰ ভিতৰতে আৰু মঃ লালু মিঞা আৰু মঃ মতলিক আলী চোতালত পৰি গ'ল। গুলি খোৱা এটা মৰাশ বস্তাত ভৰাই বুঢ়া মিঞাৰ পিঠিত পুলিচে তুলি দিলে। আনটো আধামৰা লোকক ধৰি প্ৰায় তিনি মাইল ৰাস্তা চোচোৰাই লৈ যোৱা হ'ল। বাট-ঘাট, চোতাল মানুহৰ কেচা তেজেৰে ৰাঙলী হ'ল। পুলিচে জীয়া মানুহৰ কেচা তেজ দেখি পৰিয়াল পৰিজনৰ হিয়া ভঙা আৰ্ত্তনাদত, পৈশাচিক আনন্দ উপলব্ধি কৰি খিল খিলাই হাঁহিলে আৰু আনজন গুলিবিদ্ধ লোক মতলিব আলী মৰণ যন্ত্ৰণাত চটফটাই ঘটনা স্থলিতে পৰি থাকিল। এই জখমি লোক জনলৈ পুলিচে উভতিকে নেচালে। আনাদৃত, অৱহেলিত ভাবে তাতে পৰি থাকিল। কেচা তেজ বৈ বৈ এসময়ত হৃদযন্ত্ৰৰক্ৰীয়া চিৰকালৰ বাবে বন্ধ হৈ গ'ল। কুকুৰ, মেকুৰীৰ দৰে বিনা

কাৰণত মানুহ মাৰি ১ মাইল বাট অহাৰ পিচত যোগীজান গাঁৱৰ ৰাস্তাত তিনিটা মানুহ লগ পাই পঞ্চচিৎকাৰ কৰাদি তিনিজনলৈ লক্ষ্য কৰি ৰক্ত পিপাষু পুলিচে গুলি এৰিলে। এজনে ওচৰৰ নলাত জপিয়াই পৰি প্ৰাণ ৰক্ষা কৰিলে। যমুনামুখ হাইস্কুলৰ ৬ষ্ঠ মান শ্ৰেণীৰ ছাত্ৰ ১৪ বছৰীয়া মঃ নুৰ আহমেদৰ ৰাইফলৰ গুলিত বাওঁ ভৰিখন লৈ গ'ল। মঃ চফিকুৰ ৰহমানৰ গুলিয়ে সোঁ ভৰিখন ফালি পেলালে। উত্ৰাৱল হৈ পুলিচ বাহিনী থানালৈ আগবাঢ়িল। আঘাত প্ৰাপ্তলোক কিজনৰ পিচৰ দিনালৈকে চিকিৎসা নহ'ল। উদীয়মান ছাত্ৰ ভৱিষ্যত আশা ভৰষাৰ স্থল নুৰ আহমেদৰ মৃত্যু হ'ল। পৈশাচিক হত্যা কাণ্ডত লিপ্ত থকা লোক কিজনক চৰকাৰে শাস্তিদিয়াৰ দূৰৰ কথা ঘটনাৰ বিকৃত ৰূপদি নৰহত্যাকাৰী পিশাচ পুলিচ কেইজনক ৰক্ষা কৰাৰহে ফন্দি কৰা হৈছে। বাতৰি কাকত আৰু ৰেডিঅ'ত মিছা বাতৰি প্ৰচাৰ কৰি ৰাইজক বিভ্ৰান্ত কৰাৰ যত্ন কৰা হৈছে। তলৰ কথাকিটাই প্ৰকৃত ঘটনাৰ সন্ধান দিব।

(১) যিজনী ছোৱালীক উদ্ধাৰ কৰিবলৈ যোৱা হৈছিল বুলি কোৱা হৈছে তাৰ দৰ্খাস্তকাৰীজন গুণ্ডা, অপৰাধী দাগী হয়নে নহয়? এই লোকজন সেইদিনা ৰাতি পুলিচৰ লগত আছিলনে নাছিল? স্ত্ৰী হৰণ অপৰাধৰ আচামী এটা গোচৰ কামপুৰ থানাত এই লোকজনৰ আছে নে নাই? উদ্ধাৰ কৰিবলৈ যোৱা ছোৱালীজনী এতিয়ালৈকে পাচ বাৰ বিভিন্ন সময়ত বিবাহিত হয়নে নহয়?

(২) যি ঘৰত গৈ পুলিচ ৰাতি দেৰ ৰজাত সোমালগৈ সেই ঘৰৰ গিৰিহঁত বটুমিএগা। এই গোচৰৰ জানো আৱশ্যকীয় লোক কিম্বা তাত সোমাবৰ বাবে পুলিচৰ জানো কিবা অনুমতি আছিল?

(৩) যি কিজন গোচৰৰ আচামী আছিল পুলিচ জানো তালৈ গৈছিল বা তেওঁলোকক গ্ৰেপ্তাৰ কৰা হ'ল? যিজন লোকক গ্ৰেপ্তাৰ কৰিলে ৰাইজো আনন্দিত হ'লহেতেন। চৰলক গাওঁত মৃত্যু হোৱা লোক কিজনৰ এজনৰ ৰয়স ৭৫ বছৰ নহয় জানো? কিম্বা এই কিজন মানুহ এই 'স্ত্ৰী হৰণ' কাল্পনিক কাব্যৰ জানো আৱশ্যকীয় লোক?

(৪) মধ্য ৰাতি জানো পুলিচ মানুহৰ ঘৰৰ ভিতৰ সোমাব পাৰে?

(৫) সেইদিনা ৰাতি ফুলবাৰুক কুখ্যাত লোকজন আৰু তিনিজন পুলিচে ধৰ্ষণ কৰা বুলি ইনকুৱেৰি বডিক কোৱা কথা সঁচা নহয় জানো ?

(৬) প্ৰথম ঘটনা স্থল চাৰলক গাওঁৰ পৰা ২য় ঘটনা স্থল যোগীজান গাওঁ এমাইল দুই ফাৰ্লং ব্যৱধানত নহয় জানো ?

(৭) ষষ্ঠ মান শ্ৰেণীৰ ১৪ বছৰীয়া ছাত্ৰজন 'স্ত্ৰী হৰণ' কিম্বা 'পুলিচ আক্ৰমণ কাল্পনিক ঘটনাৰ নায়ক হ'ল কেনেকৈ ? মঃ নুৰ আহমদ যোগীজান গাওঁত গুলিবিদ্ধ হোৱা নাই জানো ?

(৮) কামপুৰ থানাৰ, যমুনামুখ থানাৰ ও বঢ়মপুৰ বেটেলিয়ানৰ মহা মিলন হ'ল কেনেকৈ ? পূৰ্ব্ব পৰিকল্পিত হত্যাকাণ্ড আছিলনে কি ?

(৯) অশান্ত ৰাইজৰ হাতত এজনো পুলিচৰ লোকৰ প্ৰকৃততে আঘাতপাপ্ত নোহোৱাকৈ আছিল কেনেকৈ ?

(১০) মৃতকৰ পৰিয়াললৈ পুলিচৰ ওপৰত দিয়া হত্যাকাণ্ডৰ গোচৰ ৰুজু আৰু তদন্তাধীন নোহোৱা অৰ্থ ই কি সূচায় ?

পুলিচৰ নিৰ্ম্মম হত্যাকাণ্ড আৰু দমন নীতিৰ বিৰুদ্ধে ছাত্ৰ সমাজ আৰু জনসাধাৰণ জাগৰিত হৈছে। ছাত্ৰই পঢ়াশালি বৰ্জন কৰিছে। হাজাৰ হাজাৰ লোকে আৰু প্ৰতিবাদ সভাত যোগ দিছে। গণতান্ত্ৰিক অধিকাৰৰ দাবীত শান্তি আৰু নিৰাপত্তাৰ কাৰণে সংগ্ৰাম কৰিবলৈ জনসাধাৰণ দৃঢ় প্ৰতিজ্ঞ হৈছে এতিয়া লাগে সকলো শ্ৰেণী লোকৰ পূৰ্ণ সহযোগীতা আৰু সমৰ্থন।

এনে নিষ্ঠুৰ পাশবিক কাণ্ড আৰু হত্যাকাণ্ডৰ ন্যায়িক তদন্ত হোৱা একান্ত প্ৰয়োজন আৰু দোষী বিষয়াক শাস্তি বিহা কৰ্তব্য। গতিকে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা তদন্ত কমিচন নিয়োগ কৰি ঘটনাৱলীৰ ন্যায়িক তদন্ত কৰি দোষী পুলিচ বিষয়াক কামৰ পৰা বৰ্খাস্ত আৰু মুকলি বিচাৰ আৰু যৰৰ পৰিয়াল বৰ্গক ক্ষতিপূৰণৰ দাবীত তীব্ৰ গণআন্দোলন গঢ়ি তুলিবলৈ জনসাধাৰণক আহ্বান জনায়।' ইয়াৰ কি ব্যৱস্থা কৰা হৈছে ?

Mr. Speaker—Order ! Order ! Do you know the rules of the House ?

Shri Giasuddin Ahmed--No, sir.

Mr. Speaker—You cannot read.

Shri Giasuddin Ahmed—I am cutting short, Sir.

Mr. Speaker—You do not know the rules.

Shri Giasuddin Admed—Sir, I asked your permission and you allowed me to speak.

Mr. Speaker—You may speak, I won't allow the reply. ( Looking to the Ministers : You need not reply. )

Shri Abdul Hamid Mazumdar—Whether the Superintendent of police visited the place ?

শ্ৰীহিতেশ্বৰ শইকীয়া—৭, ২০ চেপ্তেম্বৰত মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কত বিবৃতি দিছে। এতিয়া মেজিষ্ট্ৰেতে ৰিপোৰ্ট দিছে, সেই ৰিপোৰ্টৰ পৰা এচ, পি, গৈছিল নে নাই জানিব পাৰি।

Mr. Speaker—You send a copy to him through me.

Maulana Abdul Jalil Choudhury—স্যার, এই নির্মম অত্যাচারের ঘটনা যদি সত্যি হয়ে থাকে তাহলে কেন সরকার ঘটনা স্থলে S. P. গিয়েছিল কি না বল্‌তে পারেন না ? আজ পর্যন্ত তদন্তের Report কেন পেশ করা হলোনা, তদন্ত শেষ হলে কি রিপোর্ট এখানে বিধান সভায় পেশ করা হবে ?

Shri Hiteswar Saikia—এর Copy বিলি করা হবে।

Shri Abdul Hamid Mazumdar—Sir, this Government is for the pepole, by the people and to the people. Then' why till today the hon. Minister could not say whether the Superintendent of police visited the place or not ?

শ্ৰীহিতেশ্বৰ শইকীয়া—উপায়ুক্ত গৈছিল নে নাই সেইটো ৰিপোৰ্টৰ পৰা কব পাৰি। এই সম্পৰ্কত পুলিচ বিষয়া বৰ্খাস্ত কৰা হৈছে। তাৰোপৰি মেজিষ্ট্ৰেতৰ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি দোষী বিষয়াক কঠোৰ শাস্তি দিয়া হব।

শ্ৰীপ্ৰমোদ গগৈ—আমি চৰকাৰৰ পৰা জানিব পাৰিছো যে কেইজনমান পুলিচ বিষয়াক বৰ্খাস্ত কৰা হৈছে। কিন্তু আচল দাগী চৰ্দাৰ মহম্মদ জোনাইক আজিলৈকে গ্ৰেপ্তাৰ কৰা হৈছে নে নাই?

শ্ৰীহিতেশ্বৰ শইকীয়া—সেইটো খবৰ মোৰ হাতত নাই।

শ্ৰীপ্ৰমোদ গগৈ—তদন্ত কৰিছে বুলি কৈছে। কিন্তু আচল দাগী জনক গ্ৰেপ্তাৰ কৰা হৈছে নে নাই চৰকাৰে কব নোৱাৰে আৰু মই জনামতে পুলিচে দাগী লোকজনক পুলিচে প্ৰটেকচন দিছে। মই স্পষ্টকৈ জানিব বিচাৰিছো সেই দাগী লোকজনক গ্ৰেপ্তাৰ কৰা হৈছে নে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—যি কেইজন পুলিছ বিষয়াৰ বিৰুদ্ধে অভিযোগ পাইছো সেই সকলৰ বিৰুদ্ধে অভিযোগ লোৱা হৈছে। এই ঘটনাৰ বাবে কোন প্ৰকৃত দোষী সেই সম্পৰ্কে মেজিষ্ট্ৰেতে ৰিপোৰ্ট দাখিল কৰিছে। সেই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি যথা বিহিত ব্যৱস্থা লম।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী মহম্মদ জোনাই under section 147, 323 and 326। সেই মানুহ জন under section 147, 323 and 326 already convicted। এই মানুহ জনক এৰেষ্ট কৰা হৈছে নে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সেই খবৰ মোৰ হাতত নাই।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী—মহম্মদ জোনাইৰ বাবে এই ঘটনাত কেবাজনো মানুহৰ মৃত্যু হ'ল। এই গুণ্ডাজনক এতিয়া এৰেষ্ট কৰিছে নে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—মেজিষ্ট্ৰেতৰ ৰিপোৰ্ট আহিছে আৰু এই ৰিপোৰ্ট ষ্টাদি কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী—তেওঁক এৰেষ্ট কৰিছে নে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অভিযুক্ত হয় নে নহয় চাম।

শ্ৰীসোনেশ্বৰ বৰা—তেওঁৰ বিৰুদ্ধে এজাহাৰ আছিল নে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—দিটেইলচ কথা ৰিপোৰ্টত সোমাই আছে।

শ্ৰীসোনেশ্বৰ বৰা—এজাহাৰ দিয়া হৈছিল নে নাই? যদি দিয়া হৈছিল আচামীক কিয় এৰেষ্ট কৰা নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—গোটেই কথাবিলাক ৰিপোৰ্টত অন্তৰ্ভুক্ত হৈ আছে। ৰিপোৰ্টতো অধ্যয়ন কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিম।

মৌলানা আব্দুল জেলিল চৌধুৰী—এজাহাৰ থকা স্বত্বেও আজিলৈকে এৰেষ্ট কৰা নাই। গতিকে ইয়াৰ দ্বাৰা ভাল মানুহক মাৰিবলৈ এটা কনচ্-পিৰেচি কৰিছে বুলি নাভাবেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—গোটেই বিষয়টো ৰিপোৰ্টত অন্তৰ্ভুক্ত হৈ আছে।

আব্দুল মুক্তাদিৰ চৌধুৰী—বৰখাস্ত কৰা অফিচাৰ বিলাকৰ নাম জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—আগতে নাম বিলাক কৈ দিয়া হৈছে।

শ্ৰীজালালউদ্দিন আহম্মদ—বৰখাস্ত কৰিলেই মৃত্যু হোৱা লোক কেইজনৰ জীৱন পোৱা যাবনে ? বৰখাস্ত মানেই শাস্তি হয় নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া—কেতিয়াও নহয়।

**Re : Alleged procuring Girls for Trafficking**

Shri Biren Ram Phukan, Shri Balabhadra Das, Shri Girindra Chandra Choudhury asked :

3. Will the Chief Minister be pleased to state—

(a) Whether Government is aware about the incident reported in daily issue of Assam Tribune dated 1st September 1972 under the head "Two held for alleged procuring Girls for trafficking" ?

(b) Who is the Office Superintendent involved in the said matter and who is the contractor ?

(c) What action the Government has taken against them ?

Shri Hiteswar Saikia ( Minister of State for Home ) replied :

3. (a)—Yes.

(b) & (c)—The Office Superintendent and contractor involved in this case are Shri Ramani Goswami of the Office of the Registrar of Co-operative Societies, Assam and Shri Prem Chand Mittal from Shillong respectively. Both of them were arrested and the case is under investigation.

Shri Balabhadra Das—Whether Government is aware of the fact that it is the after-effect of the flood situation in the area ?

Shri Hiteswar Saikia—I do not know.

Shri Balabhadra Das—Whether Government is aware that due to non-furnishing of proper relief the flood affected people have taken to this sort of things and the Government Officers and the contractors have been performing their duties against the interest of the people ?

Shri Hiteswar Saikia—That I cannot say.

Shri Badan Chandra Talukdar—Whether Government has taken any action against them ?

Shri Hiteswar Saikia—Departmental action has been taken.

## গুৱাহাটী মেডিকেল কলেজ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে জনাব নে—

(ক) গুৱাহাটী মেডিকেল কলেজ হস্পিতালৰ নতুন গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'লনে আৰু যদি হোৱা নাই কিয় হোৱা নাই ?

(খ) এই ঘৰটোৰ নিৰ্মাণ কাৰ্য্যত মুঠতে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু এতিয়ালৈ কিমান টকা খৰচ হৈছে ?

(গ) দিচপুৰৰ নৱকাম্বুৰ পাহাৰত নিৰ্মাণ হৈ থকা গুৱাহাটী মেডিকেল কলেজৰ সকলো গৃহ আৰু আন আন সা-সুবিধাকে লৈ গোটেই আঁচনিখনৰ মুঠতে কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু এতিয়ালৈ কিমান টকা খৰচ হ'ল ?

(ঘ) নৱকাম্বুৰ পাহাৰত এই ব্যয়বহুল আঁচনিখন কাৰ্য্যকৰী কৰিবলৈ কোনে তাত স্থান নিৰ্ণয় কৰিছিল ?

ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই উত্তৰ দিছে :

(ক)—নাই হোৱা। সাঁচ-গাঠনি ( Frame structure ) সাজিবলৈ মঞ্জুৰী দিয়া হৈছে মাত্ৰ ১৯৬৮ চনৰ মাৰ্চ মাহত। এনে এটা বিৰাট চিকিৎসালয় গৃহ সাজিবলৈ প্ৰকৃততে যথেষ্ট সময়ৰ প্ৰয়োজন। যোৱা বছৰত লোহা, চিমেণ্ট আদিৰ অভাৱ আৰু পৰ্য্যবেক্ষণৰ ব্যৱস্থা গড়কাপ্তানী

বিভাগৰ হাতত ন্যস্ত কৰিবলৈ সিদ্ধান্ত লোৱা বাবে কাৰ্য্য গতিত কিছু বাধা হৈছে।

(খ)—স্থান তৈয়াৰ (Site Preparation) কৰিবৰ কাৰণে ৪,৮২ ৬.৬৽০০ টকা আৰু সাজ গাঠনি (Frame structure)-ৰ কাৰণে ১,৮০,৭৫.১৯৬ টকা মঞ্জুৰি কৰা হৈছিল। বাকী অন্যান্য কাম বিলাকৰ অৰ্থাৎ বেৰ, দুৱাৰ, খিৰিকি, স্বাস্থ্য ৰক্ষা ব্যৱস্থা (Sanitary) বিজুলি ব্যৱস্থা ইত্যাদি কাম বিলাকৰ কাৰণে এতিয়াও মঞ্জুৰি দিয়া হোৱা নাই। এতিয়ালৈকে আনুমানিক ২০ লক্ষ মান টকা খৰচ হৈছে।

(গ)—১৯৬০-৬১ চনৰ মেডিকেল কলেজ স্থাপন কৰা প্ৰস্তাৱৰ সংক্ৰান্তত ভবা হৈছিল যে ১০০ জন ছাত্ৰ ভৰ্তিৰ ব্যৱস্থা থকা কলেজ এখন সাজোতে ২ কোটি মান টকা খৰচ হ'ব পাৰে। কিন্তু চৰকাৰে এতিয়ালৈকে ৩৬৭ লক্ষ মান টকাৰ প্ৰশাসনীয় অনুমোদন (Administrative Approval) দিছে আৰু তাৰ ভিতৰত আনুমানিক ২ কোটি মান টকা খৰচ হৈছে। যিহেতু এতিয়াও কিছুমান ঘৰ-দুৱাৰ সাজিবলৈ বাকী আছে, সেই কাৰণে গড়কাপ্তানী বিভাগক সাজিবলৈ থকা ঘৰ বিলাকত কিমান খৰচ পৰিব তাৰে এখনি তালিকা দিবলৈ কোৱা হৈছে।

(ঘ)—মন্ত্ৰী সভাৰ নিৰ্দেশক্ৰমে প্ৰাধিকাৰী সকলৰ কমিটি এখনে গুৱাহাটীৰ ওচৰত স্থান পৰ্য্যবেক্ষণ কৰি নৱকাম্বুৰ পাহাৰ অঞ্চল সকলো ক্ষেত্ৰতে উপযোগী হ'ব বুলি মতামত দিছে। সেই মতামত চৰকাৰে গ্ৰহণ কৰিছে।

শ্ৰীলক্ষীকান্ত শইকীয়া— অধ্যক্ষ মহোদয়, ইয়াৰ আগৰ বাজেট অধিবেশনত এটা প্ৰশ্নৰ উত্তৰত স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈছিল দিচপুৰৰ নৱকাম্বুৰ পাহাৰত মেডিকেল কলেজৰ হস্পিটেল Building আৰু আবাস গৃহ সজোৱাৰ কাৰণে আয়োজন কৰা হৈছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব পাৰিলো যে মাত্ৰ তিনি লাখ টকাহে খৰচ কৰা হৈছে আনুমানিক হিচাব মতে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যিহেতু গোটেই টকা খৰচ হোৱা নাই, সেইবাবে বহুতো অসুবিধালৈ লক্ষ্য কৰি নৱকাম্বুৰ পাহাৰৰ পৰা অন্ততঃ হস্পিটেল গৃহ তললৈ নমাই অনাৰ সম্পৰ্কে মন্ত্ৰী-সভাই কিবা বিবেচনা কৰিবনে?

শ্ৰীছত্ৰসিং টেৰণ—অধ্যক্ষ মহোদয়, আমাৰ গোটেই Medical College Hospital আৰু College Building এটা integreted Scheme লোৱা হৈছিল ! পঢ়া-শুনা কৰা Building সম্পূৰ্ণৰূপে তৈয়াৰ হৈ গ'ল আৰু Hospital-ৰ কামো ইতিমধ্যে বহুপৰিমাণে আগবাঢ়িছে। সেই কাৰণে প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে প্ৰায় ২০ লাখ টকা খৰচ হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া—প্ৰায় বা মান কিয় ব্যৱহাৰ কৰিব লাগে ?

শ্ৰীছত্ৰসিং টেৰণ—টকা-পইচাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব লাগে।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—অধ্যক্ষ মহোদয়, ধৰি ললো বিশলাখ টকাই খৰছ হৈছে। কিন্তু এটা কথা মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষই জনাইছে যে Medical College-ৰ Staff অৰ্থাৎ Professor আৰু ছাত্ৰ-ছাত্ৰী অনা-নিয়া কৰা Transportation-ৰ বাবদ ১২ লাখ টকা খৰচ হ'ব সেইবিলাক বিবেচনা কৰি তললৈ নমাই অনাৰ কথা বিবেচনা কৰিবনে ?

শ্ৰীছত্ৰসিং টেৰণ—এইটো সঠিক খৰচ নহয়। বাৰ লাখ টকা খৰচ পানবজাৰ কেম্পাচৰ পৰা আহোতে হ'বলগীয়া সঠিক খৰচ নহয়। হস্পিটেলৰ পৰা প্ৰফেচাৰ আৰু ছাত্ৰ-ছাত্ৰী নিয়া-অনা কৰোতে অৱশ্যে খৰচ হ'ব সেইটো ঠিক।

## গৌৰিপুৰৰ পি, বি, কলেজ

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানীয়ে সুধিছে :

৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) এজন কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী গৌৰিপুৰ পি, বি, কলেজৰ গভৰ্ণিং বডিৰ সভাপতি হয়নে আৰু যদি হয় সভাপতি হোৱাটো বিধান সন্মত হৈছেনে ?

(খ) এইটো সঁচানে যে যোৱা ৫ জুলাই ১৯৭২ তাৰিখে সভাপতি মন্ত্ৰী ডাঙৰীয়াৰ সভাপতিত্বত হোৱা গভৰ্ণিং বডিৰ মিটিঙত কলেজৰ অধ্যক্ষ মহোদয়ক সাময়িক বৰ্খাস্তৰ প্ৰস্তাব গৃহীত হৈছিল ?

(গ) যদি তেনেকুৱা প্ৰস্তাব লোৱা হৈছিল তেনেহ'লে কি অভিযোগৰ ভিত্তিত গৃহীত হৈছিল ?

শিক্ষা বিভাগৰ মন্ত্ৰী শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰে উত্তৰ দিছে :

৫। (ক)—হয়। হ'ব নোৱাৰে বুলি মহাবিদ্যালয়ৰ পৰিচালনা কানুনখনত (১৯৬৫ চনৰ) একো উল্লেখ নাই।

(খ)—সঁচা।

(গ)—৫ জুলাই ১৯৭১ তাৰিখৰ পি, বি, কলেজৰ (গৌৰিপুৰ পৰিচালনা সমিতিৰ কাৰ্য্য বিবৰণীৰ হুবহু নকল এটা সদনৰ মেজত ৰখা হৈছে। অভিযোগবিলাক তাতেই লিপিবদ্ধ কৰা আছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—গৌৰিপুৰ কলেজৰ গভাৰ্ণিং বডি কেতিয়া গঠিত হৈছিল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—নোটিফিকেচন দিয়া হৈছিল তিনি জানুৱাৰী ১৯৭১ চনত আৰু ফৰমেলি হৈছিল ২৯-৬-৭১ তাৰিখে অৰ্থাৎ আমি পাইছো ২৯ ৬-৭১ তাৰিখে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—কলেজৰ অধ্যক্ষজনক সাময়িক ভাৱে বৰ্খাস্ত কৰাৰ কাৰণে কোনে এপ্ৰোভেল দিছিল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—ডি, পি, আই,-য়ে এপ্ৰোভেল দিছিল।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড তিনিচুকীয়া কলেজৰ সাময়িক ভাবে বৰ্খাস্ত কৰা অধ্যক্ষৰ এপ্ৰোভেলৰ কাৰণে দেৰ বছৰ লাগিল অথচ গৌৰিপুৰ কলেজৰ ক্ষেত্ৰত তিনি মাহৰ ভিতৰতে এপ্ৰোভেল পোৱাৰ কাৰণ কি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—তিনিচুকীয়া কলেজৰ কাৰণে তদন্ত কৰিবলগীয়া হোৱা কাৰণে পলম হৈছিল।

শ্ৰীগিয়াচুদ্দিন আহমেদ—গৌৰীপুৰ কলেজৰ এনে কি পৰিস্থিতিৰ উদ্ভৱ হৈছিল যে মন্ত্ৰী এজনা সেই গভাৰ্ণিং বডিৰ প্ৰেচিডেণ্ট হ'বলগীয়া অৱস্থা হ'ল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—কেইখনমান কলেজৰ গভাৰ্ণিং বডিৰ প্ৰেচিডেণ্ট মন্ত্ৰী আছে, গৰুচৰণ কলেজৰো গভাৰ্ণিং বডিৰ প্ৰেচিডেণ্ট মন্ত্ৰী এজনা।

Md. Umaruddin—I put this question to the Chief Minister whether it is consistent with sound public policy that a member of the Cabinet—a Minister should be associated with the governing body of a college which has got to function under the Govt. directly ?

Shri Sarat Chandra Sinha ( Chief Minister )—We shall look into it.

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—এইটো কথা সঁচানে যে গৌৰীপুৰ কলেজৰ গভাৰ্ণিং বডিৰ মিটিং হোৱাৰ সময়ত, প্ৰেচিডেণ্ট পতাৰ সময়ত মন্ত্ৰী গৰাকী আগুৱাই গৈ প্ৰেচিডেণ্ট হৈছে ?

শ্ৰীচৈয়দ আহমেদ আলী—এইটো বেচ্‌লেচ আৰু ফলচ্‌।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী—পাণ্ডু কলেজৰ প্ৰেচিডেণ্ট মন্ত্ৰী ডাঙৰীয়াই নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—নহয়।

শ্ৰীগিয়াচুদ্দিন আহমেদ—কলেজৰ গভাৰ্ণিং বডিৰ প্ৰেচিডেণ্ট পাতোতে তাৰ আগতে মন্ত্ৰী ডাঙৰীয়াৰ সন্মতি লোৱা হৈছিল নেকি ?

শ্ৰীচৈয়দ আহমেদ আলী—লোৱা হৈছিল, নহ'লে পাতিব নোৱাৰো।

### যোৱা বানপানীত ৰাস্তা দলং আদিৰ ক্ষতি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অলপতে হৈ যোৱা দুটা বানত মঙ্গলদৈ মহকুমাত মুঠতে কিমান কেইটা ৰাস্তা-পথ আৰু দলঙৰ ক্ষতি হ'ল ?

(খ) এই ক্ষতি ভাল কৰিবলৈ কিমান টকাৰ আৱশ্যক হ'ব আৰু স্থানীয় বিষয়াই বিস্তৃত বিবৰণ পঠাইছে নে নাই ?

(গ) তৎকালীন সাহায্য হিচাবে মঙ্গলদৈ মহকুমাত মুঠতে কিমান টকা এতিয়া দিয়া হৈছে আৰু দিয়া টকা খৰচ হৈছে নে নাই ?

(ঘ) বানপানীত অনিষ্ট হোৱা ৰাস্তা-পথ আৰু দলং সমূহ ভাল কৰিবলৈ আৱশ্যকীয় সমুদায় টকা ৰাজ্য চৰকাৰে বহন কৰিব নে নকৰে আৰু যদি কৰে, সেই টকা কেতিয়া দিব ?

গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঃ লুটফুৰ ৰহমানে উত্তৰ দিছে ঃ

৬। (ক)—এই বছৰৰ জুলাই ও আগষ্ট মাহত মঙ্গলদৈ মহকুমাত ৩৭ টা ৰাস্তা ও এই ৰাস্তাতে অৱস্থিত ৬ খন দলঙৰ ক্ষতি হৈছে।

(খ)—কাৰ্য্যবাহী অভিযন্তাৰ পৰা পোৱা প্ৰাক্কলন মতে এই ৰাস্তা ও দলং সমূহৰ পূৰ্বাৱস্থা ঘূৰাই অনা আৰু এইবোৰক উপৰ্য্যুপৰি শক্তিশালী কৰাৰ কাৰণে ক্ৰমে ১,১৭,৫০০ টকা আৰু ৫,৩৩,৭০০ টকা ধৰা হৈছে।

(গ)—গড়কাপ্তানি বিভাগৰ পৰা তৎকালীন সাহায্য দিয়া নহয়। বানপানীত ক্ষতি হোৱা আগৰ কামৰ বাকী টকা আদায় কৰিবৰ কাৰণে ১৯,০০০ টকা দিয়া হৈছে। বৰ্তমান বছৰৰ কামৰ কাৰণে সম্প্ৰতি কোনো টকা দিয়া হোৱা নাই।

(ঘ)—এই বিষয়টো বৰ্তমানেও চৰকাৰ বিবেচনাধীন হৈ আছে।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিহেতু মন্ত্ৰী ডাঙৰীয়াই নিজে গৈ ঠাইবোৰ পৰিদৰ্শন কৰি আহিছে তেনে ক্ষেত্ৰত আকৌ গোটেই ঘটনাটো বিবেচনাধীন হৈ আছে বুলি উত্তৰ দিছে; তেখেতে নিজে গৈ পৰিদৰ্শন কৰি অহাৰ পিছতো এই কথা কিয় উত্তৰ দিলে?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী)—আজিলৈকে আমি পোৱা টকা খিনি বিলাই দিছো কিন্তু ২৫-২৬-২৭ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ পৰা ষ্টাফ আহিব আৰু কিছু টকা পোৱা কথা আছে তেতিয়া মঙ্গলদৈ মহকুমাত দিয়াৰ কথা বিবেচনা কৰা হ'ব।

শ্ৰীলক্ষীকান্ত শইকীয়—মঙ্গলদৈ পিচপৰা কাৰণে টকা পইচা দিয়াৰ ক্ষেত্ৰতো পিচপৰা হয়নে?

শ্ৰীলুটফুৰ ৰহমান—আন আন ক্ষতিগ্ৰস্ত ঠাইৰ তুলনাত মঙ্গলদৈ কম পৰিমাণে ক্ষতিগ্ৰস্ত হোৱা কাৰণে টকা-পইচাও কম পৰিমাণে দিয়া হৈছে।

## ৰাজধানী স্থানান্তৰ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ ৰাজধানী চিলঙৰ পৰা প্ৰস্তাৱিত অস্থায়ী ৰাজধানী গুৱাহাটীলৈ কেতিয়া স্থানান্তৰ কৰিব?

(খ) ৰাজধানী স্থানান্তৰ কৰিব পৰাকৈ গুৱাহাটীৰ দিচপুৰত নিৰ্মাণৰ কাম আৰম্ভ কৰিছেনে নাই? যদি কৰিছে কিমানখিনি সম্পূৰ্ণ হৈছে?

(গ) অস্থায়ী ৰাজধানীৰ নিৰ্মাণ কাৰ্য্যত থলুৱা লোকক বিশেষকৈ, থলুৱা শিক্ষিত নিবনুৱা যুৱক সকলক সুযোগ দিয়া হৈছে নে নাই? যদি হৈছে কি ধৰণে?

(ঘ) দিচপুৰ অস্থায়ী ৰাজধানী নিৰ্মাণ কৰাৰ লগে লগে এখন ৰাজধানীৰ বাবে অত্যাৱশ্যকীয় সা-সুবিধা সমূহ, যেনে—দোকান, বজাৰ, ডাক্তৰখানা, নগৰৰ লগত যোগাযোগৰ বাবে যাতায়তৰ আৰু অতিৰিক্ত যান-বাহনৰ প্ৰধান পথ সমূহত পাৰপথ দি বহল কৰা আদিৰ ব্যৱস্থা কৰা হৈছেনে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰীয়ে) উত্তৰ দিছে:

৭। (ক)—অসমৰ ৰাজধানী শ্বিলঙৰ পৰা অস্থায়ী ভাবে অহা বছৰৰ ফেব্ৰুৱাৰী মাহতে গুৱাহাটীলৈ স্থানান্তৰ কৰা ব্যৱস্থা লোৱা হৈছে।

(খ)—হয়. সম্প্ৰতি গড়কাপ্তানি বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ অস্থায়ী কাৰ্য্যালয়, গুদামঘৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু সেই বিলাক সম্পূৰ্ণ প্ৰায়। ৰাজধানী পৰিকল্পনাৰ কাম আৰম্ভ কৰিবলৈ আৱশ্যক হোৱা সামগ্ৰী যেনে—তীখা, বিলাতী মাটি, কাঠ, ইটা আদিৰ যোগাৰ কৰা হৈছে আৰু পৰিকল্পনাৰ অন্তৰ্ভুক্ত গৃহনিৰ্মাণৰ কাম অক্টোবৰ মাহৰ প্ৰথম সপ্তাহৰ পৰা আৰম্ভ হব। ইতিমধ্যে ৰাজধানী স্থানান্তৰ সংক্ৰান্তৰ ঘৰ-দুৱাৰৰ নক্সা আৰু সৰ্বমুখী পৰিকল্পনাৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ বেছিভাগ কামেই সম্পূৰ্ণ হৈছে আৰু সেইবোৰ নগৰ পৰিকল্পনা বিভাগে গড়কাপ্তানি বিষয়াৰ হাতত সমজাই দিছে।

(গ)—হয়, গড়কাপ্তানি বিভাগে যথা সম্ভৱ নিবনুৱা যুৱকক অস্থায়ী গৃহনিৰ্মাণত কামৰ ভাৰ দিবলৈ হাতত লৈছে।

(ঘ)—হয়, ৰাজধানী পৰিকল্পনাত পাৰপথৰ নিৰ্মাণ, ঘাইপথ বহলোৱা আৰু বজাৰ আদিৰ বাবেও ব্যৱস্থা ৰখা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, আমাৰ ৰাজধানী অহা ফেব্ৰুৱাৰী মাহতে ইয়াৰ পৰা অস্থায়ী ভাবে স্থানান্তৰ কৰা হব। এই সময়ত আমাৰ ইয়াত যি সকল কৰ্মচাৰী আছে সেইসকল আৰু বিধান সভাৰ সদস্য সকল আৰু মন্ত্ৰী সকল লগতে বিভিন্ন বিভাগৰ কৰ্মচাৰী সকল থকাৰ কিবা ব্যৱস্থা কৰা হৈছে নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—যিমান দূৰ সম্ভৱ ব্যৱস্থা কৰা হ'ব।

শ্ৰীলক্ষী কান্ত শইকীয়া—আমি তাৰ মানে এইটো ধৰি লব লাগিব যে এই খনেই শ্বিলঙত শেষ বিধান সভা আৰু আজিয়েই তাৰ শেষ দিন।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—প্ৰায় তেনে বুলিয়েই ধৰিব পাৰি।

শ্ৰীদেবেন চন্দ্ৰ বৰা—এই সংক্ৰান্তত মই এটা কথা সুধিব খোজো যে অস্থায়ী ৰাজধানী নিৰ্মাণৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে এটা অস্থায়ী বিশেষজ্ঞ কমিটি গঠন কৰি দিয়াৰ কথা আছিল, কেতিয়া সেই কমিটি গঠন কৰা হ'ব চৰকাৰে জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই কমিটি গঠন কৰাৰ কথা আমি ভাবিছোঁ আৰু কেন্দ্ৰীয় চৰকাৰকো এই কথা জনোৱা হৈছে, আশাকৰোঁ অতি সোনকালে কেন্দ্ৰীয় চৰকাৰে এই কথা আমাক জনাব।

শ্ৰীগিয়াচুদ্দিন আহমেদ—এই কথাটো সঁচা নে যে অসমৰ ৰাজধানী ভৈয়ামলৈ অতি সোনকালে নিনিবলৈ মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—এই কথা মই নাজানো।

Shrimati Renuka Devi Barkataki—May I know from the Chief Minister whether it is a fact that the Govt. of India has refused to sanction the expenditure on the temporary shifting of capital at Dispur ?

Shri Sarat Chandra Sinha—The question of refusal does not arise.

Shrimati Renuka Devi Barkataki—May I know from which Head the amount for temporary shifting will be spent ?

Shri Sarat Chandra Sinha—The amount has already been sanctioned in the budget and also we are setting some grants from the Govt. of India.

Shrimati Renuka Devi Barkataki—That is why I am asking, as the Govt. of India said that they would be giving

Rs. $12\frac{1}{2}$ crores as grants and the rest $12\frac{1}{2}$ as advance for the shifting of the capital of Assam, whether this 2/3 crores of rupees that would be spent for the temporary shifting of the capital would be met from that grant ?

Shri Sarat Chandra Sinha—Yes.

Shri Prabin Kumar Choudhury—Whether it is a fact that the heads of departments are not going to be shifted this year ?

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, চাৰি কুৰি ওঠৰ বছৰৰ পিছত অসম বিধান সভাৰ কাৰ্য্যকাল আজিয়েই শেষ হোৱাটো প্ৰায় নিশ্চিত। গতিকে এই চাৰিকুৰি ওঠৰ বছৰ কাল আমি ইয়াত থাকিলো অৰ্থাৎ ইয়াত আমি বিধানসভা বা এই বিধান সভাৰ মজিয়াৰ প্ৰতিচ্ছবি জীয়াই ৰাখিবৰ কাৰণে চৰকাৰে কিবা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—তেনে ব্যৱস্থা কৰা হৈছে।

শ্ৰীআবুল হুচেইন মীৰ—এচেম্বলী চেক্ৰেটাৰিটয়েৰ কাৰণে ওৱায়াৰ হাউছ কৰাৰ পৰিকল্পনা কৰাৰ কথাটো সচাঁ নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, বৰ্তমান আমি ৰাজধানী অস্থায়ী ভাবে নিবলৈ বিচাৰিছো তাত ওৱাৰিং হাউচ আছে আৰু তাত বৰ্তমান অফিচ আদি বহুৱাবৰ কাৰণে আমি ব্যৱস্থা কৰিছো।

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী—মাৰ্চ মাহত বৰ গৰম হব আৰু সেই গৰমত থকাটো বৰ কঠিন হব। গতিকে এয়াৰকণ্ডিচনৰ কিবা ব্যৱস্থা চৰকৰে কৰিছেনে বা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—মাননীয় সদস্য সকলৰ যাতে অসুবিধা নহয় তাৰ বাবে যথেষ্ট ব্যৱস্থা লোৱা হব।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, যেহেতুকে আমাৰ ৰাজধানী অস্থায়ী ভাবে হলেও কাম আৰম্ভ হব ধৰিছে আৰু অহা ফেব্ৰুৱাৰী মাহতে বাজেট অধিবেশন তাত হব কাজেই নতুন ৰাজধানী নিৰ্মাণৰ কাম

কাজ ছোৱাৰ নিমিত্তে চৰকাৰে এনেকুৱা কিবা এটা ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—তাত মোৰ কোনো আপত্তি নাই।

**Re : Benefit to Pensioner**

8. Shrimati Renuka Devi Barkataki asked :

(a) What are the Superannuation benefits of the Govt. pensioners retired :

(i) before 1964 and

(ii) after 1964 ?

(b) What are the other facilities as now sanctioned by the Govt. to the pensioners such as giving them free medical treatment etc.

(c) Is it a fact that they are hard hit by the erosion of the value of rupee since 1948 ?

(d) If so, what measures does the Govt. propose to take to compensate them, as pension is a deferred or retired pay ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

8. (a)—A copy of a note is laid on the table.

(b)—Pensioners are enjoying free medical treatment.

(c) & (d)—Taking into consideration the rise in the price of essential commodities, Govt. have sanctioned temporary increases to pension 3 times, once in 1945, another in 1958 and still another in 1970.

Govt. do not accept any obligation to compensate the fall in the value of the rupee but sanction of temporary increase to mitigate hardship will be considered as in the past to the extent that Govt's Financial resources permit.

Shrimati Renuka Devi Barkataki—In view of the fact that the announced policy or declared policy of the Govt. of Assam and the Govt. of India to provide the social old age benefit etc. whether the Govt. of Assam is thinking or comtemplating to repeal the century old Pension Act. of 1871 ?

Shri Sarat Chandra Sinha—That is the present Act.

Shrimati Renuka Devi Barkataki—This is a century old Act. Whether the Govt of Assam is thinking to repeal this Act so that it can be beneficial under the present circumstances?

Shri Sarat Chandra Sinha—I do not think there is any necessity of changing it; but as the hon. member has said we may think about it.

Shrimati Renuka Devi Barkataki—Whether any Deputationist of Assam Pensioners' Association have met the Chief Minister recently and requested him to allow the pensioners association to appear before the Third Pay Commission?

Shri Sarat Chandra Sinha—Yes.

Shrimati Renuka Devi Barkataki—Whether he has allowed them to appear before the Commission?

Shri Sarat Chandra Sinha—They are not Govt. servants. After retirement they cease to be Govt. servants. Therefore, under the rules they are not entitled to place their case before the Pay Commission.

Shrimati Renuka Devi Barkataki—May I know how the pensioners are going to get benefits under the present circumstances according to the announced policy of the Govt?

Shri Sarat Chandra Sinha—The benefits that are available have been announced and they will get those benefits.

Shrimati Renuka Devi Barkataki—But they are not getting. According to the declared policy of the Govt. of India or the Govt. of Assam they are to be given social security benefits or old age benefits but uptil now they have not got it and a deputationist met the Chief Minister at Gauhati and they requested him to allow them to appear before the Pay Commission but as the Chief Minister has said that they have not been allowed to appear before the Pay Commission, what will be the remedy to the Pensioners to get their demands fulfilled?

Shri Sarat Chandra Sinha—There is no remedy, because they are as good as any other citizens of this country and it is not pensioners alone, there are other old age persons as well.

Shrimati Renuka Devi Barkataki—That means they will be guided by the century old Pensioners' Act., 1871 ?

Shri Sarat Chandra Sinha—That has already been stated. Whaetver benefits have been prescribed will be made available to them, but if they want any more benefits, as before they would be placing their demands before the Government. The Govt. has already increased the pension three time up till now.

## Re : STRIKE BY P. W. D. RETRENCHED WORKERS AND SCHOOL TEACHERS IN FRONT OF THE ASSEMBLY BUILDING

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জড়িয়তে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ এই সদন আৰম্ভ হোৱাৰে পৰা গড়কাপ্তানী বিভাগৰ পৰা বৰ্খাস্ত হোৱা কৰ্মীসকলে অনশন ধৰ্মঘট কৰি আছে। যোৱা ২২ তাৰিখৰ দিনা গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে সদনত আশ্বাস দিছিল যে তেখেতে অনশনকাৰীসকলৰ লগত আলোচনা কৰিব আৰু আলোচনা কৰি পৰমৰ্শ কৰাৰ কাৰণে চেষ্টা কৰিব। কিন্তু এতিয়ালৈকে আমি সদনত জনা নাই যে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনশনকাৰী সকলৰ লগত কি আলোচনা কৰিলে আৰু তাৰ ফলা-ফল কি হ'ল ? আমি ইতিমধ্যে এই সদনত জানিব বিচাৰিছো যে এই আশ্বাসটো গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই দিছিল আৰু দ্বিতীয়তে এইটো বৰ পৰিতাপৰ কথা যে প্ৰায় এক সপ্তাহ ধৰি গড়কাপ্তানি বিভাগৰ কৰ্মচাৰীসকলে অনশন কৰি থাকিব লগা হৈছে আৰু এতিয়ালৈকে চৰকাৰৰ ফালৰ পৰা কোনো মিমাংসা কৰা হোৱা নাই। আমি আশাকৰো গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে এই কৰ্মচাৰী সকলৰ লগত কি আলোচনা হ'ল আৰু এতিয়া কি পৰামৰ্শ লৈছে সেই কথা আমাক জানিবলৈ দিব। লগতে মই শিক্ষা

বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰো যে আজি পুনৰ গোটেই অসমৰ প্ৰায় তিনিশৰো অধিক মধ্য ইংৰাজী স্কুলৰ শিক্ষকে ইয়াত বিক্ষোভ প্ৰদৰ্শন কৰিছে আৰু আজি আমি জানিব বিচাৰিছো যে ইতি-মধ্যে তেখেতসকলে শিক্ষামন্ত্ৰী মহোদয়ক স্মাৰক পত্ৰ দিছে। এই শিক্ষক সকলৰ দাবীৰ সম্পৰ্কে চৰকাৰে কি বিবেচনা কৰিছে আৰু তেওঁলোকৰ দাবীৰ সম্পৰ্কে কিবা আলোচনা হৈছে নে নাই সেই কথা মন্ত্ৰী মহোদয়ৰ পৰা আমি জানিব বিচাৰিছোঁ।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি যোৱা কেইদিনৰ আলোচনাৰ সন্দৰ্ভত কব খোজোঁ যে গড়কাপ্তানি বিভাগৰ কৰ্মীসকলৰ লগত মন্ত্ৰী মহোদয়ে শেষৰ দিনা আলোচনা কৰিবলৈ প্ৰতিশ্ৰুতি দিছিল। গড়কাপ্তানি বিভাগৰ বাবে যিমান টকাৰ আৱশ্যক বুলি চৰকাৰৰ ওচৰত দাবী কৰিছে সেই দাবীৰ শতকৰা ৫০ ভাগো যদি চৰকাৰে মানি ললেহেতেন তেওঁলোকৰো কোনো আপত্তি নাথাকিলে-হেতেন। যেহেতুকে মুখ্যমন্ত্ৰী শিলঙত নাছিল সেই কাৰণে পিচদিনা আলোচনা কৰি সেই বিষয়ে এটা সিদ্ধান্ত দিয়াৰ কথা আছিল। কিন্তু আজিলৈকে গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে কোনো মিমাংসা নকৰিলে। ফলত আজি আটাইকেইদিনে গড়কাপ্তানি বিভাগৰ বনুৱাসকলে আপোনাৰ সদনৰ সন্মুখত এসপ্তাহ ধৰি অনশন কৰি আছে। আনহাতেদি এধক গ্ৰাণ্ট পোৱা স্কুলৰ শিক্ষকসকলে অনশন কৰি থাকি ৰাতি ন বজাত অনশন ভঙ্গ কৰিলে। শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়ে আমাক এই বাতৰি দিছিল যে মন্ত্ৰীমহোদয় নাই, ভৈয়ামলৈ, গুৱাহাটীলৈ নামি গৈছে, সেইকাৰণে শিক্ষা মন্ত্ৰী মহোদয়ে অনশন কাৰী সকলক লগ ধৰিব নোৱাৰে। ইফালে শিক্ষক সকলে অনশন চলাই থাকে আৰু ৰাতি নটা বজাত অনশন ভঙ্গ কৰি গুৱাহাটীলৈ যায় আৰু এই সংক্ৰান্তত দ্বিতীয় কাম আৰম্ভ কৰে। আজি শিক্ষক সকলে শিলঙলৈ আহি শিক্ষামন্ত্ৰীক তেওঁলোকৰ স্মাৰক পত্ৰ দাখিল কৰিবলৈ আহিছে। এই ক্ষেত্ৰত শিক্ষা মন্ত্ৰী আৰু গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে মুকলি মূৰিয়াকৈ জনাব লাগে যে শিক্ষক সকলৰ ক্ষেত্ৰত আৰু গড়কাপ্তানি বিভাগৰ বনুৱা সকলৰ ক্ষেত্ৰত কি ব্যৱস্থা লবলৈ বিচাৰিছে? নতুবা একো সিদ্ধান্ত

নলৈ তেওঁলোকক আকৌ অনশন কৰিবলৈ আগবঢ়াই দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, কবলগীয়া কথাটো আপুনি জানিছেই। কিন্তু সমস্যা সমাধান কৰিব নোৱাৰাৰ কাৰণে আলোচনাটো আমি গুৰুতৰ বুলি ভাবিছো আৰু বিধান সভাৰ মজিয়াত আপোনাৰ দৃষ্টি আকৰ্ষণ কৰাটো অতি আৱশ্যক বুলি অনুভৱ কৰিছো। কাৰণ চৰকাৰে এনেদৰে বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ দি থাকিলে কেতিয়াও সমস্যা সমাধান নহয়। চৰকাৰে যদি সমস্যা সমাধান নকৰে তেন্তে বিক্ষোভ প্ৰদৰ্শন আদি হবই। কিন্তু সমস্যা সমাধান কৰাৰ দায়িত্ব জানো চৰকাৰৰ নাই ?

এটক স্কুলৰ ক্ষেত্ৰত আমাৰ শিক্ষামন্ত্ৰীৰ যিটো ব্যৱহাৰ দেখিলো তাত সমস্যা সমাধান কৰা দূৰৰ কথা বৰঞ্চ সমস্যাক বেছি জটিলতালৈহে ঠেলি নিছে। এম, ই, স্কুলৰ শিক্ষক সকলে স্মাৰকপত্ৰও দিছে আৰু তাত তেওঁলোকৰ দাবী সমূহ পূৰণ কৰিব নোৱাৰিলে বিক্ষোভ প্ৰদৰ্শন কৰিব বুলিও জনাইছিল। তেনে অৱস্থাটো বিধান সভাৰ সন্মুখত, বিধানসভা চলি থকা অৱস্থাত সমস্যা সমাধান কৰিবলৈ যত্ন নকৰি শিক্ষা মন্ত্ৰী মহোদয়ে এনেদৰে বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ দিছে। বিধানসভাৰ অধিবেশন চলি থকা সময়ত বিক্ষোপ কৰিবলৈ দিয়াৰ আচল কাৰণ হ'ল যে যাতে বিধানসভাৰ মজিয়ালৈ তেওঁলোকৰ দাবীসমূহ আহিব নোৱাৰে আৰু যাতে ৰাইজৰ প্ৰতিনিধিয়ে তেওঁলোকৰ ওজৰ-আপত্তি বিধানসভাৰ মজিয়াত উত্থাপন কৰিব নোৱাৰে তাৰ বাবে মন্ত্ৰী মহোদয়ে তেওঁলোকক আলোচনা কৰিবলৈ সুবিধা নিদি গুৱাহাটীলৈ গুচি গৈছিল। সেই কাৰণে বিধানসভা চলি থকা সময়ৰ আগৰ কালচোৱাত মন্ত্ৰী ডাঙৰীয়াই তেওঁলোকৰ লগত কোনো কথাই আলোচনা নকৰিলে আৰু বিধানসভা শেষ হোৱালৈ বাট চাই থাকিল। আজি বিধানসভাৰ শেষৰ দিনত যাতে কোনো পধ্যেই বিধান সভাত প্ৰকাশ হবলৈ নাপায় তাৰ বাবেহে মন্ত্ৰীদেৱে তেওঁলোকৰ লগত কোনো কথাকেই আলোচনা কৰা নাই। সেই কাৰণে মই চৰকাৰক ক'ব বিচাৰিছো যে স্মাৰক পত্ৰখন সকলোৱে পাইছে, মন্ত্ৰী ডাঙৰীয়াও পাইছে আৰু আমিও পাইছো আৰু অধ্যক্ষ ডাঙৰীয়াও পাইছে। গতিকে সেই শিক্ষক সকলৰ দাবীখিনি

যাতে পূৰণ হয় তাৰ বাবে মই অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

লগতে বিধানসভা আৰম্ভ হোৱা দিনাৰে পৰা এই ৭ দিন ধৰি একেৰাহে এনেকুৱা এটা পৰিস্থিতিত গড়কাপ্তানি বিভাগৰ কৰ্মচাৰী সকলে, যি সকল কামৰ পৰা বৰ্খাস্ত হৈছে তেওঁলোকে খাবলৈ নেপায় অনশন কৰি আছে আৰু চৰকাৰৰ তৰফৰ পৰা এটা উপায় বিচাৰিছে: কিন্তু চৰকাৰে একো এটা পৰামৰ্শ নিদিয়াত আমি আচৰিত হৈছো। গতিকে ইয়াৰ এটা যাতে শান্তি মিমাংসা হয় তাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী, শিক্ষা)—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শ্ৰীমতী বৰকটকী ডাঙৰীয়াই কৈছে যে মই গুৱাহাটীলৈ গুচি গলো আৰু হাইস্কুলৰ শিক্ষক সকলৰ লগত আলোচনা কৰা নাই। কিন্তু সেইটো নহয়। তেখেতসকলৰ লগত মই প্ৰথম দিনাই আলোচনা কৰিছিলো আৰু তেখেতসকলক মই কৈছিলো যে কালিলৈ বিশেষ কাৰণত মই গুৱাহাটীলৈ যাব লাগিব। গতিকে আপোনালোকৰ আলোচনা আজিয়ে শেষ হোৱা ভাল। সেই দিনা আমাৰ আলোচনা শেষ নহ'ল আৰু মই গুৱাহাটীলৈ গুচি গলো। পিচদিনা তেখেতসকলৰ প্ৰতিনিধিয়ে মোক গুৱাহাটীত লগ ধৰিছিল আৰু সকলো কথা আলোচনা কৰা হৈছে। আলোচনাত কি হ'ল কি নহ'ল সেই বিষয়ে মই সদনত দাঙি ধৰিব বিচাৰিছো। তেখেতসকলে মোৰ লগত আলোচনা কৰাৰ উপৰিও তেখেতসকলৰ দাবী সমূহ আছে: কিন্তু মই যিখিনি আলোচনা কৰি-ছিলো সেইখিনিৰ খবৰ অহা নবেম্বৰ মাহত জনাম বুলি মই কৈছিলো।

শ্ৰীবৰা ডাঙৰীয়া আৰু শ্ৰীমতী বৰকটকীয়ে আলোচনা কৰা নাই বুলি অভিযোগ তুলিছে: কিন্তু আচলতে সেইটো নহয়। মই তেখেত সকলৰ লগত অনশন ভঙাৰ পিচদিনাই আলোচনা কৰিছিলো। আন-ফালে মধ্য ইংৰাজী স্কুলৰ শিক্ষকসকলৰ লগতো আলোচনা কৰিছিলো। তেখেতসকলৰ লগত যি আলোচনা হৈছিল সেই বিষয়ে তেখেতসকলে সন্মতি প্ৰকাশ কৰিছে। কিন্তু তেখেতসকলৰ পুৰণি কিছুমান দাবী আছে। সেইবিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে আলোচনা চলি আছে।

ইয়াৰ আগতে তেওঁলোকৰ প্ৰতিনিধি মোৰ ওচৰলৈ আহিছিল। আজি ১১.৩০ বজাত তেখেতসকলৰ লগত আলোচনা কৰাৰ কথা আছে। যিহেতুকে তেখেত সকলক সময় আৰু স্থান দিয়া হৈছিল, তেখেতসকলে আন্দোলন নকৰো বুলি কৈছিল। বৰ্ত্তমান তেখেতসকলে ১৪ নম্বৰ ৰুমত মোক অপেক্ষা কৰি আছে আৰু এতিয়া অধ্যক্ষ মহোদয় যদি মোক অনুমতি দিয়ে মই গৈ তেওঁলোকৰ লগত আলোচনা কৰিব পাৰো।

Dr. Lutfur Rahman ( Minister, P.W.D. )—Mr. Speaker, Sir, regarding the question raised by Mrs. Renuka Devi Barkataki and other hon'ble members in respect of retrenched P.W:D: personnels, we have set in a discussion with the representatives of hunger-strikers several times, and once in presence of some members from both sides of the House. But unfortunately, at one point we could not come to a decision and asked for time to discuss with the Chief Minister-cum-Finance Minister regarding the availability of fund. The fund was essential. After discussion with the Chief Minister, I could know about the fund position. The re-absorption of all the retrenched employees depended entirely on the fund made available to us by the Government of India under Flood Damage Repair Works, and a team of the Government of Indla is coming here on 25th to discuss with the State Government officials and others regarding the fund they may be able to make available to the State Government. That is why, I could not give any definite time, and in that position, I informed other representatives of the hunger-strikers that I can sit with them in discussion provided they agreed to discuss without asking me for definite date for re-absorption of all the retrenched employees; but they refused. So, we could not sit against for discussion. Yesterday some members of the house took the initiative for resuming a discussion again at 8-30 p. m. but unfortunately, the representative of the hunger-strikers informed me at about 9 p.m. last night that they would be able to sit for discussion only today at 2 p.m. after the lunch hour. So, I agreed to sit with them for discussion after 2 p. m. today.

## CALLING ATTENTION TO A MATTER OF URGENT PUBLIC IMPORTANCE—NON-REPAIR OF EMBANKMENTS

Shri Probin Kumar Choudhury—Sir, under Rule-54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I call the attention of the Chief Minister to the news item appearing in the 'Dainik Asom' dated the 6th September, 1972 under the caption 'Mothaurir Meramoti Bandha Karat Asontusthi'. Mr. Speaker, Sir, it is a very serious matter. After visiting the flood affected area, no less than a person but the Transport Minister made a statement that for non-repair of the Bundh people of the South Kamrup are suffering a great deal. Moreover, Sir, he has said that Mr Kumra, Chairman of Brahmaputra Flood Control Board did not comply with the order given by the government in this connection. This is a very serious matter and I want to draw the attention of the Chief Minister.

Shri Bishnu Prasad (Minister of State)—My attention has been drawn to the notice under Rule 54 of the Rules and Procedure and Conduct of Business in the Assam Legislative Assembly tabled by Hon'ble members Sarvashri Probin Kumar Choudhury and Balabhadra Das, regarding the news item published in the Dainik Asom ( Fl. 'B' ) on the 6th September, 1972 under the caption 'মথাউৰিৰ মেৰামতি বন্ধ কৰাত অসন্তুষ্টি'।

On 6th July, 1972, the Minister, Education Shri Talukdar visited Barpeta Subdivision to have a knowledge of flood-affected areas. After his visit he apprised the Hon'ble Chief Minister of the feelings of the local people for an enquiry on the breach caused to the left embankment of the Mora-Chaulkhowa river. He also informed the Chief Minister of the disaster caused to the South bank area of Gauhati subdivision. As the members are aware, Govt. have already appointed ( Notification at Fl. 'C' ) an Embankment Breach Enquiry Committee he added by Shri D. N.

Hazarika, Ex-Minister, and the Chief Minister has asked ( Fl. 'D' and 'E' ) this Committee to look into the matters which were placed before the Chief Minister by my colleague Shri Talukdar. The Committee has since toured round Kamrup District and has partly visited Jorhat subdivision. An interim report relating to Nalbari and Barpeta subdivision has since been submitted.

Regarding instructions reported to have been given by the Chairman of the B. F. C. C , as published in the newspaper I would like to clarify that a breach to the Brahmaputra dyke from Palasbari to Gumi at Ambari village near Gumi occured on 29 7-72. The width of the breach was 32 metres at the beginning which developed to 105 metres. The maximum depth of water at the breach site was 12.45 metres ( about 40 ft ) and height of embankment about 15 metres ( 51 ft. ) The breach was due to sand boiling and consequent failure of foundations. The area affected by this breach is about 6 Sq. miles ( about 4000 acres ) involving Panikhati, Kandhulipara, Sandahkhowa, Jorabari, Bapartari, Dherdhera and Telepara villages. Some adjoining areas were also affected by the water entering through the breach which ultimately found its way to Kulshi through Gumi cut in road. An estimate for closing this breach on temporary basis by means of earth filled gunny bags was prepared. Cost of this came to Rs. 3.84 lakhs. On examination on the site condtions where the depth of water was large it was found that the proposed temporary closure by earth filled gunny bags supported by even three rows of piles may not be able to withstand the preasure of water. The proposed work would have required more than one month for completion provided there was no high flood in the interim period. Occurrence of a flood for such a long speel in the middle of flood session could not be ruled out.

A temporary closure of such a breach at a low place with gunny bags in such adverse and uncertain conditions of weather

and river where safety of closure work was also doubtful was not considered justifed.

After the breach took place, for some days the water flowed towards the country side. But thereafter when the Brahmaputra went down water flowed back from the country side through the breach into the Brahmaputra. ( Water through the Breach entered the country side from 29-7-72 to 13-9-72, and from 5-9-72 to 12-9-72. There was no flow on 14-8-72 and from 15-8 72 to 4-9-72 and from 18-9-72 upto 25-9-72 the water from the country side is getting out through this opening ). In fact fortunately the Brahmaputra went so low in September '72 that the water from the submerged area flowed back into the Brahmaputra through the breach more quickly than if the breach had been closed. This helped in early sowing of Sali in the area.

Normal repairs and maintenance of works are undertaken throughout the year. It is learnt that at no stage the Chairman, B. F. C. had occasion to stop essential repair works which were found technically feasible, with regard to original works. It is well known that due to financial stringency during the first quarter of the current financial year limitation had to be imposed on expenditure.

Shri Probin Kumar Choudhury—Sir, is it a fact that Mr. Kumar has not complied with the order of the Government ?

Shri Bishnu Prasad ( Minister of State )—There was no order from the Government to close the breach. What the Hon'ble Education Minister, Shri Talukdar told was about the representation which was made before him by the local people and also about the reaction of the people.

Shri Promode Chandra Gogoi—Whether it is a fact that the remark made by the Education Minister is correct as published in the Newspaper ?

Shri Bishnu Prasad—I have already said what he told the Press was about the reaction of the people and not his opinion.

Shri Balabhadra Das—In the report of the Press, it reveals that it is the opinion of the Education Minister; if it is not so, why no contradiction was issued from the side of the government?

Shri Sarat Chandra Sinha (Chief Minister)—Under such circumstances, contradiction is not necessary.

Shrimati Renuka Devi Barkataki—Whether the Chairman, Shri D. N. Hazarika has submitted any report on the bridges and embankments in the district of Kamrup?

Shri Bishnu Prasad—I have already stated that he has submitted an interim report in respect of Barpeta and Na'bari.

Shri Balabhadra Das—In view of the report, it seems, no further enquiry of the South bank is necessary. To maintain the prestige of the Hon'ble Minister, such enquiry should not be held; otherwise Minister's report will be false.

## Announcement by the Speaker—Group Photograph of Members

Mr. Speaker - Before we pass on to the next item I want to make an announcement. A photograph is going to be taken at 12-30p.m. at the lawn outside. I request the hon. Members to be present there. (Shrimati Renuka Devi Barkataki & Shri Promode Chandra Gogoi: Not inside the House?) We are trying for it and it will be done if possible.

## Motion: Motion for extension of time for submission of the Report of the Select Committee on the Assam Urban Immovable Reports (Ceiling) Bill, 1972.

Shri Paramananda Gogoi (Minister, Revenue)—Mr. Speaker, Sir, I beg to move "that Assembly do agree to the extension of time for submission of the Report of the Select Committee on the Assam

Urban Immovable Property (Ceiling) Bill, 1972 till 15th February, 1973."

Mr. Speaker—The motion moved is that this Assembly do agree to the extension of time for submission of the Report of the Select Committee on the Assam Urban Immovable, (Ceiling) Bill, 1972 till 15th February, 1973.

(After a pause)

*The motion is adopted.*

**Motion : Motion for extension of time for the submission of the Report of the Select Committee on the Assam Agricultural Produce Market Bill, 1972**

Shri Upendra Das (Minister, Agriculture)—Mr. Speaker, Sir, I beg to move "that this Assembly do agree to the extension of time for submission of the Report of the Select Committee on the Assam Agricultural Produce Market Bill, 1972 till 25th February, 1973."

Mr. Speaker—The motion moved is that this Assembly do agree to the extension of time for submission of the Report of the Select Committee on the Assam, Agricultural Produce Market Bill, 1972 till 25th February, 1973".

(After a pause)

*The motion is adopted.*

**Motion : Motion for extension of time for the submission of the Report of the Select Committee on the Assam State Housing Board Bill, 1972**

Shri S. Ahmed Ali, (Minister, Law)—Mr. Speaker, Sir, I beg to move "that this Assembly do agree to the extension of time for submission of the Report of the Select Committee on the Assam State Housing Board Bill, 1972 till 15th February, 1973".

Mr. Speaker—The motion moved is that this Assembly do agree to the extension of time for submission of the Report of the Select Committee on the Assam State Housing Board Bill, 1972 till 15th February, 1973".

(After a pause)

*The motion is adopted.*

**Laying of 26th Report of the Committee on Estimates on the Department of Panchayat and Community Development:**

Shri Gunendra Nath Pandit—Mr. Speaker, Sir, I beg to lay the Twenty-sixth Report of the Committee on Estimates relating to the Department of Panchayat and Community Development.

**Laying of the 9th, 10th and 11th Reports of the Committee on Petitions**

Shri Girindra Chandra Chaudhury—Mr. Speaker, Sir, I beg to lay the

(i) Ninth Report of the Committee on Petitions—the petition of Shri Jogendra Nath Bhattacharjee submitted by Shri Sailen Medhi, ex-M.L,A.

(ii) Tenth Report of the Committee on Petitions—the petition of Shri P.M. Sarun submitted by Shri Phani Bora, ex-M.L.A.

(iii) Eleventh Report of the Committee on Petition—the petition of Shri Nagen Sarmah submitted by Shri Dulal Chandra Barua, M.L.A.

**The Assam Contingency Fund (Augmentation of Corpus) Bill, 1972**

Shri S. C. Sinha, (Chief Minister)—Mr. Speaker, Sir, I beg to move that the Assam Contingeney Fund (Augmentation of Corpus) Bill 1972 be taken into consideration.

Mr. Speaker—Here is a message from the Governor of Assam which reads "Raj Bhavan, Shillong, the 17th September, 1972—Under the provision of Article 207 (3) of the Constitution of India, I, Braj Kumar Nehru, Governor of Assam, recommend that the Assam Contingeney Fund (Augmentation of Corpus) Bill, 1972 be taken into consideration by the Assam Legislative Assembly. Sd/- B K. Nehru, Governer of Assam".

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনন সংক্ৰান্তত যিটো বিৱৰণী দিয়া হৈছে তাত কোৱা হৈছে যে, "The permanent Corpus of the Contingency Fund is Rs. 2 crores. After meeting certain urgent and unforeseen expenditure the balance left in the Contingency Fund was found too meagre to meet the urgent expenditure on flood relief measures and other expenditure. An ordinance augmenting temporarily the Corpus of the Contingency Fund by Rs. 10 crores was therefore promulgated on the 12th August, 1972 The Ordinance is now proposed to be replaced by an Act of the Legislature so that Corpus of the Contingency Fund stands temporarily increased by Rs. 10 crores upto 31st March, 1973 in addition to the permanent Corpus of Rs. 2 crores to meet the similar expenditure on flood relief measures and certain other urgent and unforeseen expenditure. Hence the Bill." অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত আমাৰ ৰাজ্যখনৰ বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ ক্ষতিগ্ৰস্ততাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা আৱশ্যকীয় কাম-কাজ আদি কৰাৰ কাৰণে আগধন লোৱাটো কোনো বিধি বহিভূ্ৰ্ত কথা নহয়। সেইকাৰণেই বানপানীত বিধস্ত আৰু ক্ষতিগ্ৰস্ত হোৱা অঞ্চলৰ লোকসকলক সাহাৰ্য্য দিয়া আৰু তেওঁলোকৰ পূনৰ্বাসনৰ কাৰণে চৰকাৰৰ ফালৰ পৰা আৱশ্যকীয় ব্যৱস্থা লোৱাও নিতান্ত প্ৰয়োজনীয় কথা। কিন্তু মই এইটো কথাও আজি আমাৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীক জনাব খুজিছোঁ যে, বানবানীত ক্ষতিগ্ৰস্ত হোৱা অঞ্চল বিলাকত সাহাৰ্য্য-বিতৰণ আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত যথোপযুক্ত ভাবে ব্যৱস্থা লোৱা হোৱা নাই বুলি বহুতো অভিযোগ আমাৰ হাতত পৰিছেহি। আনকি বানপানী হোৱাৰ পিছত মই উত্তৰলক্ষীমপুৰলৈ গৈ তাত দেখিছিলো যে, তাত বিভিন্ন ৰাষ্টা-ঘাট চিগিছে, আৰু বহুতো মথাউৰি চিগা অৱস্থাত আছে। সেইবিলাক অঞ্চলত বিধস্ত লোকসকল

থাকিবৰ কাৰণে আনকি এখন চালিবো ব্যৱস্থা কৰা নাই । খোৱাৰ কাৰণে এটুপি পানীৰ ব্যৱস্থা কৰি এটা 'টিউব্‌-ৱেল' পৰ্য্যন্ত তাত বহুওৱা হোৱা নাইকীয়া । মুঠৰ ওপৰত চৰকাৰৰ ফালৰ পৰা আৱশ্যকীয় কোনো ব্যৱস্থাকে তাত লোৱা দেখা নগ'ল । ডি, চিক লগ ধৰাত তেখেতে চৰকাৰৰ ফালৰ পৰা একো টকা-পইচা দিয়া নাই বুলি ক'লে আৰু ক'লে যে, সকলো ব্যৱস্থা চৰকাৰেই কৰিব । তাৰ পিছত ঘূৰি আহি গুৱাহাটীত মুখ্যমন্ত্ৰীক লগ ধৰাত তেখেতে ক'লে যে, সেই অঞ্চল বিলাক সংৰক্ষণ কৰিবলৈ আৰু ক্ষতিগ্ৰস্ত লোকসকলক যথোপযুক্ত সাহাৰ্য্য আদি দিয়াকে আৰম্ভ কৰি যাৱতীয় সকলো ব্যৱস্থা চৰকাৰে লব । চিগা ৰাষ্টা-ঘাট আৰু মথাউৰি বিলাকৰ মেৰামতি আৰু তাক বন্ধকৰা হব বুলিও আশ্বাস আমাক দিলে । তাৰ পিছত যিটো গম পোৱা গ'ল যে, ৰধানদীত ৰাজ্যপালে গৈ যদিও মথাউৰি বন্ধ কৰাৰ কাম ৰাজহুৱা ভাবে আৰম্ভ কৰি দেখুৱালে, প্ৰকৃত পক্ষে চিগা বিলাক হলে বন্ধ কৰা নহ'ল । ইয়াৰ ফলতেই এই বিধস্ত লোকসকলৰ সৰহ সংখ্যক লোকেই বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ল । চিগা মথাউৰি বিলাক বন্ধ নকৰাৰ ফলত তাৰ সৰহ খেতি-বাতিয়েই নষ্ট হ'ল যাৰ ফলত তাত এতিয়া এটা বিৰাট আকাৰৰ প্ৰবল ডুৰ্ভিক্ষ হোৱাৰ সম্ভাৱনা হৈছে । গতিকে এই বানবিধস্ত লোক-সকলৰ কাৰণে টকা লোৱাত আমাৰ কোনো আপত্তি নাই আৰু কোনো আপত্তি থাকিবও নোৱাৰে । কিন্তু মই এইটো কথাহে মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীৰ পৰা জানিব বিছাৰোঁ যে, যিখিনি টকা তাত লোৱা হৈছিল, সেই টকাখিনিৰ সদ্‌ব্যৱহাৰ কৰা হ'ল নে ? বিধস্ত লোকসকলক উপযুক্ত ভাবে সহায় দিয়া হৈছেনে ? তেওঁলোকৰ খোৱা পানীৰ ব্যৱস্থা আৰু থাকিবৰ কাৰণে চালি আদি কৰি দিয়াৰ ব্যৱস্থা কৰা হৈছেনে নাই ? বা চিগা মথাউৰি আৰু ৰাষ্টা-ঘাট বিলাক বন্ধ আৰু মেৰামতিৰ কাম হাতত লোৱা হৈছেনে নাই সেইবিলাক কথা বিষদ ভাবে আমি এই টকাখিনি অনুমোদন কৰাৰ আগতেই মুখ্যমন্ত্ৰী তথা আমাৰ বিত্তমন্ত্ৰীৰ পৰা নিশ্চয়কৈ জানিব বিচাৰোঁ ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—माননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ অকস্মাতে অহা বানপানীয়ে এনে এটা ধ্বংসলীলাৰ সৃষ্টি কৰিলে যে, যাৰ ফলত

ৰাষ্টা-ঘাট, মথাউৰি চিগিল, দলং আদি ভাগি উটি গ'ল আৰু খেতি-বাতিৰো এক বিস্তৰ ক্ষতি সাধন কৰিলে। এই পৰিস্থিতিৰ সন্মুখত যিমান পাৰি চৰকাৰে সম্ভৱপৰ সকলো ব্যৱস্থা হাতত লৈছে আৰু চলাচলৰ কাৰণে ৰাষ্টা-ঘাটবোৰ মেৰামতি কৰা আৰু চিগা মথাউৰিবিলাক বন্ধ কৰাৰ কাৰণেও চৰকাৰে ব্যৱস্থা হাতত লৈছে।

অধ্যক্ষ মহোদয়, যিসকল লোক বানপানীত বিধস্ত হৈছিল, ঘৰবাৰী উটি গৈছে, সেই লোকসকলৰ পুনৰ বাসনৰ কাৰণে কাম হাতত লোৱা হৈছে। এই সকলোবিলাক কাম নিখুট কৰাটো সম্ভৱ নহয়। ইয়াত বহুতো দোষ ত্রুটি থাকিব পাৰে। চৰকাৰৰ পক্ষৰ পৰা যিমান দূৰ সম্ভৱ সেইবিলাক কাম কৰিবৰ কাৰণে যত্ন কৰা হৈছে। সেই কাম কৰিবৰ কাৰণে চৰকাৰক অতিৰিক্ত ধন লগা হৈছে। আজি এই ধনৰ সম্পৰ্কে আলোচনা কৰা হৈছে কিন্তু কাম এতিয়াও হোৱা নাই। এই সম্পৰ্কে দুই এঠাইৰ পৰা বিশেষ ৰকমে অভিযোগ আহিছে। কিন্তু এই অভিযোগবিলাক যথাযথ ভাৱে উল্লেখ কৰিলে আমি তাৰ ব্যৱস্থা কৰিম। মই সদস্য সকলক এই কথা আশ্বাস দিব খুজিছো যে বানপানীত প্ৰপ্ৰীড়িত লোকসকলৰ সংস্থানৰ কাৰণে, সহায় দিয়াৰ কাৰণে আৰু যি সকলৰ ঘৰত খাবলৈ এমুঠিও নাই সেইসকলৰ খোৱাৰ ব্যৱস্থা কৰিবৰ কাৰণে চেষ্টা কৰিছো। কিন্তু এই বিষয়ে মই তদন্ত কৰিবলৈ দিছো।

শ্ৰীৰেনুকা দেবী বৰকটকী—অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ৰাজহুৱা ভাবে তেখেতে কৈছে যে, নীতিগত ভাবে মৰাউৰি বন্ধা হৈছে। এতিয়ালৈকে কিমান মথাউৰি বন্ধা হৈছে আৰু কিমান মথাউৰি মুঠতে ভাঙিছিল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, সেই হিচাব মোৰ হাতত নাই। মথাউৰিৰ টকা চিগা মথাউৰিৰ কাৰণে লোৱা হৈছে। আৰু সেইকেইটা মথাউৰি সম্পূৰ্ণ হব।

শ্ৰীমতী ৰেনুকা দেবী বৰকটকী—এই ১০ কোটি টকা মথাউৰিত ক্ষতিগ্ৰস্ত হোৱা লোকৰ কাৰণে, ব্ৰহ্মপুত্ৰৰ গড়াখহনিয়াত পৰা মানুহৰ কাৰণে এই টকা খৰছ কৰা হৈছে নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, বানপানীত যিসকল লোক প্ৰপীড়িত হৈছে সেই সকলৰ সহায়ৰ কাৰণে এই ১০ কোটি টকা খৰচ কৰা হৈছে।

শ্ৰীগোবিন্দ বৰা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ সেই অঞ্চলত বানপানী হৈ মানুহৰ নানা দুৰ্গতি হৈছে। এতিয়া সেই অঞ্চলৰ মানুহৰ অৱস্থা নাই। খেতি পথাৰ বানপানীয়ে উটাই নিছে। ফলত অনাটনে দেখা দিছে। গতিকে সেই অঞ্চলত ফেয়াৰ প্ৰাইচ চপৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, যিবিলাক ঠাইত টিউবওৱেল নাই তাত টিউবওৱেলৰ ব্যৱস্থা পানী যোগানৰ ব্যৱস্থা, আৰু ফেয়াৰ প্ৰাইচ চপৰ ব্যৱস্থা কৰি দিবলৈ চেষ্টা কৰা হব।

Mr. Speaker—Now, the question is that the Assam Contingency Fund (Augmentation of Corpus) Bill, 1972, be taken into consideration.

(After a pause)

*The Motion is adopted*

As there is no amendment clause, I would request the Chief Minister to move for passing.

Shri Sarat Chandra Sinha (Chief Minister)—Sir, I beg to move that the Assam Contingency Fund (Augmentation of Corpus) Bill, 1972, be passed.

(After a pause)

*The Motion is passed*

## THE ASSAM APPROPRIATION (NO. III) BILL, 1972

Shri Sarat Chandra Sinha (Chief Minister)—Sir, I beg to move that the Assam Appropriation (No. III) Bill, 1972, be taken into consideration.

Mr. Speaker—Now, there is a message from the Governor. Raj Bhavan

Shillong, the 17th Sept., 1972.

Under the provision of Article 207 (3) of the Constitution of India, I, Braj Kumar Nehru, Governor of Assam, recommend that

the Assam Appropriation ( No. III ) Bill, 1972, be taken into consideration by the Assam Legislative Assembly".

**Sd/—B. K. Nehru**
Governor of Assam

Now, the motion is that the Assam Appropriation ( No. III ) Bill. 1972, be taken into consideration.

( After a pause )

*The Motion is adopted*

As there is no amendment clause by clause, I would request the Chief Minister to move for passing.

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, I beg to move that the Assam Appropriation ( No. III ) Bill, 1972, be passed.

Mr. Speaker—The motion moved is that the Assam Appropriation ( No. III ) Bill, 1972, be passed.

( After a pause )

*The Motion is passed*

## RESOLUTION RELATING TO THE ENQUIRY COMMISSION REPORT ON THE ASSAM STATE ELECTRICITY BOARD

Shri Abul Hussain Mir—Sir, I beg to move that whereas in course of discussions in the House on the notice Under Rule 50 of the Rules of Procedure & Conduct of Business in Assam Legislative Assembly by Shri B K. Handique, Shri Kshirode Chandra Saikia and Shri Chandra Bahadur Chetri on the Enquiry Commission on the matter relating to the Assam State Electricity Board a large number of irregularities came to light ;

This Assembly do now constitute a Committee of the House with the following as members to go into the various irregulari-

ties referred to the report of the Commission and to recommend to the Government for appropriate steps to be taken in this respect by November 30th, 1972 :—

1. Shri Kshirode Chandra Saikia,
2. Shri Gunendra Nath Pandit,
3. Shri Bijoy Krishna Handique,
4. Shri Lila Kanta Das,
5. Shri Dulal Chandra Khound,
6. Shri Nagen Barua,
7. Shri Premodhar Bora,
8. Shri Abul Hussain Mir &
9. Shri Hiranya Bora.

Mr. Speaker—The motion moved. Shall I read the motion

( Voices : নালাগে )

( *The Motion was then adopted* )

## DISCUSSION UNDER RULE 50—ACTIVITIES OF THE KABULIES IN ASSAM

Mr. Speaker—As regards Item No. 9, nobody is present. Then it goes.

## FURTHER DISCUSSION ON THE RESOLUTION ON NATIONALISATION OF OIL & TEA INDUSTRIES IN THE STATE

শ্ৰীবদন তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সোনেশ্বৰ বৰা ডাঙৰীয়াই অনা প্ৰস্তাৱটো, অসমত থকা বিদেশী কোম্পানী, দেশৰ দেশী বিদেশী বাগান সমূহ ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবী জনাব লাগে। এই সম্পৰ্কে যিটো প্ৰস্তাৱ, সেই প্ৰস্তাৱৰ ওপৰত যিটো সংশোধনী প্ৰস্তাৱ আনিছে মাননীয় সদস্য বিশ্বনাথ উপাধ্যায়ে সেই

প্ৰস্তাৱটো এই সংশোধনীৰ দ্বাৰা মূল প্ৰস্তাৱটোৰ যি মূল উদ্দেশ্য সেই মূল উদ্দেশ্যৰ সংশোধন কৰা হৈছে।

( গন্দগোল )

গতিকে এই সংশোধনী প্ৰস্তাৱটো আনিছে আৰু এই প্ৰস্তাৱৰ দ্বাৰা এইটোকে কবলৈ বিচৰা হৈছে যে, এটা কমিটি কৰি এই বিষয়ে বিভিন্ন দিশত অনুসন্ধান কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ অভিমত জ্ঞাপন কৰিব লাগে।

ইয়াত এটা মন কৰিব লগীয়া কথা হ'ল, এইটো পলম কৰা বা এই প্ৰস্তাৱটোৰ মূল উদ্দেশ্য নষ্ট কৰাৰ দিহা কৰাৰ কাৰণেই এই সংশোধনীটো অনা হৈছে বুলি মই ভাবো। আমাৰ ইয়াৰে খাৰুৱা তেল লৈ তাৰ যোগেদি অসমৰ আৰ্থিক অৱস্থাত প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰা হৈছে সেইটো নহয়। বৈদেশিক পুজিপতি সকলৰ দ্বাৰা গোটেই ভাৰতবৰ্ষৰ ওপৰতে সেই অৰ্থনীতিৰ ওপৰত প্ৰভুত্ব বজাই ৰাখিবলৈ চেষ্টা কৰা হৈছে। আনহাতেদি চাহ বাগিচা বিলাকৰ দ্বাৰাও বিদেশী শিল্পপতি সকলে চৰকাৰী খণ্ডতেই হওঁক বা বেচৰকাৰী খণ্ডতেই হওঁক অসমৰ অৰ্থনীতিত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। আজি অসমৰ খনিজ আৰু শিল্পজাত সম্পদসমূহ দেশখনৰ আৰ্থিক উন্নয়নৰ কাৰণে অতি দৰকাৰী। কিন্তু সেই সম্পদৰ সুবিধা লৈ বিদেশী পুঁজিপতি সকলে সম্পদ আহৰণ কৰি দেশখনৰ আৰ্থিক অৱস্থা দুৰ্বল কৰি পেলাইছে যদিও তাৰ দ্বাৰা আমাৰ দেশখনৰ আৰ্থিক অৱস্থা বহু গুণে উন্নত কৰিব পৰা গ'লহেঁতেন। আজি আমি এখন সমাজবাদী সমাজ ৰচনা কৰিবলৈ ওলাইছো তেনেস্থলত আমাৰ শিল্পজাত বা খনিজাত বস্তু উৎপাদন কৰাৰ নামত যদি আমাৰ লাভৰ অধিকাংশ বিদেশী পুঁজিপতি সকলৰ হাতলৈ গুচি যায় তেতিয়াহ'লে তাৰ দ্বাৰা আমাৰ দেশখনৰ আৰ্থিক অৱস্থা কেনে হ'ব? ইয়াৰ ফলতেই আমাৰ দেশখন আৰ্থিক উন্নয়নমূলক কামত বহুগুণে বাধাগ্ৰস্ত হব লগা হৈছে আৰু আমি আজি উদ্যোগ প্ৰসাৰণত যিমানখিনি অগ্ৰসৰ হ'ব লাগিছিল, যিমানখিনি আগবাঢ়িব লাগিছিল সিমানখিনি আগবাঢ়িব পৰা নাই, যিহেতু আমাৰ এই বৃহৎ শিল্পৰ বজাৰ আজি বিদেশী শিল্পৰ হাতত। সেইকাৰণে এই ২ টা শিল্পৰ ওপৰত যি মূল প্ৰস্তাৱ আহিছিল সেইটো আমি সমৰ্থন কৰো কিন্তু এই

মূল প্ৰস্তাৱৰ ওপৰত যি সংশোধনী প্ৰস্তাৱ আনিছে তাৰ দ্বাৰা ভয় হয় আমাৰ মূল প্ৰস্তাৱৰ প্ৰকৃত উদ্দেশ্য নষ্ট হ'ব, সেইকাৰণে এই সংশোধনী প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো।

আমাৰ চৰকাৰৰ যিটো ঘোষিত নীতি সেইটো মৰ্য্যাদা দিব মইয়ো খোজো কিন্তু ইয়াত মূল প্ৰস্তাৱৰ ওপৰত যিটো সংশোধনী অনা হৈছে তাৰ দ্বাৰা সেইটো কেতিয়াও ৰক্ষা কৰা নহ'ব। আচলতে চৰকাৰৰ পক্ষৰ পৰা মূল প্ৰস্তাৱৰ ওপৰত বিৰোধিতা কৰা হোৱা নাই। এজন বিৰোধী দলৰ সদস্যই এই প্ৰস্তাৱটো অনাৰ কাৰণেই তাৰ ওপৰত এটা সংশোধনী অনা হৈছে এই কাৰণেই যে এই প্ৰস্তাৱটো পাচ হোৱাত বাধাস্বৰূপ হব পাৰে। কাৰণ প্ৰকৃত উদ্দেশ্যৰ লগত তেখেত সকল একমত কিন্তু যদিও বিৰোধী দলৰ ফালৰ সদস্যই অনাৰ বাবে প্ৰস্তাৱটো যাতে পাচ হব নোৱাৰে আৰু পাচ হ'লেও যাতে সেইটো কাৰ্য্যকৰী হব নোৱাৰে তাৰহে দিহা কৰা হৈছে যেন অনুমান হয় এই সংশোধনী অনাক চাই। এই বিষয়ে যাতে এটা সুচিন্তিত অভিমত দিয়া হয় তাৰ বাবে বহুতো আলাপ-আলোচনা হৈ হৈছে। অসমত চাহ শিল্প আৰু তেল শিল্প ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে আগৰে পৰাই ৰাজনৈতিক দল, ৰাজহুৱা নেতা, সুচিন্তিত ব্যক্তি, অৰ্থনীতিবীদ ইত্যাদি সকলো পৰ্য্যায়ৰ লোকে নানা চিন্তা কৰি আহিছে আৰু এই সন্দৰ্ভত কিছুমান সুচিন্তিত অভিমতো দাঙি ধৰি আহিছো। এই দুটা শিল্প ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে আৰু তাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা অতি সোনকালে হাতত লব লাগে। কিন্তু এই সংশোধনী আনি আজি আমাৰ দেশৰ চাহবাগিছা বা তেলশিল্প ৰাষ্ট্ৰীয়কৰণত বাধাহে দিছে, সেইকাৰণেহে তেখেতসকলে মূল প্ৰস্তাৱটোৰ বিৰোধিতা কৰাৰ নিচিনাকৈ এই সংশোধনী প্ৰস্তাৱটো আনিছে। কিয়নো তেখেত সকলে দেখ্ দেখকৈ এই মূল প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ সাহস কৰা নাই গতিকেই তেখেতসকলে এই সংশোধনী আনি আচল উদ্দেশ্যটো ব্যৰ্থ কৰিবলৈ চেষ্টা কৰিছে।

সেইকাৰণেই মই এই সংশোধনী প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো আৰু মাননীয় সদস্য সকলক অনুৰোধ জনাইছো যাতে তেখেতসকলে উত্থাপন

কৰা সংশোধনী প্ৰস্তাৱটো উঠাই লয় যিহেতু তেখেতসকলৰ আচল উদ্দেশ্যটোত কোনো আপত্তি নাই। তেখেত সকলে মূল প্ৰস্তাৱটোকে সমৰ্থন কৰিব বুলি আশা কৰি মই বহিলো।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—মাননীয় অধ্যক্ষ মহোদয়, অসমত থকা দেশী-বিদেশী তেল কোম্পানী (পেট্ৰোলিয়াম) আৰু অসমত থকা দেশী-বিদেশী চাহবাগিছাবোৰ ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ চৰকাৰক পৰামৰ্শ দিয়াৰ সন্দৰ্ভত আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা দেৱে উত্থাপন কৰা প্ৰস্তাৱটোৰ ওপৰত মই ব্যক্তিগত ভাৱে কোৱাৰ কোনো আৱশ্যকতা অনুভৱ কৰা নাছিলো। এইটো কাৰণেই মই প্ৰয়োজন অনুভৱ কৰা নাছিলো যে, অসমৰ প্ৰধান জাতীয় সম্পত্তি—তেল আৰু চাহ শিল্পটো জাতীয়কৰণ কৰাৰ কাৰণে শাসনত অধিষ্ঠিত কংগ্ৰেছ চৰকাৰেই বহুবাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ আবাধী অধিবেশনৰ পৰা আৰম্ভ কৰি নাগপুৰ অধিবেশনলৈকে এনে এটা অধিবেশন নাই যি অধিবেশনত এই বিষয়ে প্ৰস্তাৱ গ্ৰহণ কৰা নাইকীয়া। সেই কাৰণেই আজি আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই অনা প্ৰস্তাৱটোত কাৰো বিৰোধিতা নহ'ব বুলিয়েই ভাবিছিলো আৰু ভাবিছিলো যে, শাসনত অধিষ্ঠিত কংগ্ৰেছ দলেও এই প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমেই গ্ৰহণ কৰিব। ইয়াৰ আগৰ দুই-তিনিটা অধিবেশনত এই বিষয়ে আলোচনা-বিলোচনা হৈছিল কিন্তু তাত মই অংশ গ্ৰহণ কৰা নাছিলো অৰ্থাৎ প্ৰয়োজনো অনুভৱ কৰা নাছিলো। আজি মাননীয় সদস্য শ্ৰীবৰাদেৱে অনা প্ৰস্তাৱটোৰ ওপৰত শাসনত অধিষ্ঠিত চৰকাৰী পক্ষই যিটো সংশোধন আনিছে সেইটো দেখি মোৰ মনত এইটোৱেই ধাৰণা হৈছে যে, অসমৰ এই প্ৰধান সম্পদ দুটা ৰাষ্ট্ৰীয়কৰণ কৰি তাৰ সম বিতৰণ কৰি দুখীয়া নাগৰিকক দিব বুলি যি ব্যৱস্থাৰ কথা চৰকাৰে ঘোষণা কৰিছিল সেই ব্যৱস্থাটো নিজেই লবলৈ চৰকাৰ ইচ্ছুক নহয়। সেইকাৰণেই নীতিগত হিচাবে এই কথাটো সমৰ্থন কৰিও কংগ্ৰেছ চৰকাৰে এই সম্পত্তি দুটা ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে বুলি প্ৰকাশ্যে কবলৈ এই চৰকাৰৰ অকণো সাহস নাইকীয়া। পোনপটীয়া ভাবে এইটো নাকচ কৰিবলৈ সাহস সঞ্চয়

কৰিব নোৱাৰিয়েই আজি আওপকীয়া ভাৱে ঘূৰাই পকাই কংগ্ৰেছ চৰকাৰে এই সংশোধনী প্ৰস্তাৱটোকে আনিছে। সেইকাৰণেই তাত কৈছে যে, "কৰাৰ বিভিন্ন দিশ অনুসন্ধান, অধ্যয়ন আৰু পৰীক্ষা কৰি কেন্দ্ৰীয় চৰকাৰলৈ সুচিন্তিত অভিমত জ্ঞাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰক পৰামৰ্শ দিবলৈ সাতজনীয়া সদস্যৰে এটি কমিটি গঠন কৰিবলৈ অসম চৰকাৰক ভাৰ দিয়া হওঁক।" ইয়াতকৈ আৰু ডাঙৰ কিবা দূৰ্ভাগ্যৰ কথা হ'ব পাৰে? বোম্বাইৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে কৈছে যে, অকল টেক্সটাইল ইউনিট এটাই নহয়, গোটেই 'টেক্সটাইল ইণ্ডাষ্ট্ৰি'টোকে জাতীয়কৰণ কৰিব লাগে। অকল সেইটোৱেই নহয়, বিভিন্ন ঠাইত বহা বিভিন্ন পৰ্য্যায়ৰ কংগ্ৰেছ অধিবেশন বিলাকেও যেতিয়া সেই একে মতকে পোষণ কৰিছে তেনেস্থলত, আমাৰ চৰকাৰে অনা এই সংশোধনী প্ৰস্তাৱটোৰ কোনো অৰ্থ থাকিব নোৱাৰে। কিহৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ সুচিন্তিত অভিমত জ্ঞাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰক পৰামৰ্শ দিবলৈ সাতজনীয়া সদস্যৰে এখন কমিটি গঠন কৰিবলগীয়া হ'ল? তাৰ পৰিবৰ্তে পোনপটীয়া ভাৱে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিয়ক যে, অসমৰ প্ৰধান দুটা সম্পদ, তেল আৰু চাহবাগিছাবিলাক জাতীয়কৰণ কৰিব লাগে। তাৰ যদি কিবা বাধা থাকে তেতিয়াহ'লে, কিবা কমিটি আদি কৰিবলগীয়া হ'লে সেইটো ভাৰত চৰকাৰে কৰিব। তাত আমাৰ চৰকাৰৰ কোনো দায়িত্ব নাই। ভাৰত চৰকাৰক পৰামৰ্শ দিবৰ কাৰণে আকৌ এটা উপসমিতি কৰিবৰ বাবে অসম চৰকাৰক পৰামৰ্শ দিয়াৰ আৱশ্যকতা আমি অনুভৱ নকৰো। আজি মই মাত্ৰ এটা কথাই চৰকাৰক কওঁ যে বাইজৰ ওপৰত চৰকাৰে কংগ্ৰেছৰ যিটো 'ইমেজ' সৃষ্টি কৰিবলৈ এই সংশোধনী প্ৰস্তাৱটো আনিছে, সেইটোৰ দ্বাৰা সেই উদ্দেশ্য কেতিয়াও ফলৱতী হব নোৱাৰে।

অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ আৰু কবলগীয়া আছে। সেইকাৰণে মই আকৌ আঢ়েটা বজাত আৰম্ভ কৰিম।

Mr. Speaker—The House stands adjourned till 2-30 P. M.

( The House rose at 12-32 P. M. )

AFTER LUNCH

**Re : Strike by P. W. D. retrenched Workers and School Teachers in front of the Assembly Building**

( The House re-assembled after lunch at 2-30 P. M. with hon'ble Mr. Speaker on the Chair. )

শ্ৰীদুলাল খাউণ্ড—অধ্যক্ষ মহোদয়, পোনতে মই এটা কথা সুধিব খুজিছোঁ—যিহেতুকে এই বিধান সভা শেষ বাৰৰ কাৰণে ইয়াত বহিছে, ইতিমধ্যে গড়কাপ্তানি বিভাগৰ আৰু শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল যে শিক্ষক সকল আৰু গড়কাপ্তানি বিভাগৰ কৰ্মীসকলৰ লগত অলোচনা হৈছে। সেই সম্পৰ্কে আলোচনা কি হ'ল আমাক জনাব লাগে।

শ্ৰীলুটফৰ ৰহমান ( মন্ত্ৰী )– আলোচনা কেতিয়া হব আৰু কি হয় জনাম।

শ্ৰীদুলাল খাউণ্ড—আমি জনামতে মন্ত্ৰী মহোদয়ে ইয়াত এটা বিবৃতি দিছিল যে কালি বাতি নটা বজাত আলোচনা হব বুলি কিন্তু আলোচনা নহ'ল আৰু দুটা বজাৰ জিৰণিৰ সময়ত আমি খবৰ কৰি পালো যে কোনেও তেখেতসকলক খবৰ দিয়া নাই আৰু আজি দুটা বজাতো আলোচনা হব বুলি গড়কাপ্তানি বিভাগৰ কৰ্মীসকলে নাজানে।

Dr. Lutfur Rahman (Minister)—Last night at about 8 P.M. Shri Ayodhya Das telephoned me to do something. I agreed to sit for a talk at night. At about 8-30 P.M. Shri Ayodhya Das informed me that some representatives were with him and told me that it will not be possible to sit at night. I suggested to sit in the morning or after lunch. That is the position, Sir.

Shri Dulal Chandra Khound—In both the cases, yesterday and today they do not know that there would be any discussion.

Shrimati Renuka Devi Barkataki—Whether the Govt. has appointed Shri Ayodhya Das as liaison officer to act between Govt. & the employees ?

Dr. Lutfur Rahman—Some representatives approached Shri Ayodhya Das and they had a talk with him and they suggested that he should talk with me. There is no question of liaison. We all want a settlement that is why Shri Ayodhya Das contacted me.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি কব খোজো যে এইটো এটা বৰ গুৰুতৰ কথা। আজি এসপ্তাহ ধৰি গড়কাপ্তানি বিভাগৰ কৰ্মীসকলে সদনৰ সন্মুখত অনশন কৰি আছে কবলৈ হ'লে—টাইম উইদাউট নাম্বাৰচ। আজি ৰাতিপুৱা মন্ত্ৰী মহোদয়ে নিজে এই ক্ষেত্ৰত কৰ্মী সকলৰ লগত আলোচনা কৰিম বুলি কৈছিল। ছুটা ৰজাত তেখেত সকলৰ লগত আলোচনা কৰিম বুলি কৈছিল, এতিয়া এজন মাননীয় কংগ্ৰেছী সদস্যৰ নাম লৈ এই কথাটোৰ পৰা আঁতৰি যাবলৈ চেষ্টা কৰিছে। আমি আপোনাক এই কথাটো নিবেদন কৰিব বিচাৰিছোঁ যে ৰাতিপুৱা মাননীয় সদস্য এজনৰ নামত লগ ধৰা বুলি কৈ তেখেতে সময় নিলে আৰু এতিয়া ২॥ বজাত লগ পোৱাৰ আশা ৰাখিছিল বুলি কৈছে। গড়কাপ্তানি বিভাগৰ কৰ্মীসকলৰ লগত কি মিমাংসা হয় সেই কথা আজি আমাক কব লাগে অসমৰ বিধান সভা শিলঙত বহা এইখনেই শেষ অধিবেশন আৰু এই অধিবেশন আৰম্ভ হোৱা দিনৰে পৰা সদনৰ সন্মুখত এনেদৰে অনশন চলি থকাটো বৰ পৰিতাপৰ আৰু দুখৰ কথা।

Dr. Lutfur Rahman—Sir, I am going to have a discussion and if they do not know we will inform them.

Shrimati Renuka Devi Barkataki—The behaviour of the Govt. proves that Govt. is not willing to settle this matter before the House is prorogued.

Dr. Lutfur Rahman—Everytime I am saying that I am ready to sit for a discussion at anytime anywhere?

Shri Dulal Chandra Khound—Before the Minister made a Statement in this House he should have ascertained

whether discussion have been properly arranged or not. I am not aware whether it is deliberate or not but the morning statement of the Minister is misleading.

Dr. Lutfur Rahman—I am definitely going to make an arrangement and I request the hon. Members to believe it.

Shri Giasuddin Ahmed—Whether they have been informed about this meeting; so far as we know they do not know anything. The Minister said he is going to hold a discussion at 2 P.M. Now it appears that they do not know anything about it. This is misleading the House.

Dr. Lutfur Rahman—Yes. I conveyed the message through Shri Ayodhya Das, MLA.

Mr. Speaker—The Minister said that he conveyed the message. Let us believe him.

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—এই বিষয়ে আমি কিবা এটা সিদ্ধান্ত বিচাৰিছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—বিভাগীয় মন্ত্ৰীয়ে আশ্বাস দিছে যেতিয়া মোৰ কবলগীয়া একো নাই।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড মন্ত্ৰী মহোদয়, ২ টা বজাত লগ পোৱাৰ কথাটো তেওঁ-লোকৰ কোনেও নাজানে। মন্ত্ৰী মহোদয়ে যিটো বিবৃত্তি দিছে সেইটো আমি বিশ্বাস কৰিছো কিন্তু বিশ্বাস কৰিলেও আমি মন্ত্ৰী মহোদয়ৰ পৰা এই আশ্বাস বিচাৰিছো যে ভৱিষ্যতে যাতে কোনো মন্ত্ৰীয়ে এচাৰটেইন নোহোৱাকৈ কোনো কথাৰ মিচলিদ কৰি ষ্টেটমেণ্ট নিদিয়ে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—মই অনশনকাৰী শিক্ষকসকলৰ লগত আলোচনা কৰিছো আৰু সেই আলোচনা ভালেই হৈছে বুলি ভাবিছো। তেওঁলোকেও আনন্দ পাইছে বুলিয়েই মই ভাবিছো। এইটো খবৰকেই মই বৰ্তমান দিলো।

## FURTHER DISCUSSION ON THE RESOLUTION ON NATIONALISATION OF OIL & TEA INDUSTRIES OF THE STATE

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—অধ্যক্ষ মহোদয়, মই ৰাতিপুৱা অসমত থকা দেশী বিদেশী তেল কোম্পানী আৰু দেশী বিদেশী চাহবাগান বিলাক ৰাষ্ট্ৰীয়কৰণ কৰাৰ বিষয়ে কব খুজিছোঁ। যে এইখন চৰকাৰে দায়িত্ব লোৱাৰ লগে লগে ৰাইজৰ আগত এটা ভাবমূৰ্ত্তি তৈয়াৰ কৰিবৰ কাৰণে চেষ্টা কৰিছিল, বিশেষকৈ ১৪টা বেঙ্ক ৰাষ্ট্ৰীয়কৰণ কৰাৰ পিচত ৰাইজৰ আশা-আকাঙ্খা আছিল অসমত থকা তেল আৰু চাহ সম্পদবিলাকো ৰাষ্ট্ৰীয়কৰণ কৰিব। কিন্তু এতিয়া দুখেৰে সৈতে কব লগীয়া হৈছো আৰু ইতিমধ্যে মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই অনা প্ৰস্তাৱ সম্পৰ্কত কংগ্ৰেছ দলে এটা সংশোধনী আনিছে আৰু সেই সংশোধনীত এই প্ৰস্তাৱৰ যিটো মূল উদ্দেশ্য সেই মূল উদ্দেশ্যৰ পৰা আঁতৰাই আনিবৰ কাৰণে চেষ্টা কৰিছে। মই আশা কৰিছো মুখ্যমন্ত্ৰী মহোদয়ে চাহ আৰু তেল শিল্প ৰাষ্ট্ৰীয়কৰণ মুকলিকৈ কৰি নীতিগত ভাবে ঘোষণা কৰিব আৰু যিটো উদ্দেশ্যৰে তেখেতে মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈছিল আৰু যি আশ্বাস ৰাইজক দিছিল সেই আশা আকাঙ্খা ৰাইজৰ মাজত জীয়াই ৰাখিবৰ কাৰণে এই বিধানসভাৰ শেষৰ দিনা কংগ্ৰেছে উত্থাপন কৰা সংশোধনী উঠাই লৈ পোনপটীয়া ভাবে চাহ আৰু তেল কোম্পানী ৰাষ্ট্ৰীয়কৰণ কৰাৰ চেষ্টা কৰিব লাগে।

শ্ৰীনীলাকান্ত দাস—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই দেশী বিদেশী তেল চাহ কোম্পানী সমূহ ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে যিটো প্ৰস্তাব দাঙি ধৰিছে তাত সকলোৰে আন্তৰিকতা আছে। এই কোম্পানী সমূহ ৰাষ্ট্ৰীয়কৰণ কৰিলে আমাৰ অৰ্থনৈতিক অৱস্থা উন্নত হব আৰু ৰাষ্ট্ৰীয় আয় বৃদ্ধি হব। আমি ১ জন সদস্যই এই সংশোধনীটো দাঙি ধৰিছো। কিন্তু এই সংশোধনী প্ৰস্তাৱটোৱে তেখেতসকলৰ মূল প্ৰস্তাৱটোত বাধা দিয়া বুলি বিৰোধী সদস্যসকলে ভয় খাইছে—মই ভাবো এইটোত তেখেতসকলে সম্পূৰ্ণ ভুল অনুভৱ কৰিছে। এই সংশোধনীটোত আমাৰ অসম চৰকাৰ আৰু কংগ্ৰেছ বিধায়িনী দলৰ

সম্পূৰ্ণ আন্তৰিকতা আছে। গতিকে এই সংশোধনীটোৰ বাস্তৱৰূপ দিবৰ কাৰণে সদনত উত্থাপন কৰা হৈছে। তেখেতসকলৰ প্ৰস্তাৱটো আছিল যে পোনপতীয়া ভাবে কেন্দ্ৰীয় চৰকাৰক অসমৰ চাহ তেল কোম্পানী-বোৰ ৰাষ্ট্ৰীয়কৰণ কৰা। আমাৰ সংশোধনীটো এই কাৰণেই দাঙি ধৰা হৈছে যে এই প্ৰস্তাৱৰ সন্দৰ্ভত যাতে গোটেই অৱস্থাটো খৰচি মাৰি চাই, বিবেচনাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ৰাজ্য চৰকাৰেই সকলো দায়িত্ব বহন কৰি চাহশিল্প আৰু তেল কোম্পানীবিলাক ৰাষ্ট্ৰীয়-কৰণ কৰিব পাৰে তাৰ কাৰণেহে সংশোধনীটো দাঙি ধৰা হৈছে। মই ভাবো এই সংশোধনীটোৱে আন এটা কাম কৰিব যে এই শিল্পবিলাক জাতীয়কৰণ কৰি তোলা যথেষ্ট সহজ কৰি তুলিব—যিটো আজি অসমৰ বাইজে, অসমৰ চৰকাৰে, কংগ্ৰেছ আৰু বিৰোধীদলৰ সদস্যসকলে কামনা কৰিছে। এইটো স্পষ্ট যে আমাৰ কংগ্ৰেছ দলে আজি যি আদৰ্শ লৈছে সেই আদৰ্শৰ ওপৰত ভিত্তি কৰি আজি উন্নত ধৰণে তেল কোম্পানী আৰু চাহশিল্প বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ ওলাইছে—এইটোৱেই মূল কথা। এই মূল কথাক আমাৰ কংগ্ৰেছদলে কেতিয়াও বাদ দিব নোৱাৰে। সেইকাৰণে কংগ্ৰেছদলে উপলব্ধি কৰিছে যে বিৰোধী দলৰ প্ৰস্তাৱটো সংশোধন কৰি বেছি আন্তৰিকতা জ্ঞাপন কৰিছে। এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰাৰ পথত যিটো বাস্তৱ দিশ সেইটো ৰূপ দিবৰ কাৰণেহে এই সংশোধনী প্ৰস্তাৱটো অনা হৈছে। বিশেষকৈ কংগ্ৰেছ দল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিবলৈ যথেষ্ট চেষ্টা কৰিছে। সেই কাৰণে মই কব বিচাৰিছো যে এই সংশোধনী প্ৰস্তাৱত বিৰোধী সদস্যই সন্দেহ কৰিবৰ কোনো থল নাই। গতিকে ইয়াক কাৰ্য্যকৰী কৰাত যি ভূমিকা আছে সেই ভূমিকা গ্ৰহণ কৰিব লাগিব। মই আশা ৰাখিছো বিধানসভাই এই সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰাত আৰু তাক গঠনমূলক কৰি তুলিবৰ কাৰণে এটা কমিটি গঠন কৰি সকলো ব্যৱস্থা শৃঙ্খলাবদ্ধভাবে কৰিব। এই উদ্যোগবিলাক ৰাষ্ট্ৰীয়কৰণ কৰি অসমৰ অৰ্থনৈতিক দুৰাৱস্থা দূৰ কৰিব পাৰিব। সেই কাৰণে সংশোধনী প্ৰস্তাৱটোত কংগ্ৰেছদলে বেছি গুৰুত্ব আৰোপ কৰিছে আৰু

সেইটো উপলব্ধি কৰিয়েই এই সংশোধনী প্ৰস্তাৱটো অনা হৈছে। মই জানো যে ইয়াত আমাৰ ৰাইজৰ সম্পূৰ্ণ সমৰ্থন আছে আৰু আমাৰ ৰাইজে ৰাষ্ট্ৰীয়কৰণ হোৱাটো বিচাৰে। গতিকে ইয়াৰ দ্বাৰা আমাৰ ৰাইজৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰাত এই সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰিছে। বিশেষকৈ শ্ৰীবৰা ডাঙৰীয়াই যিটো প্ৰস্তাব আনিছে—সেইটোৰ সংশোধনীত চৰকাৰ পক্ষই যিটো সংশোধনী প্ৰস্তাৱ দাঙি ধৰিছে সেইটো সকলো সদস্যই গ্ৰহণ কৰিব বুলি মোৰ বিশ্বাস আৰু তাত সকলো সদস্যই সহযোগ কৰিব। এনে ধৰণৰ গঠনমূলক দৃষ্টিভঙ্গিত যদি বিৰোধী দলেও সহায় নকৰে তেতিয়া হলে চাহ শিল্প আৰু তেল কোম্পানীবিলাক ৰাষ্ট্ৰীয়-কৰণ কৰাটো অসম্ভৱ। গতিকে সকলোৱে একাত্মমনে চিন্তা কৰা উচিত যে আমাৰ ৰাজ্যখনত বহুটো সমস্যা আছে সেই সমস্যাবিলাক চৰকাৰৰ লগত হাত মিলাই সমাধান কৰি দেশখনক আগবঢ়াই নিয়াত সকলোৱে অংশীদাৰ হব লাগিব আৰু তাক কাৰ্য্যকৰী কৰাৰ ভূমিকা গ্ৰহণ কৰিব লাগিব। যিটো কাম কৰিলে আমাৰ পিচপৰা অৱস্থাৰ অৱসান ঘটাব পাৰি আৰু উপযুক্ত অৱস্থাত উপনিত হব পাৰি।

আমি আজি সকলো সদস্যই এইটো চিন্তা কৰা উচিত হব যে কেনেকৈ আমাৰ দেশখনৰ বহুমুখী সমস্যাবিলাক সমাধান কৰিব পৰা যায়। সেই সমস্যাবিলাক সমাধান কৰি আমাৰ দেশখনক আগবঢ়াই নিয়াটোহে হব আমাৰ প্ৰধান আৰু মুখ্য কৰ্ত্তব্য। বিভিন্ন ক্ষেত্ৰত গঠন মূলক দৃষ্টিভঙ্গীলৈ আমি আমাৰ দেশখনক আগবঢ়াই নিব লাগিব। তেতিয়াহে আমাৰ দুখীয়া অৱস্থাৰ অৱসান ঘটিব আৰু আমি এটা সন্তৱপৰ অৱস্থালৈ আগবাঢ়ি যাব পাৰিম। বিৰোধী দল বিলাকৰ প্ৰায় ভাগ সদস্যই কৈছে যে দেশী-বিদেশী তেল কোম্পানী আদি জাতীয়কৰণ কৰিবলৈ তেওঁবিলাকৰ ফালৰ পৰা দিয়া প্ৰস্তাৱৰ সংশোধনী আনি আমাৰ ফালৰ পৰা নিজৰ জাহিৰ কৰিবলৈহে বিচৰা হৈছে। কিন্তু সিদিনাখন ভাষা বিষয়ক প্ৰস্তাৱৰ সময়ত বন্ধুবৰ মাননীয় ইন্দ্ৰেশ্বৰ খাউণ্ড ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছিল সেই প্ৰস্তাৱটোও বিৰোধী দলে অনা প্ৰস্তাৱৰ লগত মিলাই লৈ আমি আমাৰ ফালৰ পৰা দেখুৱাই দিছো। বিৰোধী

দল হল বুলিয়েই যে তেওঁলোকৰ প্ৰস্তাৱৰ সংশোধনী বিচাৰিব লাগে তাৰ কোনো প্ৰমান নাই। আমি সকলোৱে বিৰোধীদলৰ প্ৰস্তাৱটোহে মানি লৈছিলো। যদি আজি যিটো প্ৰস্তাৱ আহিছে সেইটো সংশোধনী হিচাবে গ্ৰহণ কৰা নাযায় তেনেহলে কেন্দ্ৰীয় চৰকাৰক হেচা দিব পৰা নাযাব আৰু ফলত নানা তৰহৰ অৱস্থা আহি পৰিব পাৰে। যিটো অৱস্থাৰ পৰিপ্ৰেক্ষিতত আমাৰ দেশৰ কাৰণে মঙ্গলজনক ব্যৱস্থা লোৱাত পলম হৈ যাব আৰু টান হব। মই আশা কৰিছো এই প্ৰস্তাৱটো সংশোধনী সহ বিৰোধী পক্ষৰ সকলো সদস্যইও গ্ৰহণ কৰিব আৰু আমাৰ দেশখন উন্নতিৰ পথত আগবঢ়াই নিয়াত সহায় কৰিব। মই ব্যক্তিগত ভাবেও বিৰোধী পক্ষৰ সদস্য সকলক ভাল পাওঁ কিয়নো তেওঁবিলাকে কংগ্ৰেছী পক্ষৰ অৰ্থাৎ শাসনাধিষ্ঠিত দলৰ দোষ ত্ৰুটি আঙুলিয়াই দি আমাক সততে সহায় কৰি থাকে।

গতিকে মই আশা কৰিছো যে আমাৰ বিৰোধী পক্ষৰ পৰা দিয়া প্ৰস্তাৱৰ সংশোধনী সহ সকলো মাননীয় সদস্যই গ্ৰহণ কৰিব আৰু তাৰ যোগেদি আমাৰ দেশখনক উন্নতিৰ পথত আগবঢ়াই দিয়াত সহায় কৰিব। আমাৰ দেশত থকা দেশী-বিদেশী তেল কোম্পানীবিলাক জাতীয়কৰণ কৰাত এই প্ৰস্তাৱে সহায়ক হব আৰু তাকে সমৰ্থন কৰিবলৈ সকলোকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—মাননীয় অধ্যক্ষ মহোদয়, এই দেশী বিদেশী তেল কোম্পানীবিলাক জাতীয়কৰণ কৰিবলৈ বুলি যিটো প্ৰস্তাৱ বিৰোধী দলৰ ফালৰ পৰা উত্থাপন কৰা হৈছে সেইটো সমৰ্থন কৰি মই কব খুজিছো যে আজি ২৫ বছৰে আমি অপেক্ষা কৰি আছিলো। আমি ভাবিছিলো যে এনেকুৱা এটা প্ৰস্তাৱ শাসনাধিষ্ঠিত দলৰ ফালৰ পৰা আহিব লাগে কিন্তু ইমান দিনে আমি দেখিলো কি ? কংগ্ৰেছৰ ফালৰ পৰা তেনেকুৱা এটা প্ৰস্তাৱ অহাৰ কোনো আশা নাই। সেইবাবে আমি আমাৰ ফালৰ পৰা এই প্ৰস্তাৱ আনিছো, তাতো আকৌ কংগ্ৰেছৰ ফালৰ পৰা সংশোধনী দিছে। সুদীৰ্ঘ ২৫ বছৰে তেল কোম্পানী বিলাক, চাহ কোম্পানীবিলাক জাতীয়কৰণ কৰাৰ কাৰণে কোনো প্ৰস্তাৱ চৰকাৰৰ ফালৰ পৰা অহা

নাই। ২৫ বছৰ পিচত আমি যেতিয়া এই প্ৰস্তাৱ উত্থাপন কৰিছো তাতো আকৌ বিৰোধীতা কৰিছে অৰ্থাৎ সংশোধনী বিচাৰিছে। আমি আজি সমগ্ৰ অসম দেশৰ পৰা প্ৰশংসা পাইছো এই প্ৰস্তাৱ উত্থাপন কৰাৰ কাৰণে। কিন্তু চৰকাৰৰ ফালৰ পৰাও ক্ৰেডিট লবলৈ বুলি এই প্ৰস্তাৱৰ সংশোধনী বিচৰা হৈছে। যাতে আমাৰ লভ্য ক্ৰেডিটৰ পৰা দহ ভাগৰ এক অংশ তেওঁলোকেও পাব পাৰে।

আজি ইমান দিনে তেওঁলোকে চিঞঁৰ বাখৰ কৰি আছে কিন্তু সেই চিঞঁৰ বাখৰৰ কোনো কাম হোৱা নাই। আজি ইমান দিনে কংগ্ৰেছ চৰকাৰৰ যিটো চৰিত্ৰ সেই চৰিত্ৰ বিশ্লেষণ কৰিবলৈ গ'লে দেখা যাব যে এই চৰকাৰে আজি ২৫ বছৰে কি কৰিছে? আজি ২৫ বছৰে চৰকাৰৰ প্ৰশাসনৰ যি চৰিত্ৰ সেই চৰিত্ৰৰ ৰূপ আমি দেখিছো। জমিদাৰী আৰু জোদ্দাৰী প্ৰথা উঠাই দিয়াৰ নামত কিছুমান লোকৰ হাতত কিছুমান টকা দি দিছে। আচলতে জমিদাৰী আৰু জোদ্দাৰী প্ৰথা উঠাই দিলেও তাৰ পৰা কোনো সাধাৰণ শ্ৰেণীৰ খেতিয়ক লাভবান হোৱা নাই। প্ৰকৃত খেতিয়কৰ হাতলৈ মাটিৰ মালিকীস্বত্ব অহা নাই। ফলত জমিদাৰী আৰু জোদ্দাৰী প্ৰথা উচ্চেদৰ নামত কেৱল হাজাৰ হাজাৰ টকা কিছুমানৰ হাতলৈ গৈছে।

অধ্যক্ষ মহোদয়, আজি চৰকাৰে কি কৰিছে? গৰিৱী হতাওৰ নামত কেৱল গৰীৱ শ্ৰেণীৰ ওপৰতে শোষণ কৰা হৈছে। চাহ শিল্প জাতীয়কৰণ নকৰিলে, দেশৰ ভিতৰতে দেশী বিদেশী কিছুমান তেল কোম্পানীক অধিক লাভ লবলৈ দি থাকিলে সেই শিল্পবিলাক জাতীয়কৰণ নকৰিলে কেনেকৈ দেশৰ অৰ্থনৈতিক অগ্ৰগতি আশা কৰিব পৰা যাব? জমিদাৰী প্ৰথা উচ্ছেদৰ সময়ত আমি আশা কৰিছিলো যে দুখীয়া খেতিয়কৰ হাতলৈ অধিক মাটি আহিব কিন্তু তাৰ ফল বিপৰীতহে হ'ল? ফলত আজি দুখীয়া খেতিয়কবিলাক ফৰেষ্ট বিভাগৰ মাটিত আৰু নানান ঠাইত বনে জঙ্গলে সোমাই গৈছে। গতিকে জমিদাৰী আৰু জোদ্দাৰী প্ৰথা উচ্চেদৰ পৰাও সাধাৰণ খেতিয়কৰ কোনো লাভ নহ'ল। তেওঁলোকে মাটি নাপালে। আজি ২৫ বছৰে এই জমিদাৰী আৰু জোদ্দাৰীৰ নামত কিমান টকা যে

কিমানে ল'লে তাৰ কোনো হিচাব নাই।

আজি আমাৰ অৰ্থনৈতিক অৱস্থাত এটা ডাঙৰ হেচা পৰিছে। এই দেশী বিদেশী তেল কোম্পানী আৰু চাহ শিল্প বিলাক জাতীয়কৰণ নকৰাৰ পৰা। ফৰেইন এক্সচেঞ্জৰ ক্ষেত্ৰত আমি লাভবান হব পৰা নাই। গতিকে অতি সোনকালে আমাৰ এই শিল্পবিলাক জাতীয়কৰণ কৰি দেশৰ অৰ্থনৈতিক দিশটো উন্নতিৰ পথত আগুৱাই নিবলৈ প্ৰচেষ্টা চলাব লাগে।

এইবিলাকৰ দ্বাৰা অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ লোৱা দৃষ্টি-ভঙ্গি, দৃষ্টি-ভঙ্গি হৈয়ে থাকি গ'ল। কাৰণ কাগজে-কলমে একো কথাই হব নোৱাৰে। আজি নিবনুৱা সমস্যাৰ কথা সকলোৱে চিন্তা কৰিছে। অথচ চৰকাৰেই এই বিষয়ে কিমানদূৰ চিন্তা কৰিছে মই কব নোৱাৰো। আজি চাহবাগানত কিমান সংখ্যক লোকে কাম কৰিছে? আজি যদি সেইবিলাক জাতীয়কৰণ কৰা হয় তেন্তে ১২ লাখৰো ওপৰ মানুহে চাকৰি বণ্টনৰ সুযোগ পাব। কিন্তু এই আটাইবিলাক বিদেশী ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ হাতত। এইটো সম্পূৰ্ণ সত্যৰ বাহিৰ হৈ পৰিছে। অথচ আমাৰ নেতা সকলে নিৰ্বিকাৰ হৈ বহি আছে। ইফালে ডাঙৰ ডাঙৰ বিদেশী Traders বিলাকে আমাৰ শিল্পৰ পৰা, আমাৰ সম্পদৰ পৰা দুখীয়া ৰাইজৰ পৰা তেজ শোষণ কৰিয়েই আছে। অৱশ্যে এইটোও হব পাৰে যে আমাৰ কংগ্ৰেছ দলৰ সদস্য সকলক নিৰ্ব্বাচনৰ সময়ত প্ৰতি ৫ বছৰে টকাৰ দৰ্কাৰ হয় আৰু তেতিয়া সেই বিদেশী শোষণ-কাৰী সকলৰ পৰাই লয়।

এইদৰে সুবিধা লৈ এই শোষণকাৰী সকলে সুবিধা লৈয়ে আছে। অধ্যক্ষ মহোদয়, আকাশত থকা এবিধ ভেম চৰাই আছে যিটো পক্ষীয়ে পাখা মেলি ছাঁ দি থাকে আৰু ইপিনে তেজ সুহি নিয়ে। যাৰ তেজ সুহি নিয়ে সেইসকলে হ'লে গমেই নাপায়। সেইদৰেই আমাৰ দেশৰ দেশী-বিদেশী তেলকোম্পানী আৰু চাহবাগিছাবোৰে আমাৰ ডাঙৰ ডাঙৰ তথাকথিত 'লিডাৰ' সকলক ছত্ৰছায়া দি আছে আৰু অন্যহাতেদি তেওঁলোকক যে শোষণ কৰি আছে সেইটো গমেই ধৰিব পৰা নাই। নিৰ্ব্বাচনৰ সময়ত গাড়ী আদি কিনিবলৈ এই নেতা সকলেই ধন টকা পইচা লয়।

ইত্যাদি নানান স্থবিধা তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থৰ ক্ষেত্ৰত আছে। গতিকেই আমাৰ নেতাসকলে তেওঁলোকক দেশৰ পৰা উলিয়াই দিবলৈ টান পায়। ভাৰতবৰ্ষত এনেকুৱা এখন প্ৰদেশ নাই য'ত আমাৰ প্ৰদেশখনৰ দৰে ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত পৰাজয় বৰণ কৰিব লগা হৈছে। এখন প্ৰদেশ আজি পাঁচখন প্ৰদেশত বিভক্ত হৈছে। চাহবাগিছা বিলাকত শতকৰা ৮০/৯০ ভাগ মানুহ পৰাধীন হৈয়ে আছে। তেওঁলোকে কোনো স্বাধীন দেশৰ নাগৰিকে কৰা দাবী কৰিব নোৱাৰে। সকলো ক্ষেত্ৰতে তেওঁলোক পিছপৰি আছে। এই সকলো কথা আমাৰ দেশৰ নেতা সকলৰ কানত সোমোৱাই নাই। সেইকাৰণেই এই পুঁজিপতি মালিক সকলে ভেমচৰাইৰ নিছিনাকৈ তেখেতসকলক ছায়া দি আছে আৰু সেইসকলে তাৰ বিনিময়ত আমাৰ দুখীয়া, শোষিত লোক সকলৰ ৰক্ত শোষণ কৰি আছে। এনে এটা কথা জনাৰ পিছতো এনেকুৱা এটা সংশোধনী অনাতকৈ আৰু একো নিৰ্লজ্যতাৰ কথা একো হব নোৱাৰে।

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা আন-'পাৰ্লিয়ামেণ্টৰী ওৱৰ্ড'। তেখেতে এইটো উঠাই লব লাগিব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী—অধ্যক্ষ মহোদয়, মই এইটো জনা নাছিলো। এতিয়া জানিছো যেতিয়া সেইটো ব্যৱহাৰ নকৰো আৰু। কিন্তু আমাৰ কথা হৈছে যে, আমাৰ ভাৰতবৰ্ষৰ ভিতৰতে আমাৰ প্ৰদেশখনৰ আজি অৰ্থনৈতিক অৱস্থা কি হৈছে? অসমৰ পৰা বাহিৰৰ অনা অসমীয়া সকল আহি ইয়াৰ পৰা ধন, টকা-পইচা লৈ গৈছে। তেওঁলোকৰ কাৰণে চাৰিও ফালৰ পৰা ধন আহে। এনেকুৱা বিলাক কাৰণেই আজি আমাৰ প্ৰদেশখন অৰ্থনৈতিক ক্ষেত্ৰত তললৈ পৰি উঠিব নোৱাৰা হৈছে। আজি এই প্ৰদেশৰ সকলো শেষ হৈ গৈছে। এনে অৱস্থাত চৰকাৰে কি অন্যায় হতাও, গৰিৱী হতাও কৰিব আমি ভাবি নাপাওঁ। তেখেত সকলেও এটা প্ৰস্তাৱ আনি এই কথাটো উত্থাপন কৰিব পাৰিলেহেঁতেন যে, এই বিলাক সম্পদ অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, অৱস্থালৈ চাই অতি সোনকালে জাতীয়কৰণ কৰা হওঁক। এনেকুৱা এটা প্ৰস্তাৱ তেখেত সকলে অলপ স্থকীয়া ভাৱেই উত্থাপিত কৰিব পাৰিলেহেঁতেন। আজি ২৫ বছৰে যে, এই কোম্পানী

বোৰে শাসন-শোষণ চলায়েই আছে, তাৰ আগতেও তেখেতবিলাকে এই বিলাক চলাই আছিল। এই সকলোবিলাক কথা বৰ্ণনা কৰি যেতিয়া মুল্‌ক ৰাজ আনন্দ বোলা লোক জনে এখন কিতাপ প্ৰকাশ কৰিছিল "টু লিভছ এণ্ড এবাদ' যাৰ অসমীয়া অনুবাদ আছিল "এটি কলি দুটি পাত", তেতিয়া সেই লোকজনক লণ্ডনত এই কিতাপখন লিখাৰ কাৰণে দোষী সাব্যস্ত কৰি গ্ৰেপ্তাৰ কৰা হৈছিল। চাহবাগিছা বিলাকত অফিচাৰ বিলাকে কৰা কাহিনীৰ কথা যেতিয়া তাত লিখিছিল তেতিয়া তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। সেই নগ্ন ছবি এতিয়াও সেই চাহবাগিছা বিলাকত চলিয়েই আছে। দেশ স্বাধীন হ'ল যদিও সেই বাগানৰ লোকসকলে হলে আজিও সেই স্বাধীনতাৰ পোহৰ দেখা গৈ নাই। ফলত আজি তেওঁলোক স্বাধীন হৈও পৰাধীন হৈ থাকিব লগা হৈছে। অসমৰ চাহবাগিছাৰ ১০ লাখ মানুহৰ ওপৰত আজিলৈকে সেই শোষণকাৰী বিলাকৰ অত্যাচাৰ চলিয়েই আছে। এনেকুৱা এটা অৱস্থাৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ চৰকাৰে তাৰ প্ৰতি ব্যৱস্থা নলৈ এটা সংশোধনী অনাতকৈ আৰু মৰ্মান্তিক কথা একো হব নোৱাৰে। ইয়াৰ প্ৰকৃত কাৰণ হৈছে যে, প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে তেওঁলোকৰ টকাৰ দৰ্কাৰ হব নিৰ্ব্বাচনৰ কাৰণে। গতিকে যদি এই কোম্পানী বিলাকক জাতীয় কৰণ কৰা হয় তেতিয়া হলে তেওঁলোকৰ পইচা লোৱাৰ পথটো একেবাৰেই বন্ধ হৈ যাব। এনেকুৱা এটা অৰ্থনৈতিকতাৰ চাপত পৰিয়েই আমাৰ চৰকাৰে আজি এই কোম্পানী বিলাকক জাতীয়কৰণ কৰিবলৈ টান পাইছে। যিবা এটা বেংকৰ জাতীয়কৰণ কৰি দেখুৱালে তাতো আমি দেখিছোঁ যে, যাৰ কাৰণে এইবিলাক কৰা হৈছিল অৰ্থাৎ খেতিয়ক সকলে তাৰ দ্বাৰা কোনো টকা পোৱা নাইকীয়া।

শ্ৰীলক্ষী কান্ত শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বহুতো সদস্যই কবলগীয়া আছে। তেখেতক আৰু কিমান সময় লাগিব সেইটো জনালে ভাল হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—আপুনিও সময় পাব। চিন্তা নকৰিব। মোক যেনেকৈ সময় দিছে, সেইদৰেই আপোনালোককো সময় দিব। এইটো

ননা হলেও হলহেঁতেন। আপোনালোকে আনিয়েই সংশোধনী প্ৰস্তাৱটো আমাক কৰলৈ সুবিধা কৰি দিছে। কি সৌভাগ্যক্ৰমে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে গৰিৱী হতাও, অন্যায় হতাও আদি শ্লোগান দাঙি ধৰিলে যাৰ ফলত বহুতেই গৈ কংগ্ৰেছত যোগ দিলেগৈ। কিন্তু তথাপিও তেওঁলোক তাত বেছিদিন নেথাকে।

(আপুনিও এই বিলাক দেখিয়েই কংগ্ৰেছত সোমাইছিলহি।)

মইও সোমাইছিলো সঁচা। কিন্তু সোমায়েই যিটো দেখিলো যে, তাত থকা টান হব। কাৰণ কথা আৰু কামৰ ভিতৰত বহুত প্ৰাৰ্থক্য আছে। নিৰ্ব্বাচনৰ মনোনয়ন পত্ৰও দিলে জমিদাৰৰ বোৱাৰীয়েকহে। সেইকাৰণেই মই তাৰ পৰা ওলাই গুছি অহাকে থিবাং কৰিলোঁ। এইবিলাকটো আমি সহ্য কৰিব নোৱাৰো।

শ্ৰীদেবেন বৰা—মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো পৰিয়ালৰ কথা কৈছে সেই পৰিয়ালৰে দেখোন তেখেতো এজন।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—প্ৰধানী মানে শৈল অঞ্চলৰ প্ৰধান। কিন্তু তাৰ জমিদাৰ সকলে প্ৰধানী উপাধি দিছে। এইটো ভালভাবেই দেখা গৈছে যে, ইন্দিৰা গান্ধী আকৌ নাহে। কাৰণ দেখা যায় যে, চাকি নুমাবৰ সময়ত ভালকৈ জ্বলি উঠে। সেইদৰে ইন্দিৰা গান্ধীও এতিয়া উজ্বল হৈ উঠিছে। আজি তেল কোম্পানী যদি ৰাষ্ট্ৰীয়কৰণ কৰা হয় তেনেহলে বহুতো মানুহৰ চাকৰি পোৱাত সুবিধা হব। আজি আমাৰ বেংক নেচনেলাইজ কৰা হৈছে যদিও এই কথা আমাৰ গাওঁৰ লোকসকলে বুজি পোৱা নাই তথাপিও গাওঁৰ লোক সকলৰ মাজত কিবা এটা ভাবৰ উদয় হৈছে। গতিকে তেল কোম্পানী, চাহবাগান আদি যদি জাতীয়কৰণ কৰা যায় তেনেহলে আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব পৰা হব। গতিকে মই এই সংশোধনী প্ৰস্তাৱটো উঠাই লবৰ কাৰণে দাবী কৰিছো।

Shri Suranjan Nandi—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবিশ্বনাথ উপাধ্যায় মহাশয় এবং আৰও ১১ জন সদস্য যে প্ৰস্তাব এই সদনে উত্থাপন

করেছেন আমি তাকে সমর্থন করি। আমার বন্ধু শ্রীকবীর রায় প্রধানী মহাশয় এই প্রসঙ্গে বিরোধীতা করে কংগ্রেস এবং কংগ্রেসী সরকারকে যে ভাবে সমালোচনা করেছেন আমি সেই সব আলোচনার কোন বিতর্কে না গিয়ে শুধু একটি কথা বলব যে, স্বাধীনতার পর, বিগত ২৫ বৎসরের পর বর্তমান কংগ্রেস সরকার এবং আমাদের বর্তমান মহান নেতৃ ভারতের প্রধানমন্ত্রী শ্রীমতী ইন্দিরা গান্ধীর নেতৃত্বে ভারতের কংগ্রেস সরকার এবং আসামের মুখ্যমন্ত্রীর নেতৃত্বে আসাম সরকার সমাজতান্ত্রিক ব্যবস্থা রূপায়ণের জন্য এবং গরিবী হটানোর জন্য উপযুক্ত পরিকল্পনা গ্রহণ করে তাকে বাস্তবায়িত করতে প্রচেষ্টা চালিয়ে যাছেন। ভারতের জনগণ তথা আসামের জনগণের এর প্রতি আস্থা আছে। বর্তমান নেতৃত্বের প্রতি তাদের বিশ্বাস আছে বলে বিগত সাধারণ নির্বাচনের সময় কংগ্রেস বিপুল ভোটাধিক্যে জয়লাভ করেছে। কাজেই, আজকে যে একথা বলা হয় যে, সরকারের উপর জনগণের বিশ্বাস নাই কিংবা জনগণের কাছে সরকারের কার্য্যকলাপ তুলে ধরা হবে—আমি বিশ্বাস করিনা জনসাধারণ তাতে প্ররোচিত হয়ে ভাববে সরকার কর্তব্য পালনে অক্ষম। তার প্রমাণ, এই কয়েক বৎসরে ভারত সরকার জমিদারী প্রথা উচ্ছেদ করেছেন, রাজন্যভাতা বিলোপ করেছেন, ব্যংক জাতীয়করণ করছেন, যে ভূমি সংস্কার, Urban Ceiling Act গরিবী হটানোর স্বপ্নকে বাস্তবায়িত করতে পারে কংগ্রেস সরকার সেটা করেছেন। কাজেই আজ যখন বিরোধী পক্ষের সদস্যগণ এই সব কথা বলেন তখন বাস্তবিকই দুঃখ হয়।

প্রশ্ন হলো, আসামের চা বাগান গুলি রাষ্ট্রীয়করণ সম্বন্ধে। চা বাগান রাষ্ট্রীয়করণ হউক এবং কংগ্রেস সরকারের বর্তমান নেতা আসামের মুখ্যমন্ত্রী একথা বলেন নি যে আসামের চা বাগানগুলি কোন দিনই রাষ্ট্রীয়করণ করা হবেনা, কিন্তু প্রশ্ন হলো, তার জন্য Process দরকার। কি ভাবে রাষ্ট্রীয়করণ করতে হবে, বাগানগুলির অর্থনীতি কি, কি ভাবে এই গুলি কার্যকরী হবে এবং সবদিক বিবেচনা করে সরকার সক্ষম কি না তা বিচার করতে হবে। ময়দানে দাড়িয়ে অনেক সহজে বড় বড় বুলি আওড়ানো যায় কিন্তু কার্যক্ষেত্রে তা অনেক কঠিন। আমরা মনে প্রাণে

বিশ্বাস করি যে আমাদের সরকার সমস্ত দিক বিবেচনা করে চা বাগান গুলি রাষ্ট্রীয়করণ সম্পর্কে সিদ্ধান্তে উপনতী হবেন। চা বাগান রাষ্ট্রীয়করণ হলে আমাদের রাজ্যের আর্থিক অবস্থার যে অনেক সুবিধা হবে সেটা আমরা বিশ্বাস করি এবং তার জন্য আমরা রাষ্ট্রীয়করণ চাই। কিন্তু তাই বলে রাতারাতি রাষ্ট্রীয়করণ করা সম্ভব নয়। তা উপযুক্ত ভাবে বিচার করে দেখবার জন্য কমিটী প্রয়োগ করার প্রয়োজন। তাই, আমরা সরকারকে অনুরোধ করবো যাতে এই ব্যাপারটায় ধীরে স্থিরে সিদ্ধান্তে আসেন, বক্তৃতা এবং সমালোচনায় অনুপ্রাণিত না হয়ে যেন সঠিক সিদ্ধান্তে উপনীত হতে পারেন। যদি প্রয়োজন হয় ২ বৎসর, ৫ বৎসর এমন কি ১০ বৎসরও যদি দেরীর প্রয়োজন হয় হোক। কিন্তু তা বিচার বিবেচনা করে দেখতে হবে। তার জন্য সময়ের দরকার। এরজন্য যে কমিটীর কথা বলা হয়েছে সেটাকে আমি সমর্থন করি।

শ্রীউপেন সনাতন—মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগান ৰাষ্ট্ৰীয়কৰণ সম্পৰ্কে এই যি প্ৰস্তাৱ অনা হৈছে সেইটো আমাৰ কংগ্ৰেছ পাৰ্টিৰ ফালৰ পৰা অনা হৈছে। আমাৰ এই চাহ আদি যদি ৰাষ্ট্ৰীয়কৰণ কৰা হয়, তেনেহ'লে আমাৰ দেশ শিল্পৰ ক্ষেত্ৰত বহুতো আগবাঢ়ি যাব। বিৰোধী দলৰ ফালৰ পৰা আমাৰ প্ৰধানী ডাঙৰীয়াই কিছুমান গান গাইছে "তানা নানা তানা" কিন্তু এই প্ৰস্তাৱটো কোনে আনিছে আৰু কি কৰিব লাগে, চাহবাগান ৰাষ্ট্ৰীয়কৰণ কৰাৰ অৰ্থ বুজি পোৱা নাই। মাত্ৰ তেওঁলোকে কংগ্ৰেছ পাৰ্টিক গালি দিব পাৰে আৰু বিৰোধী নেতা হৈ ডাঙৰ লেকচাৰ মাৰিছে গতিকে আচল কথালৈ নাহে। চাহ বাগান ৰাষ্ট্ৰীয়কৰণ কৰাৰ প্ৰশ্ন হৈছে যাতে আমাৰ সাধাৰণ লোক সকলে এইটো বুজি পাব পাৰে আৰু আমাৰ দেশৰ প্ৰগতিত বাধা নপৰে।

আজি চাহবাগান ৰাষ্ট্ৰীয়কৰণ কৰাৰ প্ৰস্তাৱ আহিছে, আমিও এই প্ৰস্তাৱৰ সমৰ্থন কৰিছো। চাহবাগান ৰাষ্ট্ৰীয়কৰণ কৰাৰ আগতে আমি এই কথাটো চাব লাগিব এই চাহবাগানবিলাক চলাইছে কোনে? চাহ-বাগানত লাখ লাখ মজদুৰ আছে, পোনতে সেই মানুহবিলাকক ইন্‌ভেষ্ট কৰাৰ কাৰণে চিন্তা কৰিব লাগে। চাহবাগান ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে

কংগ্রেছ দলো সাজু হৈ আছে। কিন্তু প্ৰথমতে চাহবাগানৰ মজদুৰ সকলৰ কাৰণে চিন্তা কৰিব লাগিব। তাত অনেক মানুহে মাকৰ সলনি জীয়েকক আৰু বাপেকৰ সলনি পুতেকে কাম কৰি হাজিৰা লৈ জীৱন নিৰ্বাহ কৰি আছে। কংগ্ৰেছ সদস্যই চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ কৰাৰ কাৰণে কৈ আছে কিন্তু তেওঁলোকে চৰকাৰক কেনেকৈ কৰিব লাগে তাৰ পৰামৰ্শ দিয়া নাই। তেওঁলোকে প্ৰথমতে তাৰ পৰামৰ্শ দিয়ক। চাহবাগান এখন চলাবৰ কাৰণে ট্ৰেনিংৰ দৰকাৰ। এই ট্ৰেনিং লোৱাৰ কাৰণে চৰকাৰক বিৰোধী দলৰ সদস্য সকলে পৰামৰ্শ দিয়ক এই কথা লৈ বিৰোধী দলে খিতা ঢোল বজালে নহয়।

যোৱা ২৫ বছৰে এই চৰকাৰে একো কৰা নাই বুলি বিৰোধী দলে মিছাতে চৰকাৰক দোষাৰোপ কৰিছে। এই ২৫ বছৰৰ ভিতৰত একো কৰা কেনেকৈ নাই? আগতে গোলাঘাটৰ পৰা শিলঙলৈ আহোতে তেনে কোনো ভাল ৰাস্তা নাছিল। কিন্তু এতিয়া যথেষ্ট সুবিধা হৈছে। আলিয়ে-পদুলিয়ে লাইট হৈছে, ঘৰে ঘৰে পাংখা হৈছে। তেন্তে এই চৰকাৰে আজি কৰা নাই কি? কংগ্ৰেছী চৰকাৰে নাই কৰা নাই কৰা বুলি কৈ পণ্ডিতালি কৰাৰ কোনো কাম নাই। আপোনালোকো পাব্লিকৰ সদস্য হৈ আহিছে আৰু আমিও পাব্লিকৰ সদস্য হৈ আহিছো। গতিকে আপোনা-লোকে যেনেকৈ ৰাইজৰ কাম কৰিবলৈ আহিছে আমিও তেনেকৈয়ে আহিছো। গতিকে ইয়াত আপোনালোকেই লেকচাৰ মাৰি থাকিলে নহব। চাহশিল্প আৰু তেলশিল্প ৰাষ্ট্ৰীয়কৰণৰ সম্পৰ্কে চৰকাৰক চাজেচন দিয়ক।

অধ্যক্ষ মহোদয়, আজি সদনৰ সকলো সদস্যই চৰকাৰী বা বিৰোধী পক্ষই হওঁক সকলোকে ৰাইজে নিৰ্বাচনৰ দ্বাৰা পঠিয়াই দিছে। টকাত দহ কিলো চাউল পাব লাগে বুলি বিৰোধী পক্ষই বক্তৃতা দিলেই ইয়াত টকাত দহ কিলো চাউল পোৱা নাযায়। চাহ বাগান বিলাবলৈ তেনেকৈয়ে কিছুমান পাৰ্টি গৈ কয় যে টকাত পাঁচ কিলো চাউল পাব লাগে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সংশোধনীৰ ওপৰত কৈছে নে, আন কিবা চাবজেক্টৰ ওপৰত কৈছে নে, বিৰোধী দলৰ ওপৰত ৰিমাৰ্ক দিছে?

শ্ৰীউপেন সনাতন—বিৰোধী দলে অহংশ্যে তেল কোম্পানী বা চাহ শিল্প জাতীয়কৰণ কৰাৰ বিৰোধীতা কৰা নাই বৰঞ্চ তেওঁলোকেহে প্ৰস্তাৱ আনিছে জাতীয়কৰণ কৰিব লাগে বুলি। বাইজে এতিয়া বিৰোধী দলে প্ৰস্তাৱ অনা কাৰণে ভাবিব পাৰে যে আচলতে বিৰোধী পক্ষই অনা প্ৰস্তাৱৰ বিৰোধীতা কৰিছে কংগ্ৰেছেহে। কিন্তু আচলতে সেইটো নহয়। মই কওঁ সেইটো নহয়। বিৰোধী দল বিলাকেও কিবা চাজেচ্‌শ্যন দিব পাৰে এই জাতীয়কৰণ কৰাৰ সম্পৰ্কত। আজি আমাৰ যি চাহ শিল্প সেই চাহ শিল্প জাতীয়কৰণ কৰিব লাগে। আজি চাহ বাগানত নিবনুৱা সমস্যাই দেখা দিছে, তাত খাদ্যৰ অভাৱ, মাটি নাই, বাৰী নাই সেই বিলাকলৈ আমি চকু দিব লাগে। কিয়নো আজি আমাৰ অৰ্থনীতি বহু পৰিমাণে চাহ বাগানৰ ওপৰত নিৰ্ভৰ কৰিছে। গতিকে অৰ্থনীতিৰ উৎস এই চাহ বাগানৰ প্ৰতি বা তাৰ বনুৱা সকলৰ প্ৰতি নিশ্চয় চকু কাণ দিব লাগে। আমাৰ চৰকাৰে কেৱল আজি সেই বিলাকৰ পৰা টেক্সহে তুলিছে। তাৰ বিনিময়ত তেওঁলোকক সহায় কৰিব পৰা নাই। বিৰোধী দল বিলাকে গৈ তাত অত্যাচাৰ কৰে কাবুলীৱালা বিলাকে বেছি পৰিমাণে সুদত টকা ধাৰে দি বাগানৰ কৰ্মী বিলাকক জুকলা কৰে। এই কাবুলীৱালা বিলাকৰ ভিতৰত অধিক সংখ্যক আছে বিহাৰী, বঙ্গালী আৰু আমাৰ দেশী অসমীয়া কাবুলী। মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি এই বিষয়ৰ প্ৰতি আকৰ্ষণ কৰিছো। নহ'লে কাবুলীৱালাৰ পৰা লোৱা দহ টকাত পোন্ধৰ দিনত দুই টকা সুদ লৈ তাৰ মানুহ বিলাকক জুকলা কৰিছে।

অধ্যক্ষ মহোদয়, ইণ্ডাষ্ট্ৰি বা তেনে ক্ষেত্ৰত লাভ-লোকচানৰ কথা আছেই। দুৰ্গাপুৰ বা ৰুৰকেল্লা বা ভিলাইটো লষ্ট হ'ব পাৰে কিন্তু তালৈ চালে নহ'ব। আমাৰ এই চাহ শিল্প আৰু দেশী-বিদেশী তেল কোম্পানী বিলাক জাতীয়কৰণ কৰিব লাগে বুলি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

বিধান সভাৰ সদস্য হৈ আহিলে কি হ'ব যদিহে দুই বিঘা মাটিতে খেতি কৰি দেখুৱাই দিব পৰা নাযায়। আজি আমাৰ ডেকা ল'ৰা বিলাকক প্ৰশিক্ষণ দিয়াব লাগে। চাহ বাগান বিলাক ইতিমধ্যে জাতীয়-কৰণ কৰি তাত প্ৰশিক্ষণ প্ৰাপ্ত ডেকা ল'ৰাক কামত নিয়োগ কৰিব

লাগে তাৰ দ্বাৰা আমাৰ নিবনুৱা সমস্যা সমাধান হোৱাতো সহায় হ'ব। তেতিয়া চাহ শিল্প আমাৰ হাতলৈ সম্পূৰ্ণ আহি যাব।

নিবনুৱা সমস্যা সমাধানৰ লগতে আমাৰ হাতলৈ যদি চাহ শিল্পটো আহি যায় তেতিয়াহ'লে ই আমাৰ অৰ্থনীতিত ডাঙৰ সহায়ক হ'ব।

আমাৰ অসমত তেলৰ অভাৱ নাই। ডিগবৈৰ তেলে আমাৰ বহুত বিদেশী মুদ্ৰা আনিব পাৰে। তাৰ কাৰণে আমাৰ ঐকান্তিকতা আমাৰ ফালৰ পৰা কোনো কোনো এজনক ট্ৰেইনিং দি অনাব লাগে। আমি চৰকাৰক পৰামৰ্শ দিব লাগে। বিৰোধী দলবোৰেও কেৱল চৰকাৰৰ ভুল ত্ৰুটি আঙুলিয়াই দিয়েই ক্ষান্ত নাথাকি দিহা-পৰামৰ্শ, চাজেচ্চন আদি দিব লাগে। তেল কোম্পানী আৰু চাহ কোম্পানী বিলাক জাতীয়কৰণ কৰি স্থানীয় ট্ৰেইনিং প্ৰাপ্ত ডেকা ল'ৰাক তাত নিয়োগ কৰিলে লাহে লাহে আমাৰ নিবনুৱা সমস্যাও আতৰি যাব আৰু তেতিয়াহে আমাৰ দেশৰ পৰা আতৰি যোৱা বৈদেশিক মুদ্ৰা আমাৰ দেশতেই থাকি যাব।

সেই কাৰণে আমি কি কৰিলে আমাৰ সংশোধনী প্ৰস্তাৱটো কাৰ্য্যকৰী হ'ব সেই বিষয়ে আমাৰ বিৰোধী পক্ষও দিহা-পৰামৰ্শ আদি দিয়া উচিত। এই সংশোধনী প্ৰস্তাৱটো মানি লৈ আমাৰ চৰকাৰে যাতে শীঘ্ৰগতিত কাম কৰি যাব পাৰে তাৰ বাবে সকলোৱে চৰকাৰক সহায় কৰা উচিত। তেতিয়াহে চৰকাৰে সকলো কাম অনতিপলমে কৰিব পাৰিব। কিন্তু এই চাহ বাগিচা আৰু তেল কোম্পানী বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিবৰ কাৰণে কি কি কাম হাতত লব লাগিব সেইটো ভালকৈ মনোযোগ দিব লাগিব। আমাৰ এই উদ্যোগ বিলাক ৰাষ্ট্ৰীয়কৰণ হ'লে আমাৰ দেশৰ নিবনুৱা সমস্যাও কমি যাব আৰু কি কৰিলে আমাৰ ৰাজ্যৰ নিবনুৱা সমস্যা দূৰ কৰিব পাৰি তাৰ বাবে উপদেশ দিবলৈ সদনৰ সকলো সদস্যকে অনুৰোধ কৰিলো।

**Re : Group Photograph of Members**

Mr. Speaker—A photographer has been arranged to take the photograph of the hon. Members in the House after the prorogation.

শ্ৰীহুলাল চন্দ্ৰ খাউণ্ড—মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনীটোৰ বিৰুদ্ধে দুষাৰ কব খুজিছো। এই সংশোধনীটোৰ বিৰুদ্ধে ক'বলৈ যাওতে আমি স্বীকাৰ কৰিব লাগিব এই সংশোধনীৰ ভাষা যিজনে লিখি উলিয়াইছে তেওঁক নমস্কাৰ জনাইছো। কাৰণ ভাষাৰ খেল খেলি মূল সমস্যাৰ পৰা কেনেকৈ আঁতৰাই নিব পাৰে, কেনেকৈ সমস্যাত চেচা পানী ঢালিব পাৰে ইত্যাদিৰ বুদ্ধিমানৰ পৰিচয় এই লিখক জনে দিছে।

এই সংশোধনীটো দিয়াৰ আচল উদ্দেশ্য কি ? আৰু তাৰ চেহেৰাটো চাই লওক। সিদিনাখন মাননীয় সদস্য মীৰ চাহাবে কৈছিল—বগা চাহাব বিলাক অসমত থকা হলেই ভাল আছিল। তাৰ পিচত মাননীয় সদস্য শ্ৰীনন্দি আৰু শ্ৰীসনাতন ডাওৰীয়াই যিখিনি কথা ক'লে তাত আচল চৰিত্ৰটো ওলাই পৰিছে। বিৰোধী সদস্য সকলে ঢোল বজাইছে বুলি গালিও পাৰিছে। এটা ৰাষ্ট্ৰীয় নীতিৰ কাৰণে লাখ লাখ শ্ৰমিকৰ কাৰণে আমাৰ দেশখনৰ অৰ্থনীতি গঢ়ি তোলাৰ কাৰণে ঢোল বজাবলৈ বিৰোধীপক্ষই লাজ নকৰে। আজি ইন্দিৰা গান্ধীৰ শপত খাই বিলাতী কোম্পানীক ঢোল বজাবলৈ দিয়াটো লাজৰ কথা। আজি চাহবাগিছাৰ বনুৱা সকলে চাউল ভজা খাই কাম কৰিছে। বিলাতী কোম্পানীৰ জয়ঢোল বজাবলৈ কংগ্ৰেছী সদস্যই সংকোচ বোধ নকৰে। আনহাতে সমাজতন্ত্ৰৰ কথা কয়। সেই কাৰণে বিৰলাৰ ঢোল বজায়। যোৱা নিৰ্ব্বাচনত চহৰীয়া কোম্পানীৰ পৰা কোনোবাই ৬০ হাজাৰ, কোনোবাই ৪০।৩০ হেজাৰ টকা আনিছিল। বিৰোধী পক্ষৰ মানুহে টকা লোৱা নাই। যদি তেওঁলোকে বিলাতী কোম্পানীৰ ঢোল নবজায় তেন্তে ষ্টিয়েট গাড়ী আৰু এম্‌বেচেডৰ গাড়ীত উঠা বন্ধ হৈ যাব। সেই কাৰণে এই সংশোধনীটো কংগ্ৰেছে সমৰ্থন কৰিছে। যোৱা ২৫ বছৰৰ বিধানসভাৰ প্ৰচিডিং চোৱা যাওক। চাহ বাগিছা, তেল কোম্পানী আৰু অন্যান্য বিলাতী কোম্পানী জাতীয় কৰণ কৰাৰ কাৰণে কংগ্ৰেছ পক্ষৰ পৰা কেইটা প্ৰস্তাৱ আহিছে। কিমানবাৰ বিৰোধী পক্ষৰ পৰা অহা এই প্ৰস্তাৱবোৰ কংগ্ৰেছে সংখ্যা গৰিষ্ঠ দলৰ ভোটৰ দ্বাৰা পৰাজিত কৰি বিলাতী কোম্পানীবিলাক ৰক্ষা কৰিছে। অসমৰ বুকুত বিলাতী কোম্পানীক

কোনে ৰক্ষা কৰিছে ? যোৱা ২৫ বছৰৰ ভিতৰত ১৯৬৭ চনত মাৰ খাই খাই বেংক জাতীয়কৰণ কৰিছে। ১১ খন ৰাজ্যত কংগ্ৰেছ চৰকাৰ উঠি গৈছিল, তেতিয়াহে জাতীয়কৰণৰ কথা আহিছে। জেনেৰেল ইঞ্চুৰেন্স কোম্পানীক দিয়া হৈছিল ১৩ কোটি টকা, কিন্তু দয়া কৰি ৩৭ কোটি দিয়া হ'ল ৰাজন্য ভাট্টা উঠাই দি ডেৰ কোটি টকা কৰি দিয়া হৈছে। বেংক ৰাষ্ট্ৰীয়কৰণ কৰাত আমি অভিনন্দন জনাইছিলো। জেনেৰেল ইঞ্চুৰেন্স ৰাষ্ট্ৰীয়কৰণ কৰাত সমৰ্থন জনাইছিলো আৰু ভৱিষ্যতেও ৰাষ্ট্ৰীয়কৰণ কৰিলে অভিনন্দন জনাম।

শ শ বছৰ ধৰি বিলাতী কোম্পানীবোৰে ভাৰতক শোষণ কৰি আছে। চাহ বাগিছাৰ সম্পৰ্কত মাননীয় সদস্য শ্ৰীউপেন সনাতনে আহ্বান কৰিছে। মই ব্যক্তিগতভাবে বিৰোধীপক্ষৰ সদস্য হিচাবে এইটো কথা ক'ব পাৰো যে চাহ বাগান সম্পৰ্কে ট্ৰেইনিং ক্লাচ খুলি উপেন সনাতন যদি প্ৰফেচাৰ হয় তেন্তে মই তাত নাম ভৰ্ত্তি কৰিবলৈ ৰাজী আছো।

(হাঁহাকাৰ)

এতিয়া প্ৰশ্ন আহিছে ৰাজ্যিক চৰকাৰে চাহ বাগিছাবোৰ জাতীয়কৰণ কৰিব পাৰেনে নোৱাৰে ? সংবিধানমতে ৰাজ্যিক চৰকাৰে জাতীয়কৰণ কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে জাতীয়কৰণ কৰিব লাগিব। অসম, পশ্চিমবঙ্গ আৰু কেৰেলা ইত্যাদি ঠাইত যিবিলাক চাহ বাগিচা আছে সেইবিলাক ৰাজ্যিক চৰকাৰে জাতীয়কৰণ কৰিব নোৱাৰে। মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰাই যিটো প্ৰস্তাব আনিছিল—সেইটো হ'ল—এই সদনৰ এটা নীতিগত অভিমত কেন্দ্ৰীয় চৰকাৰক জনাব লাগে। সদনৰ মত নীতিগত ভাবে চাহ বাগিছাসমূহ জাতীয়কৰণ কৰা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰক জনাব লাগে : কিন্তু সংশোধনীটোৰ ভাষা মন কৰিলে দেখিবলৈ পাব যে—"কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়া হওঁক" ৰ ঠাইত "কৰাৰ বিভিন্ন দিশ অনুসন্ধান, অধ্যয়ন আৰু পৰীক্ষা কৰি কেন্দ্ৰীয় চৰকাৰলৈ সুচিন্তিত অভিমত জ্ঞাপন কৰাৰ উদ্দেশ্যে অসম চৰকাৰক পৰামৰ্শ দিবলৈ ৭ জনীয়া সদস্যৰে কমিটি গঠন কৰিবলৈ অসম চৰকাৰক ভাৰ দিয়া হওঁক।" পৰামৰ্শৰ পৰামৰ্শ। তাৰ পিচত সেই পৰামৰ্শক

আকৌ পৰামৰ্শ দিবৰ কাৰণে আকৌ এটা নতুন কমিটি। সেই কমিটিক পৰামৰ্শ দিবলৈ ৰাজ্যিক চৰকাৰক ভাব দিয়া হওঁক। ইয়াৰ উদ্দেশ্য কি? প্ৰথম কথা হৈছে, ই ৰাজ্যিক চৰকাৰৰ এক্তিয়াৰৰ বাহিৰত। অসম চৰকাৰে জাতীয়কৰণ কৰিব নোৱাৰে। ৰাষ্ট্ৰীয়কৰণ কেন্দ্ৰীয় চৰকাৰে কৰিব। মুঠতে যিটো দেখা গৈছে—আমাৰ চৰকাৰে "গাড়ীখন আগত আৰু ঘোড়াটো পিছত জুতি দিয়াৰহে" ব্যৱস্থা কৰিছে। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আমি পোনপটীয়া ভাৱে এই শাসনত অধিষ্ঠিত কংগ্ৰেছ দলক আমি সুধিব খুজিছোঁ, নীতিগত ভাবে তেখেতসকলে এই কথাটো মানি লব পাৰিছেনে নাই? কেন্দ্ৰীয় চৰকাৰক অসম চৰকাৰে পোনপটীয়া কৈ অসমৰ এই সম্পদ দুটাক ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে বুলি কৈ দিয়াত আপত্তি কি? তাকে নকৰি কমিটিৰ ওপৰত কমিটি, পৰামৰ্শৰ ওপৰত পৰামৰ্শ, পৰামৰ্শ আকৌ ৰাজ্যিক চৰকাৰক দিব—এইবিলাক কোৱাৰ প্ৰয়োজন কি? এই বিধান সভাতে সৰ্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়া হওঁক বা অনুৰোধ কৰা হওঁক, তেতিয়াহলে, ৰাজ্যিক চৰকাৰে মাননীয় সদস্য শ্ৰীসনাতন ডাঙৰীয়াৰ নিছিনা মানুহক লৈ এখন কমিটি কৰিব পাৰে। এই কমিটিয়ে চাহ-বাগিছাৰ বিভিন্ন দিশ অনুধাৱন কৰি চৰকাৰক পৰামৰ্শ দিয়ক। নীতিগত ভাৱে চৰকাৰে এইটো গ্ৰহণ কৰেনে নকৰে? কোনে বিৰোধীতা কৰে বা নকৰে সেইমতে তাৰ লগত সামঞ্জস্য ৰাখি যাতে মানি চলিব পাৰি তেনে এটা নীতিকে মানি লোৱা হয়নে নহয়?

শ্ৰীউপেন সনাতন—মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে, মোৰ চাহ-বাগিছা সম্পৰ্কে বিভিন্ন অভিজ্ঞতা আছেনে নাই? মই সুধিছো তেখেতক, তেখেতৰ এইটো অভিজ্ঞতা আছেনে নাই যে, চাহবাগিছাৰ লাখ লাখ মজদুৰৰ কেনেকুৱা সমস্যা কিমান মজদুৰ নিবনুৱা হৈ পৰি আছে, তাত যে মজদুৰৰ অৱস্থা তেনেই কাহিল সেইটোৰ অভিজ্ঞতা এই মাননীয় সদস্য জনৰ বা সদস্য সকলৰ আছেনে?

( গোলমাল )

শ্ৰীহলাল চন্দ্ৰ খাউণ্ড—আজি আমি জাতীয়কৰণৰ প্ৰচেছ থিক কৰিবলৈ ইয়াত বহাহি নাই। যদি জাতীয়কৰণৰ প্ৰচেছ থিক কৰিবলগীয়া হয় বা এনেকুৱা অন্যান্য বিলাক কাম জাতীয়কৰণৰ পৰিপ্ৰেক্ষিতত কৰিব লগীয়া হয়, তেন্তে সেইবিলাক কৰিব কেন্দ্ৰই। এইটো আমাৰ সদনৰ কথা নহয়। এজন মাননীয় সদস্যই কাঁৱা প্ৰচেছৰ উত্তৰত মই কওঁ যে, এইটো এটা নীতিগত প্ৰশ্ন। সেইবুলি সদায়েই শোষণকাৰী বিলাকক শোষণ কৰি থাকিবলৈকেই দিব নেকি? মই কেতিয়াও বাস্তৱক অস্বীকাৰ নকৰো। যোৱা ১৯৭২ চনৰ নিৰ্ব্বাচনত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে দিয়া প্ৰতিশ্ৰুতিত ৰাইজৰ ভোটৰ বিপুল সংখ্যাধিক্যত কংগ্ৰেছ দল শাসনৰ গাদীত বহিল। মানি লৈছো আমিও ৰাইজৰ সেই সিদ্ধান্ত। কিন্তু এইটো কথাও আমি এইখিনিতে সকিয়াই থোৱা ভাল হব যে, এই ১৯৭২ চন সদায় নাথাকে, মানুহৰ পৰিবৰ্ত্তন হয়. চিন্তাধাৰৰ পৰিবৰ্ত্তন হয়, হয় পৰিবৰ্তন মানুহৰ চেতনাৰো। ১৯৭২ চনতে যদি ২০ বছৰ খাম বুলি আমাৰ শাসনত অধিষ্ঠিত দলে ভাবিছে তেতিয়াহলে, কংগ্ৰেছ চৰকাৰৰ দিবাস্বপ্নৰ হে উদয় হৈছে। 'পুৰণিৰ মূলধন' লৈ কেতিয়াও চিৰকাল খাই থাকিব নোৱাৰি। যোৱা কেইবছৰৰ ভিতৰত আমি কি দেখিছো? জাতীয়কৰণৰ প্ৰতিশ্ৰুতি দিছিল, সমাজতান্ত্ৰিকতাৰ প্ৰতিশ্ৰুতি দিছিল, 'অন্যাও হতাও', 'গৰিবী হতাও'ৰ প্ৰতিশ্ৰুতি দিছিল আৰু এতিয়া দেখিছো মানি লৈছে টাটা, বিৰলা, ডালমিয়া আদি পুঁজিপতি গোষ্ঠীৰ স্মাৰক-পত্ৰও।

শ্ৰীমহীতোষ পুৰকায়স্থ (মন্ত্ৰী)—কোনে মানি লৈছে?

শ্ৰীহুলাস চন্দ্ৰ খাউণ্ড—কেন্দ্ৰীয় উদ্যোগ উন্নয়ণ দপ্তৰৰ কেবিনেট মন্ত্ৰী শ্ৰীচি, চুব্ৰামনিয়ামৰ বিবৃতি পঢ়িব। অত্যন্ত দুখ পাইছো যে. অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী গৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীয়ে দিয়া বিবৃতিও পঢ়ি চোৱা নাই। ইয়াতকৈ আৰু দুখৰ কথা নাই। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত 'জইণ্ট-চেক্টৰৰ' কথা মানি লৈছে। মাননীয় মন্ত্ৰী গৰাকীয়ে যে এইটো নাজানে মই জনাই নাছিলো। কেন্দ্ৰীয় চৰকাৰৰ নতুন নীতিমতে ঘোষনা কৰিছে যে, "Open up new areas to in-

dustrial houses for development of back ward areas." এই কথাটো প্ৰধান মন্ত্ৰী শ্ৰীমতী গান্ধীয়ে কৈছে। সমাজবাদ, অন্যায় হতাও, গৰিবী হতাও আদি প্ৰতিশ্ৰুতিৰ পিছত এইয়া কি হৈছে ? মাত্ৰ তিনিদিনৰ আগতে আমি দেখিছো তিনি লাখ মানুহে বিহাৰৰ বিধান সভা ঘেৰাও কৰে, ১২ হেজাৰ শিক্ষকে বিহাৰ সচিবালয়ৰ সকলো কাম কাজ একেবাৰে বন্ধ কৰি পেলায়। মাননীয় সিটো পক্ষৰ সদস্য সকলে অহংকাৰ কৰাৰ আগতে, ১৯৭২ চনৰ জয়ঢোল বজোৱাৰ আগতে এই-বিলাক এবাৰ চাই লওঁক—লক্ষ লক্ষ মানুহে কিয় ৰাজ্যৰ বিধান সভা আৰু সচিবালয়ৰ কাম-কাজ এইদৰে বন্ধ কৰি পেলাইছে। দূৰলৈ যাবা নেলাগে। নিজৰ ৰাজ্যৰ শিৱসাগৰ নগাৰিৰ নিৰ্ব্বাচনৰ কথাই জলপট্ পট্কৈ ওলাই আছে। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তেই চৰকাৰী পক্ষক বাতৰি কাগজত সেইবোৰ পঢ়িবলৈ অনুৰোধ জনাইছো। কংগ্ৰেছক গালি পৰাই আমাৰ উদ্দেশ্য নহয়। এইবোৰ আমি বাস্তৱৰ কথাহে কঁহিয়াইছো।

আজি আমাৰ চৰকাৰে এই সংশোধনী প্ৰস্তাৱটো অনা মানে জানো অৰ্থ এইটোৱেই নহয় যে, আমাৰ ৰাজ্যত থকা দেশী বিদেশী তেল-কোম্পানী আৰু চাহবাগিছাবোৰক আৰু দীঘলীয়া 'লীজ' দিয়াৰহে ব্যৱস্থা হওঁক। আমাৰ শ্ৰীসনাতন ডাওৰীয়াইও জানো তাকেই কোঁৱা নাই ? জোলোঙাৰ মেকুৰী বাহিৰ হৈছে। তিনিজন সদস্যৰ জোলোঙাৰ মেকুৰী একেগোটতে ওলাইছে। এতিয়া আমি মুখ্যমন্ত্ৰীৰ জোলোঙাত কি আছে সেইটোহে জানিবলৈ বিচাৰিছো। আমি এইটো কোঁৱা নাই যে একেৰাতিৰ ভিতৰতে দেশী-বিদেশী তেলকোম্পানী আৰু চাহকোম্পানী বোৰ জাতীয়কৰণ কৰা হওঁক। আমি মাত্ৰ আমাৰ বিৰোধী পক্ষৰ সীমিত জ্ঞানেৰে এইটোহে দাবী কংগ্ৰেছী দলক কৰিছো যে,—যদিহে এ, আই, চি, চি-ৰ বিজলিউচনৰ, প্ৰতি, নাগপুৰ, ভুৱনেশ্বৰ, বোম্বেইত বহা কংগ্ৰেছ অধিবেশনৰ প্ৰতি তেখেতসকলৰ আনুগত্য আছে। আই, এন, টি, ইউ, চিৰ প্ৰতি বা নিৰ্ব্বাচনৰ সময়ত দিয়া ঘোষণাৰ প্ৰতি তেখেতসকলৰ আনুগত্য আছে তেনেহলে, আমি অনুৰোধ কৰিছোঁ

নীতিগত ভাবে এই সংশোধনীটো প্ৰত্যাহাৰ কৰক। আৰু যদিহে আপোনালোকে বিৰোধী পক্ষৰ পৰা অনা বুলি ভাবিয়েই এই বিজলি-উচনটো সমৰ্থন কৰিবলৈ টান পাইছে তেনেহলে, প্ৰকাশ্যেই এইটো ব্যক্ত কৰি আপোনালোকেই এনেধৰণৰ এটা প্ৰস্তাৱ আনিলে আজি এইটো প্ৰত্যাহাৰ কৰিবলৈ সন্তষ হৈ আছো। আপোনালোকেই এই দেশী-বিদেশী তেল কোম্পানী আৰু চাহ বাগিছাবিলাকৰ ৰাষ্ট্ৰীয়কৰণৰ ব্যৱস্থা কৰক। এই খিনিকে কৈ মূল প্ৰস্তাৱটোৰ সমৰ্থন কৰি আৰু চৰকাৰী পক্ষই অনা সংশোধনী প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ সন্মুখত যিটো বিষয় আলোচনা কৰা হৈছে এই প্ৰস্তাৱৰ সন্দৰ্ভত কংগ্ৰেছী ১০ জন সদস্যই যি সংশোধনী দিছে মই সেই সংশোধনীৰ বিৰোধিতা কৰি মূল প্ৰস্তাৱটো সমৰ্থন কৰি এই কথাই ক'ব বিচাৰিছো যে আজি চৰকাৰে যি নীতিৰ কথা ঘোষণা কৰিছে আৰু এই ঘোষিত নীতিৰ কথা প্ৰচাৰ কৰিয়েই চৰকাৰে একাধিক ভোটত জয়লাভ কৰি তেখেত সকল ক্ষমতাত বহিছে। কিন্তু তেখেত সকলৰ যি ঘোষিত নীতি 'সমাজবাদ' সেই সমাজবাদৰ যি আচল নীতি সেই নীতি প্ৰকৃততে তেখেত সকলে পালন কৰা নাই বৰং তাৰ বিপৰীতেহে কাম কৰিছে। আজি যিবিলাক সম্পদৰ জৰিয়তে দেশখনৰ সম্পদ আহৰণ কৰা হয় আৰু যিবিলাক সম্পদৰ দ্বাৰা দেশখনৰ অৰ্থনীতিত বহুল প্ৰভাৱ বিস্তাৰ কৰিব পাৰি সেই সম্পদেই আজি অসমত সৰবৰাহ হৈ আছে। তাৰ ভিতৰত অসমৰ তেল আৰু চাহশিল্প, অথচ এই তেল আৰু চাহশিল্পকে আজি ২৫ বছৰ ধৰিও ৰাষ্ট্ৰীয়কৰণ কৰিবৰ কাৰণে চেষ্টা কৰা নহ'ল। আজি যেতিয়া ক্ষমতাত অধিষ্ঠিত দলে সমাজতন্ত্ৰ ৰচনাৰ কথা কবলৈ বিচাৰিছে আৰু সমাজতন্ত্ৰৰ পথত নিজকে আগুৱাই নিবলৈ চেষ্টা কৰিছে তেনেস্থলত সমাজতন্ত্ৰ গঠন কৰিবলৈ হ'লে দেশখনৰ অৰ্থনীতি টনকিয়াল কৰিব লাগিব আৰু তাকে কৰিবলৈ হ'লে দেশৰ বিৰাট সম্পদ সমূহ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব। কিন্তু তাকে নকৰি তেখেত সকলে যি সংশোধনী আনিছে তাৰ দ্বাৰা চৰকাৰৰ আচল ৰূপটোহে ওলাই পৰিছে। আজি দেশখনৰ এই দুই বৃহৎ শিল্প তেল

আৰু চাহ শিল্পৰ বজাৰ বিদেশীৰ হাতত আছে। চাহ শিল্পৰ অধিকাংশই বিদেশীৰ হাতত আৰু পুঁজিপতি সকলৰ হাতত আছে। বছৰ বছৰ ধৰি সেই সকলৰ শোষণত পৰিয়েই অসমৰ অৰ্থনীতি জুৰুলা হৈ পৰিল, এই সকলৰ শোষণত পৰিয়েই অসমৰ লাখ লাখ লোক, অসমৰ জনসাধাৰণ গৰীব হৈ পৰিল। অথচ তেখেতসকলৰ শোষিত নীতি আছিল দেশখনত সমাজতন্ত্ৰৰ ভৱিষ্যত বুনিয়াদ ৰচনা কৰা, কিন্তু দেখা গ'ল প্ৰকৃততে দুখীয়া গৰীব জনসাধাৰণৰ ওপৰত শোষণহে চলাইছে। আজি অসমৰ অৰ্থনীতিক চহকী কৰিবলৈ হ'লে এই দুই বৃহৎ চাহ আৰু তেল শিল্পৰ ওপৰত বেচিকৈ নিৰ্ভৰ কৰিছে সেয়েহে এই দুটা শিল্পকে ৰাষ্ট্ৰীয়কৰণ কৰিবৰ কাৰণে প্ৰস্তাৱ অনা হৈছিল, সেই প্ৰস্তাৱৰ পৰামৰ্শ সমূহ কেন্দ্ৰীয় চৰকাৰেও মানি লৈ এই দুটা তেল আৰু চাহ শিল্প ৰাষ্ট্ৰীয়কৰণ কৰাৰ ক্ষেত্ৰত যিবিলাক অন্তৰায় আছে তাক দূৰ কৰাৰ অনুসন্ধান কৰাৰ আশ্বাস দিছে।

এই সংশোধনী প্ৰস্তাৱত ক'ব বিচৰা হৈছে যে এই দুটা শিল্প ৰাষ্ট্ৰীয়-কৰণ কৰাৰ কাৰণে অসম চৰকাৰে গোটেইবিলাক অৱস্থা আৰু তাৰ খুটি-নাটি কেন্দ্ৰীয় চৰকাৰলৈ পৰামৰ্শ দিব, অথচ ৰাষ্ট্ৰীয়কৰণৰ কাৰণে যিখিনি আৱশ্যকীয় পৰামৰ্শ সেই সকলো খিনি পূৰ্বৰ মূল প্ৰস্তাৱতে আছে, আৰু সেই প্ৰস্তাৱকে তদন্ত কৰি যিটো উপযুক্ত সেইটোৰ মতামত কেন্দ্ৰীয় চৰকাৰে লব। গতিকে সেই ক্ষেত্ৰত কংগ্ৰেছ দলৰ পৰা আকৌ পৰামৰ্শ দিবৰ কাৰণে সংশোধনী কিয় অনা হৈছে সেইটো কব নোৱাৰো। মই আশাকৰো আমাৰ ৰাজ্যখনৰ অৰ্থনীতিৰ স্বাৰ্থলৈ দৃষ্টি ৰাখি তেখেতসকলে তেখেতসকলৰ ঘোষিত নীতিক যদি সন্মান প্ৰদৰ্শন কৰিবলৈ বিচাৰে তেতিয়াহ'লে তেখেতসকলৰ সংশোধনী প্ৰস্তাৱটো উঠাই লব আৰু মূল প্ৰস্তাৱটো সমৰ্থন কৰিব। ইয়াকে মই মাননীয় সদস্য সকলক আহ্বান জনাই মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ—মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোৰ আজি ইয়াত যিটো সংশোধনী দাঙি ধৰা হৈছে এই সম্বন্ধে মই খুব চমুকৈ দুষাৰমান ক'ব বিচাৰিছো। আমাৰ এই বিধান সভাতে এক বছৰ আগতে ২য় তেল শোধানাগাৰ অসমত স্থাপন কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ গ্ৰহণ

কৰা হৈছিল আৰু সেই তেল শোধানাগাৰ ৰাজহুৱা খণ্ডতহে স্থাপন কৰাৰ কাৰণে দাবী তোলা হৈছিল আৰু সৰুকৈ হ'লেও জনসাধাৰণৰ আন্দোলনৰ ফলস্বৰূপে এটা তেল শোধানাগাৰ স্থাপন কৰা হৈছে, সেইটো কোনো ব্যক্তিগত মালিকৰ দ্বাৰা পৰিচালিত হোৱা নাই বা সেই সময়ত এই তেল শোধানাগাৰ প্ৰাইভেট চেক্টৰত হ'ব লাগে বুলি কোনো দাৱী এই সদনত কোনেও উত্থাপন কৰা নাছিল বা ৰাজহুৱা খণ্ডত এই তেল শোধানাগাৰ স্থাপন কৰিবৰ কাৰণে কিছু পলম কৰিব লাগে সেইটো কথাও তাত নাছিল। আজি অসমৰ চাহ বাগিছা আৰু তেল কোম্পানীবোৰ ৰাষ্ট্ৰীয়কৰণ পলম কৰাৰ এটা অপকৌশল হিচাবেহে এই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰা হৈছে বুলি মই ভাবো। অধ্যক্ষ মহোদয়, অসমৰ চাহবাগিছা আৰু তেল কোম্পানীবোৰৰ সম্বন্ধে ক'বলৈ গ'লে বহু কথাই ক'ব পাৰি। মই জনা মতে আজি এই বিদেশী তেল আৰু চাহ কোম্পানীবোৰে অসমত কেৱল শোষণৰ আড্ডাই সুদৃঢ় কৰাই নহয় এইবিলাকে দেশখনত বিভিন্ন কোনত, বিভিন্ন স্তৰত চি. আই. এ. হিচাবেও কাম কৰিছে।

অসমত এই দুটা বৃহৎ শিল্পৰ ৰাষ্ট্ৰীয়কৰণ কৰাত যিবিলাক অৰ্থনৈতিক দিশ আছে সেই সম্বন্ধে মই দুষাৰমান ক'ব বিচাৰিছো। আজি অসমত যিটো ৰাজ্যিক আয় বা ষ্টেট ইনকাম সেই ৰাজ্যিক আয়ৰ ভিতৰত ৫২.৫ কোটি টকাই কেৱল এই চাহ বাগিচাবোৰৰ পৰাই আহে। অথচ আজি আমাৰ নিচিনা এখন দুখীয়া ৰাজ্যই যেতিয়া টকাৰ অভাৱত ৰাজ্যখনৰ কোনো উন্নয়নমূলক কাম হাতত লব পৰা হোৱা নাই, অকল সেয়ে নহয় আনকি টকাৰ অভাৱত ৰাজ্যখনৰ চৰকাৰে এতিয়া আমাৰ আটাইতকৈ দুখীয়া দুৰ্বল গড়কপ্তানী বিভাগৰ কৰ্মচাৰী সকলক চাকৰীৰ পৰা বৰ্খাস্ত কৰিছে, স্কুল কলেজৰ শিক্ষক সকলৰ কোনো এটা দাবীয়েই পূৰণ কৰিব পৰা নাই। হাজাৰ হাজাৰ মানুহ অৰ্থনৈতিক নিষ্পেষণত জুৰুলা হৈ পৰিছে আজি টকাৰ অভাৱত।

আনফালেদি আমি দেখিছো আজি আমাৰ ৰাজ্যখনে যিমান টেক্স দিছে সেই অনুপাতে ভাৰতৰ কোনো ৰাজ্যই সিমান টেক্স দিয়া নাই। ইয়াত পাৰকেপিটা টেক্স ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ বেছি, এনে অৱস্থাত

চৰকাৰে এটা সাহসিক দৃঢ় পৰিকল্পনাৰে আঁচনি লৈ তাৰ দ্বাৰা ৰাজ্যখনৰ উপাৰ্জনৰ পথ বহুগুণে বৃদ্ধি কৰিব পাৰিলেহেঁতেন। আজি যদি ৰাজহুৱা খণ্ডত এই চাহবাগিছা সমূহ লোৱা হয়, কেৱল তাৰ পৰাই ৫২.৫ কোটি টকা উপাৰ্জন হ'ব। মাননীয় সদস্য শ্ৰীসনাতন ভাণ্ডাৰীয়াই বহু কথাই আলোচনা কৰিছে; আজি চাহ বাগিচা সমূহৰ পৰাই যি মুঠ ৫২.৫ কোটি টকা উপাৰ্জন হয়, সেই সমুদায় বিদেশী পুঁজিপতি ব্যক্তিগত মালিক সকলে আত্মসাৎ কৰি আছে।

( গণ্ডগোল )

এই ব্যক্তিগত পুঁজিপতি মালিক সকলে আজি দুখীয়া অসমীয়া ৰাইজৰ কেঁচা তেজখিনিও সুহি নিছে, এই চাহবাগানৰ উপাৰ্জনৰ সুবিধা লৈয়ে সাম্ৰাজ্যবাদী পুঁজিপতি সকলৰ দালালী কৰিছে অসম চৰকাৰে। এই তথ্যপাতি মোৰ নিজৰ নহয়, চৰকাৰৰ ষ্টেটিছটিক্সৰ পৰাই দিছো, ইকনমিক চাৰ্ভে ১৯৭১ চনৰ ৰিপৰ্টৰ পৰা উদ্ধৃতি দিছো। অসমৰ মুঠ আয় এই শিতানত প্ৰায় ৫২.৫ কোটি টকাই কেৱল চাহবাগিছা সমূহৰ পৰাই আহে আৰু এই সমুদায় টকা বিলাক বিদেশী সাম্ৰাজ্যবাদী, পুঁজিপতি ব্যক্তিগত মালিকসকলে আত্মসাৎ কৰি আছে। এই কথা মই জোৰ দি কব বিচাৰিছো।

তেখেতে বন্ধুৱা সকলৰ এজন নেতা হৈ সাম্ৰাজ্যবাদী বিলাকৰ দালালী কৰিছে। মই ষ্টেটিচ্ টিকচ্ দিছো, মিছা কথা কোঁৱা নাই। অসম চৰকাৰৰ ইকনমিক চাৰ্ভেৰ ১৯৬১ চনৰ ৰিপোৰ্ট মতে আমাৰ জাতীয় আয় ৫২.৫ কোটি টকা চাহ বাগিছা বিলাকৰ পৰা পোৱা হয়। এই টকাৰ আধাতকৈ বেছি টকা সাম্ৰাজ্যবাদী, পুঁজিপতি ব্যক্তিগত মালিক বিলাকে আত্মসাৎ কৰিছে। মই জানো আমাৰ আজি ৰাষ্ট্ৰীয়-কৰণ কৰিলে কিছুমান অসুবিধাৰ সন্মুখীন হব লাগিব, এইটো সঁচা কথা। ৰাষ্ট্ৰীয়কৰণৰ পথটো ফুলেৰে ঢকা পথ নহয়, ৰাষ্ট্ৰীয়কৰণৰ পথটো কণ্টকাকীৰ্ণ পথ। সংবিধানৰ বিধি মতে ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ গ'লে ক্ষতিপূৰণ দিব লাগিব। এক শতাব্দি ধৰি যি পুঁজিপতি মালিক সকলে অসমৰ তেজ শোষণ কৰিছে তেওঁলোকক ক্ষতিপূৰণ নিদিয়াকৈ ৰাষ্ট্ৰীয়কৰণ কৰিব

পাৰিলে ভাল হ'লহেতেন। তেওঁলোকে যিটো মূলধন প্ৰয়োগ কৰিছিল, যোৱা এশ বছৰে সেই মূলধনতকৈ হেজাৰ গুণ টকা চাহ বাগিছা আৰু তেল কোম্পানী বিলাকৰ পৰা লাভ কৰিছে। গতিকে এই বাগিছা আৰু তেল কোম্পানী বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ যাওঁতে নতুন ক্ষতিপূৰণ দিয়াৰ কোনো প্ৰশ্ন নুঠে। এইটো মোৰ ব্যক্তিগত মত। পিচে সংবিধানত যি এটা ব্যৱস্থা আছে সেইমতে ক্ষতিপূৰণ নিদিয়াকৈ কোনো সম্পত্তি অধিগ্ৰহণ কৰা নহ'ব। যিমান দিনলৈ এই সংবিধান সংশোধিত নহয় এইটো ব্যৱস্থা মানিব লাগিব। গতিকে সংবিধান মতে আমি ক্ষতিপূৰণ দিব লাগিব। অলপতে ৰাজন্য ভাট্টা সম্পৰ্কে চুপ্ৰিমকোৰ্টে ৰায় দিছে আৰু সংবিধান সংশোধন কৰা হৈছে। সেই সংশোধনী মতে ক্ষতিপূৰণৰ টকাৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ ক্ষমতা চৰকাৰক দিয়া হৈছে। যেতিয়া সংশোধনী বিলখনৰ ৰেটিফিকেচনৰ কাৰণে আলোচনা হৈছিল তেতিয়া এটা কথা কৈছিলো যে ক্ষতিপূৰণৰ টকাৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ ক্ষমতা চৰকাৰক দিয়া হৈছে এইটো ঠিক নহ'ল। এই কাৰণে ঠিক নহ'ল যদি প্ৰতিক্ৰিয়াশীল চৰকাৰ হয়, পুঁজিপতি চৰকাৰ হয় তেন্তে ক্ষতিপূৰণৰ টকাৰ পৰিমাণ ইমান বেছিকৈ নিৰ্ধাৰণ কৰিব যে সেই সম্পত্তি অধিগ্ৰহণ কৰাটো সম্ভৱপৰ নহব। এইটো কথা বিশ্বাস কৰিছিলো ইন্দিৰা গান্ধী চৰকাৰে বা শাসক কংগ্ৰেছ চৰকাৰে এনেকৈ কোনো ক্ষতিপূৰণৰ টকা নিৰ্ধাৰণ নকৰে যি টকা ক্ষতিপূৰণৰ বাবদ দিয়ে সি চৰকাৰৰ ক্ষমতাৰ বাহিৰত। তেনেকৈ কোনো পৰিমাণ নিৰ্দ্ধাৰণ নকৰে সামান্য পৰিমাণ নিৰ্দ্ধাৰণ কৰিব। চাহ বাগিছা বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ যাওঁতে মই কওঁ যে প্ৰতি হেক্টৰত ৫০ টকাতকৈ বেছি ক্ষতিপূৰণ দিব নালাগে। অসমত চাহ বাগিছাৰ মাটিৰ পৰিমাণ হ'ল ১ কোটি ১ লাখ ৮০ হাজাৰ ৬৫ হেক্টৰ। প্ৰতি হেক্টৰত ৫০ টকাকৈ দিলে বৰ বেছি টকাৰ প্ৰয়োজন নহব। ফেক্টৰী আদিৰ মূল্যক লৈ ২কোটি টকাৰ ভিতৰত এই চাহ বাগিছা বিলাক ৰাষ্ট্ৰীয়কৰণ কৰিব পৰা হ'ব। তেল কোম্পানীৰ ক্ষেত্ৰত ঠিক তেনেকৈ সংবিধানৰ সংশোধনী ৰখাৰ উদ্দেশ্যে এটা সামান্য পৰিমাণৰ ক্ষতিপূৰণ ধাৰ্য্য কৰি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব পাৰে।

তেখেতে কৈছে যে চাহবাগান বিলাক পৰিচালনা কৰাৰ ক্ষমতা আমাৰ নাই, মজদুৰ সকলৰ অসুবিধা হ'ব। এই বিলাক বাজে কথাৰ অৱতাৰণা কৰা হৈছে। আজি স্বাধীনতা অৰ্জন কৰাৰ ২৫ বছৰ হ'ল। গণতান্ত্ৰিক দেশ হিচাবে ভাৰতে সুনাম অৰ্জন কৰিছে। ৰাজনীতিত আন্তৰ্জাতিক ক্ষেত্ৰত সুনাম অৰ্জন কৰিছে।

শ্ৰীউপেন সনাতন—চাহবাগানৰ মজদুৰৰ কথা জানে জানো ?

শ্ৰীগিয়াচুদ্দিন আহমেদ—তেখেতে কৈছে যে এই চাহবাগিছাবোৰ, তেল কোম্পানীবোৰ পৰিচালনা কৰাৰ কোনো ক্ষমতা আমাৰ নাই। অযোগ্য বুলি তেখেতে স্বীকাৰ কৰিছে। তেওঁলোকৰ যদি মেনেজ কৰাৰ ক্ষমতা নাই তেন্তে গাদী এৰি দিয়ক আমি কৰিম। এইবিলাক বাজে কথা কৈ লাভ নাই। ৰাজহুৱা খণ্ডত যি কেইটা উদ্যোগ গঢ়ি উঠিছিল সকলোতে লোকচান হৈছে। এইটো জানো, পাব্লিক চেক্টৰত ব্যৰ্থ হৈছে দূৰ্নীতিৰ কাৰণে। পাব্লিক চেক্টৰৰ যোগেদি ভাৰতৰ ভৱিষ্যত অৰ্থনীতি গঢ়ি তুলিব লাগিব। গতিকে মই কৈছো এইটো সাম্ৰাজ্যবাদী ব্যক্তিগত পুঁজিপতি সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ডিকটেটৰিয়েট টেকটিক্স। এইটো এটা জঘন্য ষড়যন্ত্ৰ কৰিছে।

Mr. Speaker—This Resolution will stand over under Rule 264. It will get priority. Before prorogation, Shri Saikia, Minister of State wants to make a statement to correct his previous statement.

Shri Hiteswar Saikia—In reply to the Starred Assembly Question No. 527 asked by Shri Mal Chandra Pegu on 25-7-1972. I had stated that Shri Nab n Chandra Rajkhowa is a member of Mudoibil Village Defence Party, but he is not a convict. This reply was given in the Assembly on the basis of information obtained at that time from the local authorities.

However, on a scrutiny of records it has been

found that Majuli Police Station submitted charge-sheet in case No. 4 (11)65 U/S 341/323 IPC against Shri Nabin Chandra Rajkhowa. Shri Rajkhowa was found guilty by the court and was sentenced to pay a fine of Rs. 40/-(Rupees forty) only in default rigorous imprisonment for one month. It is thus clear that Shri Rajkhowa was actually convicted by the court and to that extent the reply given in the Assembly on 25.7.72 was incorrect. The mistake is regretted.

Mr. Speaker—There is a message. Message—"In exercise of the powers conferred by Clause 2(a) of Article 174 of the Constitution of India, as amended up to date, I, Braj Kumar Nehru, Governor of Assam, hereby prorogue the Assam Legislative Assembly at the conclusion of its sitting on the 25th September, 1972." The Assembly now stands prorogued.

## PROROGATION

The Assembly was then prorogued.

Shillong  
The 25th September, 1972.

**U. TAHBILDAR**  
*Secretary*  
Legislative Assembly, Assam